## দ্বিতীয় খণ্ড

প্ৰথম বিভাগ ঃ অসমীয়া ৰোমাণ্টিক কবিতা (দ্বিতীয় তৰঙ্গ)-ৰ সাধাৰণ আলোচনা

দ্বিতীয় বিভাগ ঃ কবি ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'

তৃতীয় বিভাগ ঃ কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতা 'মোৰ বীণা'

চতুৰ্থ বিভাগ ঃ কবি দেৱকান্ত বৰুৱাৰ কবিতা 'অপ্ৰকাশ'

# প্ৰথম বিভাগ
# অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগ

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সময় আৰু কবিসকল

১.৪ অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ পটভূমি

১.৫ অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সামগ্ৰিক বিশেষত্ব

১.৬ সাৰাংশ (Summing Up)

১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ১.১ ভূমিকা (Introduction)

অসমীয়া কবিতাৰ ৰোমান্টিক যুগে মূলতঃ ১৮৮৯ চনত *জোনাকী* আলোচনী প্ৰকাশৰ পৰা ১৯৩৮ত *জয়ন্তী* আলোচনী প্ৰকাশ হোৱালৈ প্ৰায় অৰ্ধ শতিকাৰ সময় সামৰি লয়। *জয়ন্তী*ৰ প্ৰকাশে সূচনা কৰা প্ৰগতিশীল আন্দোলন আৰু পৰৱৰ্তী সময়ত *ৰামধেনু* (১৯৫০-)ৰ প্ৰকাশে কঢ়িয়াই অনা আধুনিকতাবাদী সাহিত্য ধাৰাই অসমীয়া কবিতাত নতুন যুগৰ সূচনা কৰে। ১৯৩৯ চনত সূচনা হোৱা দ্বিতীয় বিশ্বযুদ্ধও অসমীয়া কবিতাৰ পৰ্বান্তৰৰ এক বিশেষ সন্ধিক্ষণ। সি যি কি নহওক, অসমীয়া কবিতাৰ অৰ্ধশতিকাজোৰা ৰোমান্টিক যুগটোক অসমীয়া সাহিত্যৰ ইতিহাস-প্ৰণেতা আৰু সমালোচকসকলে কেইবাটাও স্তৰ,পৰ্ব বা তৰংগত ভাগ কৰি আলোচনা কৰা দেখা যায়। চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, বেণুধৰ ৰাজখোৱা আদি কবিৰ হাতত আৰম্ভ হোৱা অসমীয়া কবিতাৰ ৰোমান্টিক যুগে পৰৱৰ্তী সময়ত বিষয়বস্তু আৰু প্ৰকাশভংগীৰ দিশৰ পৰা বিভিন্ন ক্ষেত্ৰত নতুনত্ব লাভ কৰিছিল, যাৰ আধাৰত ৰোমান্টিক যুগৰ কবিতাৰ পৰ্ব বা পৰ্যায় বা তৰংগ বিভাজন কৰা হৈছে। অৱশ্যে এই তৰংগ বিভাজনৰ ক্ষেত্ৰত আলোচকভেদে মতৰ ভিন্নতাও আছে। কিন্তু বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা *জোনাকী*ত সূচনা অসমীয়া ৰোমান্টিক কবিতাই যে এক পৰ্বান্তৰ লাভ কৰিছে সেইক্ষেত্ৰত সকলো আলোচকেই সহমত প্ৰকাশ কৰিছে। এই

সময়ছোৱাৰপৰাই অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ আৰম্ভ হৈছে বুলিব পাৰি। কেইবাগৰাকী আলোচকে আকৌ অসমীয়া ৰোমাণ্টিক কবিতাৰ এটা তৃতীয় তৰংগও লক্ষ্য কৰিছে। এই অধ্যায়ত অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সময়সীমা, পটভূমি, বৈশিষ্ট্য আদি দিশৰ আলোচনা কৰা হৈছে।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ গতি-বৈচিত্ৰ্যৰ সৈতে পৰিচয় লাভ কৰিব পাৰিব,
- দ্বিতীয় তৰংগ ৰোমাণ্টিক কবিতাৰ পটভূমি আৰু গতি-প্ৰকৃতিৰ বিচাৰ কৰিব পাৰিব,
- প্ৰায় অৰ্ধ শতিকাজোৰা অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ দ্বিতীয় পৰ্বৰ কবিতালৈ অহা ধাৰা-বৈচিত্ৰ্য, বিষয়-বৈচিত্ৰ্য, ভাৱ-বৈচিত্ৰ্যৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।

## ১.৩ অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সময় আৰু কবিসকল

*অসমীয়া সাহিত্যৰ ৰূপৰেখাত* মহেশ্বৰ নেওগে অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসৰ আলোচনা কৰোঁতে আলোচনীকেন্দ্ৰিক চাৰিটা স্তৰৰ কথা অৱতাৰণা কৰিছে। সেই স্তৰকেইটা ক্ৰমে—জোনাকী স্তৰ, উত্তৰ জোনাকী স্তৰ, ছাত্ৰ সন্মিলনৰ স্তৰ, শেষ ৰোমাণ্টিক স্তৰ। নেওগৰ বিভাজনত 'জোনাকী স্তৰ'ৰে সামৰি লোৱা কবিকেইগৰাকী হ'ল— চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, মফিজুদ্দিন আহমদ হাজৰিকা, কৃষ্ণপ্ৰসাদ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, বেণুধৰ ৰাজখোৱা আৰু আনন্দ চন্দ্ৰ আগৰৱালা। 'উত্তৰ জোনাকী স্তৰ'ৰ কবিসকল— চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা আদি। বাঁহী-আলোচনী স্তৰৰ কবি হিচাপে যতীন্দ্ৰনাথ দুৱৰা, সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, পদ্মধৰ চলিহা, ৰত্নকান্ত বৰকাকতী, নীলমণি ফুকন, শৈলধৰ ৰাজখোৱা আদিৰ নাম উল্লেখ কৰিছে। 'মিলন' আলোচনী কেন্দ্ৰিক 'ছাত্ৰ সন্মিলনৰ স্তৰ' হিচাপে উল্লেখ কৰা স্তৰটোত কবি ডিম্বেশ্বৰ নেওগ, দৈৱচন্দ্ৰ তালুকদাৰ, বিনন্দচন্দ্ৰ বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, প্ৰসন্নলাল চৌধুৰী, পাৰ্বতিপ্ৰসাদ বৰুৱা, কমলেশ্বৰ চলিহা, উমেশচন্দ্ৰ চৌধাৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, নলিনীবালা দেৱী, ধৰ্মেশ্বৰী দেৱী বৰুৱানীক অন্তৰ্ভুক্ত কৰা হৈছে। মূলতঃ

*আৱাহন*(১৯২৯)ৰ যোগেদি আত্মপ্ৰকাশ কৰা শেষ ৰোমাণ্টিক স্তৰৰ কবিসকল হৈছে— আনন্দ্ৰচন্দ্ৰ বৰুৱা, গণেশচন্দ্ৰ গগৈ আৰু দেৱকান্ত বৰুৱা। অসমীয়া সাহিত্যৰ ইতিহাস নিৰ্মাণত আলোচনীসমূহে লোৱা ভূমিকা অনস্বীকাৰ্য। মহেশ্বৰ নেওগে 'ৰোমাণ্টিক স্তৰ'ৰ কবিতাৰ ইতিহাসক সেয়েহে *জোনাকী, বাঁহী-আলোচনী, মিলন*(ছাত্ৰ-সন্মিলনৰ স্তৰ), *আৱাহন*( শেষ ৰোমাণ্টিক স্তৰ) আলোচনীৰ ভিত্তিত বিভাজন কৰিছে। কিন্তু তেখেতৰদ্বাৰা বিভাজিত প্ৰতিটো স্তৰতে অসমীয়া ৰোমাণ্টিক কবিতাই সুকীয়া বৈশিষ্ট্য লাভ কৰিছে বুলি ক'ব নোৱাৰি।

অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ আলোচনাত *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*গ্ৰন্থত সত্যেন্দ্ৰনাথ শৰ্মাই 'জোনাকী' স্তৰৰ উপৰি 'বাঁহী-উষা-আলোচনী-আসাম বান্ধৱ-চেতনাৰ লেখকসকলক' আন এটা স্তৰত ধৰিছে। তেখেতে ইয়াৰ জৰিয়তে ৰোমাণ্টিক যুগৰ দুটা স্তৰ নিৰ্দেশ কৰিছে।

অসমীয়া ৰোমাণ্টিক কবিতাৰ প্ৰৱাহৰ আলোচনাত মহেন্দ্ৰ বৰাই যুগটোক তিনিটা স্তৰ বা তৰংগত ভাগ কৰিছে—ইয়াৰে প্ৰথম তৰংগৰ কবিসকল হ'ল—চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী, দ্বিতীয় তৰংগৰ উল্লেখযোগ্য কবিসকল হ'ল—ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰি ৰায়চৌধুৰী, যতীন্দ্ৰনাথ দুৱৰা, নলিনীবালা দেৱী আদি, তৃতীয় তৰংগৰ কবিসকলৰ অন্যতম জ্যোতিপ্ৰসাদ আগৰৱালা আৰু দেৱকান্ত বৰুৱা।

নগেন শইকীয়াই 'ৰোমাণ্টিক যুগ' প্ৰসংগত লিখিছে—"...যদিও 'জোনাকী'য়ে সৃষ্টি কৰা ভাবাদৰ্শ আৰু ৰীতিয়েই পৰৱৰ্তী দশকসমূহত বিস্তাৰ ঘটিল, সমগ্ৰ যুগটোত 'জোনাকী'ৰ ভাব-শক্তিয়েই প্ৰধান সক্ৰিয় শক্তি। তথাপি ভাৱ আৰু বিষয়ৰ সম্প্ৰসাৰণৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ছোৱাক—১) জোনাকী ২) বাঁহী-চেতনা-মিলন আৰু ৩) আৱাহনৰ যুগ—এই তিনিটা যুগত ভাগ কৰি ল'ব পাৰি।( *অসমীয়া কবিতা আৰু অন্যান্য বিষয়,* পৃ.১৪-১৫)

ভবেন বৰুৱাই *অসমীয়া কবিতাঃ বিৱৰ্তনৰ পৰ্ব* গ্ৰন্থত প্ৰথম বিশ্বযুদ্ধ পৰৱৰ্তী সময়ছোৱাৰ পৰা অসমীয়া কবিতাৰ 'বিৱৰ্তনৰ পৰ্ব'ৰ সূচনা হৈছে বুলি মন্তব্য কৰিছে। তেখেতে ৰঘুনাথ চৌধাৰী,মফিজুদ্দিন আহমদ হাজৰিকা, অম্বিকাগিৰি ৰায়চৌধুৰী, নীলমণি ফুকন, দুৰ্গেশ্বৰ শৰ্মা, নলিনীবালা দেৱী আদিক চন্দ্ৰকুমাৰ-বেজবৰুৱাৰ ঐতিহ্যবহনকাৰী প্ৰথম পৰ্বটোৰেই অন্তৰ্গত কৰিছে। 'বিৱৰ্তনৰ পৰ্ব'ৰ কবিসকলৰ প্ৰসংগত গ্ৰন্থখনৰ 'ভূমিকা'ত তেখেতে লিখিছে—"জোনাকী আৰু বাঁহীৰ পাতত আৰম্ভ হোৱা 'আধুনিক অসমীয়া কবিতাৰ ধাৰাটোৰে দ্বিতীয় পৰ্বস্বৰূপ এই পৰ্বটো যেতিয়া সক্ৰিয় হৈছিল তেতিয়া প্ৰথম মহাযুদ্ধখনে অনা এবিধ মানসিক পট পৰিৱৰ্তনৰ বতাহেও এবিধ

আধুনিক অসমীয়া মনকো স্পৰ্শ কৰিছিল। তেওঁলোক সাধাৰণতে কলিকতাৰ লগতো জড়িত হৈছিল। ৰবীন্দ্ৰনাথ—প্ৰমথ চৌধুৰীৰ পথৰ 'সবুজপত্ৰ'ৰ পোহৰখিনিও ল'ব পৰা এবিধ নতুন আধুনিক অসমীয়া মনে আত্মপ্ৰকাশ কৰিছিল। ৰবীন্দ্ৰনাথৰ 'লিপিকা'ৰ আধুনিকতাৰ পথতো যতীন্দ্ৰনাথ দুৱৰা আৰু ভগৱতীপ্ৰসাদ বৰুৱাই এবিধ নতুন আধুনিকতা অসমীয়া কবিতালৈ আনিছিল—কুৰি শতিকাৰ দ্বিতীয়-তৃতীয় দশক দুটাতে। লক্ষ্মীধৰ শৰ্মাও এই পথটোৰে লগত আছিল। তেওঁ অসমীয়া গল্পসাহিত্যলৈ অনা এবিধ নতুন আধুনিক ভাষাৰীতিও আছিল এই পথটোৰে চৰিত্ৰব্যঞ্জক। এই পথতে ভিক্টোৰিয়ান টেনিচন আৰু ফিটজেৰাল্ডৰ দৰেই ভিক্টোৰিয়ান ব্ৰাউনিঙেও অসমীয়া কবিতাক এটা নতুন সুৰ দিছিল। ত্ৰিশৰ দশকত ওলোৱা দেৱকান্ত বৰুৱা সেই ব্ৰাউনিঙৰ পথৰে আছিল। যতীন্দ্ৰনাথ দুৱৰাৰ পথত আৰম্ভ হোৱা এটা প্ৰক্ৰিয়াৰে আন এটা ৰূপেই যেন পাম দেৱকান্ত বৰুৱাৰ কবিতাতো। দুৱৰা আৰু বৰুৱা দুয়োজনেই আছিল এবিধ ভিক্টোৰিয়ান 'আধুনিক' মনৰ প্ৰতিনিধি ৰবীন্দ্ৰনাথ-শ্ৰীঅৰবিন্দ-বিবেকানন্দ যুগটোৰ(-যাৰ ওচৰতে কম-বেছি পৰিমাণে ৰৈছিল লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ মন দুটা) পৰা আঁতৰি ওলোৱা এবিধ নাগৰিক মধ্যবিত্তীয় শ্ৰেণীৰ মনৰো প্ৰতিনিধিত্ব এইক্ষেত্ৰত।" ভবেন বৰুৱাই 'বিবৰ্তনৰ পৰ্ব' হিচপে চিহ্নিত কৰি যিসকল কবিক এই পৰ্বৰ প্ৰতিনিধি হিচাপে দেখুৱাইছে, তেওঁলোক হ'ল—যতীন্দ্ৰনাথ দুৱৰা, ৰত্নকান্ত বৰকাকতী, ভগৱতীপ্ৰসাদ বৰুৱা, ডিম্বেশ্বৰ নেওগ, পাৰ্বতিপ্ৰসাদ বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, আনন্দচন্দ্ৰ বৰুৱা, দেৱকান্ত বৰুৱা আদি।

*কুৰি শতিকাৰ অসমীয়া কবিতা* গ্ৰন্থৰ পাতনিত নীলমণি ফুকনেও অসমীয়া ৰোমান্টিক কবিতাৰ তিনিটা পৰ্যায়ৰ উল্লেখ কৰিছে। য'ত তেখেতে প্ৰথম পৰ্যায়ত 'জোনাকী' কবিসকলক ৰাখি, দ্বিতীয় পৰ্যায়ত '১৮৮৫-১৯০৫ এই কালছোৱাৰ ভিতৰত জন্মগ্ৰহণ কৰা—অম্বিকাগিৰীৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালালৈকে' আৰু তৃতীয় পৰ্যায়ত '১৯০৬ৰ পৰা ১৯২৬ লৈ এই কুৰিটা বছৰৰ সময়ৰ পৰিধিত জন্মগ্ৰহণ কৰা কবিসকল'ক ৰাখিছে।

উপৰোক্ত আলোচনাত বিভিন্ন আলোচকৰ মাজত যদিও মত-পাথৰ্ক্য পৰিলক্ষিত হৈছে, কিন্তু অসমীয়া ৰোমান্টিক কবিতাই যে কেইবাটাও পৰ্ব বা তৰংগৰে বিকাশ লাভ কৰিছে সেই কথা প্ৰতিগৰাকী আলোচকেই ক'ব বিচাৰিছে। আলোচনাৰ সুবিধাৰ্থে অসমীয়া ৰোমান্টিক কবিতাৰ প্ৰবাহক বহলকৈ দুটা তৰংগতেই ভাগ কৰি ল'ব পাৰি। যাৰ প্ৰথমটো তৰংগত প্ৰায় সকলো আলোচকেই ক'ব বিচৰা 'জোনাকী'কেন্দ্ৰিক চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদি প্ৰথম স্তৰৰ কবিসকলক সামৰি ল'ব পাৰি। দ্বিতীয় তৰংগটোৰ সূচনা হৈছে মূলতঃ প্ৰথম বিশ্বযুদ্ধ(১৯১৪-১৮) পৰৱৰ্তী সময়ছোৱাৰপৰা আৰু বিকাশ হৈছে *বাঁহী* আৰু *আলোচনী*ত।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সময়সীমা আৰু কবিসকলৰ বিষয়ে এক আলোচনা যুগুত কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ১.৪ অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ পটভূমি

অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় পৰ্বৰ সূচনা *বাঁহী-আলোচনী*ৰ প্ৰকাশৰ সময়ৰ পৰাই আৰম্ভ হৈছিল বুলিব পাৰি। বিংশ শতিকাৰ প্ৰথম-দ্বিতীয় দশকৰ সময়ছোৱাত সংঘটিত কেইবাটাও ঐতিহাসিক পৰিঘটনা আৰু সামাজিক পৰিৱৰ্তনে ৰোমাণ্টিক কবিতাৰ চৰ্চাৰ ক্ষেত্ৰখনলৈ নতুনত্ব আনিছিল। তাৰে কেইটামান দিশৰ আলোচনা তলত কৰা হ'ল—

**প্ৰথম বিশ্বযুদ্ধঃ** ১৯১৪ চনৰ পৰা সূচনা হোৱা প্ৰথম বিশ্বযুদ্ধই সমগ্ৰ বিশ্বৰ লগতে ঔপনিৱেশিক অসমৰ সমাজ-ৰাজনীতিকো কিছুদুৰ প্ৰভাৱিত কৰিছিল। সমালোচক ভৱেন বৰুৱাই প্ৰথম বিশ্বযুদ্ধৰ পৰাই অসমীয়া কবিতাৰ বিৱৰ্তনৰ পৰ্বটো আৰম্ভ হৈছে বুলি মতপোষণ কৰিছে। (*অসমীয়া কবিতাঃ বিৱৰ্তনৰ পৰ্ব*ৰ ভূমিকা) প্ৰথম বিশ্বযুদ্ধই মানুহৰ মানসিক জগতলৈ অনা পৰিৱৰ্তনে অসমীয়া কবিৰ মনকো কিছুদূৰলৈ স্পৰ্শ কৰিছিল।

**স্বদেশী আন্দোলন আৰু জাতীয় মুক্তি সংগ্ৰামঃ** বিংশ শতিকাৰ আৰম্ভণিৰ পৰা সূচনা হোৱা স্বদেশী আন্দোলন আৰু পৰৱৰ্তী সময়ৰ জাতীয় মুক্তি আন্দোলনৰ বতাহে এই সময়ছোৱাৰ কবি-সাহিত্যিকসকলক স্পৰ্শ কৰিছিল। বংগ ভংগ আৰু ১৯০৫ চনত সূচনা হোৱা স্বদেশী আন্দোলন, ১৯১৫ চনত গান্ধীৰ ভাৰতবৰ্ষলৈ প্ৰত্যাৱৰ্তন, ১৯১৮ চনৰ চম্পাৰণ আৰু খেড়াৰ সত্যাগ্ৰহ, ১৯২০ চনত গান্ধীৰদ্বাৰা জাতীয় কংগ্ৰেছৰ দায়িত্ব গ্ৰহণ আৰু অসহযোগ আন্দোলন আদি ঘটনাই সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমকো ঢৌৱাই গৈছিল। এইক্ষেত্ৰত প্ৰথম পৰ্যায়ত 'অসম ছাত্ৰ সন্মিলন' আৰু পৰৱৰ্তী সময়ত 'অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি'ৰ ভূমিকা আছিল লক্ষ্যণীয়। জাতীয় কংগ্ৰেছৰ দ্বাৰা অনুপ্ৰাণিত

আৰু গান্ধীৰ অনুগামী বহু কবি-সাহিত্যিকে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশগ্ৰহণ কৰিছিল আৰু ফলশ্ৰুতিত স্বাভাৱিক ভাৱে সাহিত্যৰ জৰিয়তে স্বদেশ-প্ৰেম আৰু বিপ্লৱৰ সুৰ প্ৰকাশিত হৈছিল।

**মধ্যবিত্ত শ্ৰেণীৰ প্ৰতিষ্ঠা আৰু সৰ্বভাৰতীয় জাতীয় চেতনাৰ উত্থানঃ** ঊনবিংশ শতিকাটো আছিল অসমীয়া মধ্যবিত্তৰ আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰামৰ সময়। বিংশ শতিকাৰ আৰম্ভণিৰে পৰা অসমীয়া মধ্যবিত্তই আত্মপ্ৰতিষ্ঠা লাভ কৰিছিল বুলিব পাৰি। ১৯০১ চনত কটন কলেজৰ প্ৰতিষ্ঠা, ১৯০৩ চনত 'আসাম এছোচিয়েশ্যন'ৰ প্ৰতিষ্ঠা বিংশ শতিকাৰ প্ৰথম দশকটোৰ দুটা গুৰুত্বপূৰ্ণ ঘটনা। প্ৰথম অৱস্থাত যদিও অসমৰ মধ্যবিত্ত শ্ৰেণী জাতীয় আন্দোলনৰ পক্ষত নাছিল, পৰৱৰ্তী সময়ত জাতীয় মুক্তি সংগ্ৰামে মধ্যবিত্ত অসমীয়াৰ মনত ৰাষ্ট্ৰীয় চেতনাৰ উদ্বোধন কৰিছিল। ১৯১৬ চনত 'অসম ছাত্ৰ সন্মিলন', ১৯১৭ চনত 'অসম সাহিত্য সভা' আৰু ১৯২১ চনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ গঠন হৈছিল। ১৯২১ চনত জাতীয় কংগ্ৰেছৰ প্ৰাদেশিক কমিটি গঠনৰ দ্বাৰা অসমীয়া মধ্যবিত্তই জাতীয় মুক্তি আন্দোলনৰ সৈতেও প্ৰত্যক্ষ ভাৱে জড়িত হৈ পৰিছিল।

**অসমীয়া জাতীয়তাবাদৰ বিকাশৰ নতুন পৰ্বঃ** ঊনবিংশ শতিকাৰ পৰা সূচনা হোৱা অসমীয়া ভাষিক জাতীয়তাবাদে বিংশ শতিকাত বিভিন্ন মাধ্যমৰ জৰিয়তে বিকাশ লাভ কৰিছিল। ব্ৰিটিছ শাসনৰ অসমীয়া ভাষা-নীতিৰ বিৰোধিতা কৰি উদ্ভৱ হোৱা অসমীয়া জাতীয়তাবাদে ১৯১৭ চনত অসম সাহিত্য সভাৰ গঠনেৰে এক আনুষ্ঠানিক প্ৰতিষ্ঠা লাভ কৰে। ১৯২৬ চনত প্ৰতিষ্ঠা হোৱা 'অসমীয়া সংৰক্ষিণী সভা'ইও জাতীয়তাবাদী ভাৱধাৰাক আগুৱাই নিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লয়। ১৯১৯ চনত চন্দ্ৰনাথ শৰ্মা আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ উদ্যোগত *চেতনা*ৰ প্ৰকাশ হয়। সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাত— 'চেতনা উগ্ৰ জাতীয়তাবাদী কাকত আছিল..'। (*অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃ.৩৫১)। অসমীয়া জাতীয়তাবাদপ্ৰসূত চিন্তাধাৰা আৰু আদৰ্শই সমকালীন অসমীয়া কবিতা আৰু সাহিত্যৰ আন ধাৰাক প্ৰভাৱিত কৰিছিল।

**বাংলা কবিতাৰ নতুন পৰ্ব ঃ** চুবুৰীয়া বাংলা কবিতাৰ নিত্য-নতুন সম্পৰীক্ষাইও অসমীয়া কবি-মনক বিভিন্ন সময়ত প্ৰভাৱিত-অনুপ্ৰাণিত কৰি আহিছে। অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় পৰ্যায় সন্দৰ্ভত নীলমণি ফুকনে লিখিছে—"এই সময়ছোৱাতে ৰবীন্দ্ৰনাথৰ কাব্যৰ 'মানসী', 'বলাকা' পৰ্বৰ অভিঘাতেও কিছু সংখ্যক কবিৰ ক্ষেত্ৰত সেই মানসত ক্ৰিয়া কৰিছিল।" (পূৰ্বোল্লিখিত উৎস) সংকলন দুটাৰ প্ৰকাশৰ সময় আছিল ক্ৰমে ১৮৯০ আৰু ১৯১৬। এই সময়ছোৱাৰ একাংশ কবিৰ মাজত ৰবীন্দ্ৰ-অনুপ্ৰেৰণা আছিল লক্ষ্যণীয়। ভৱেন বৰুৱাই লিখিছে—'ৰবীন্দ্ৰনাথৰ 'লিপিকা'ৰ আধুনিকতাৰ পথতো যতীন্দ্ৰনাথ দুৱৰা আৰু ভগৱতীপ্ৰসাদ বৰুৱাই এবিধ নতুন আধুনিকতা অসমীয়া

কবিতালৈ আনিছিল।"(পূৰ্বোল্লিখিত উৎস) ১৯১৪ চনত প্ৰমথ চৌধাৰীৰ সম্পাদনাত প্ৰকাশিত *সবুজপত্ৰ*ৰ কাব্যাদৰ্শইও অসমীয়া মনক স্পৰ্শ কৰিছিল।

উপৰোক্ত ঘটনা-পৰিঘটনাসমূহৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ ৰোমান্টিক যুগৰ দ্বিতীয় তৰংগৰ কাব্য-চৰ্চাত পৰিছিল। এই পৰিৱৰ্তিত সামাজিক-ৰাজনৈতিক পৰিপ্ৰেক্ষাই কঢ়িয়াই অনা বৌদ্ধিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটতেই ৰোমান্টিক যুগৰ দ্বিতীয় পৰ্যায়ৰ কবিতাৰ চৰ্চা আৰু বিকাশ হৈছিল। এই সময়ছোৱাক কবি নীলমণি ফুকনে 'এক সংক্ৰামক সাংস্কৃতিক উদ্দীপনাৰ যুগ' বুলি অভিহিত কৰিছে। এই সময়ছোৱাৰ সমাজ-ৰাজনৈতিক পটভূমিৰ বিষয়ে উল্লেখ কৰি তেখেতে লিখিছে—"ঊনৈশ শতিকাৰ শেহভাগৰ তুলনাত নৱোদিত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ মানসিক শক্তি অধিক পৰিমাণে বিকশিত হৈছিল আৰু ইতিমধ্যে অসমীয়া ভাষা-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ প্ৰতি নৱজাগ্ৰত অনুৰাগেও গতিবেগ লাভ কৰিছিল। স্বদেশী আন্দোলনৰ সাংস্কৃতিক দিশটোৱেও অসমীয়া সমাজখনক স্পৰ্শ কৰি গৈছিল। নতুন আৰ্হিৰ কবিতাই ইতিমধ্যে নৱাগতসকলৰ মানসত থিতাপি লৈছিল। ...এই আটাইবোৰ ঘটনা প্ৰধানকৈ ১৮৮৫-১৯০৫ এই কালছোৱাৰ ভিতৰত জন্মগ্ৰহণ কৰা—অম্বিকাগিৰীৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালালৈকে।" (পূৰ্বোল্লিখিত উৎস)

**আত্মমূল্যায়ন প্ৰশ্নঃ**

অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ পটভূমিৰ বিষয়ে এক টোকা প্ৰস্তুত কৰা।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ১.৫ অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সামগ্ৰিক বিশেষত্ব

ৰোমান্টিক যুগৰ দ্বিতীয় তৰংগৰ কবিসকলৰ কবিতাৰ বিশেষত্ব প্ৰথম পৰ্বৰ সৈতে তুলনামূলক আলোচনাৰ জৰিয়তে অধিক স্পষ্ট হ'ব—

প্ৰথম তৰংগৰ অধিকাংশ কবিৰ কবিতাৰ বিষয়বস্তু প্ৰকৃতি, মৃত্যু, অতীত-প্ৰীতি, প্ৰেম, সৌন্দৰ্য্য আদি প্ৰসংগত আবদ্ধ আছিল। দ্বিতীয় তৰংগতো আমি সদৃশ বিষয়বস্তুৰো উপস্থিতি লক্ষ্য কৰোঁ যদিও স্বদেশ-প্ৰেম আৰু বৈপ্লৱিক সুৰে এই সময়ছোৱাৰ কবি মানসত

বিশেষ প্ৰাধান্য লাভ কৰিছে। ওপৰত আলোচনা কৰি অহা সমকালীন ৰাজনৈতিক প্ৰেক্ষাপট আছিল ইয়াৰ প্ৰধান কাৰক। এই প্ৰসংগত নলিনীধৰ ভট্টাচাৰ্য্যই লিখিছে— "বেজবৰুৱাৰ 'বাঁহী', অম্বিকাগিৰীৰ 'চেতনা' তাৰো পিছলৈ 'আৱাহন' আদিত স্বদেশ প্ৰেম, নাইবা সমাজ-বাস্তৱ সম্বন্ধে বেদনাবোধ, নাইবা অন্যায় বিৰোধিতা আদিও কাব্যৰ আধেয় হৈ উঠিছিল। অম্বিকাগিৰী, প্ৰসন্নলাল আৰু জ্যোতিপ্ৰসাদৰ কবিতাত আমি এই সুৰ পাওঁহক।" (*অসমীয়া সাহিত্যৰ বুৰঞ্জী*-ষষ্ঠ খণ্ড, পৃ.৮৮)

ৰোমান্টিক কবিতাৰ প্ৰথম তৰংগৰ কবিসকলৰ কবিতাৰ অধিকাংশতেই গভীৰ আশাবাদৰ সুৰ দেখা যায়। এই স্তৰৰ কবিসকলৰ কবিতাত বিষাদৰ সুৰ তুলনাত্মকভাৱে কম। পৰৱৰ্তী পৰ্যায়ৰ কবিসকলৰ মাজত বিষাদ আৰু বিষণ্ণতাৰ ভিন্নধৰ্মী সুৰ পৰিলক্ষিত হয়। সমকালীন সমাজ-বাস্তৱকো ইয়াৰ এক কাৰক হিচাপে ভাৱিব পাৰি। কেইবাগৰাকী কবিৰ কবিতাত ব্যক্তিগত বিষাদে বিশেষ গুৰুত্ব লাভ কৰিছে। হিতেশ্বৰ বৰুৱাৰ 'শোক-কবিতা'ৰ প্ৰসংগ এইক্ষেত্ৰত উল্লেখযোগ্য। ভাৰতীয় আধ্যাত্মিকতাৰ পৰা উদ্ভূত সংসাৰ-বিৰাগ প্ৰতিধ্বনিত হৈছে ৰঘুনাথ চৌধাৰীৰ কবিতাত। অম্বিকাগিৰি, নলিনীবালা দেৱীৰ পৰা আৰম্ভ কৰি যতীন্দ্ৰনাথ দুৱৰা-গণেশ গগৈলৈ প্ৰায়সংখ্যক কবিৰ কবিতাতেই বিষণ্ণতাৰ ভিন্ন ৰূপ প্ৰকাশিত হৈছে।

দ্বিতীয় তৰংগৰ ৰোমান্টিক কবিতাত লক্ষ্য কৰা এটা গুৰুত্বপূৰ্ণ ধাৰা হৈছে— ৰহস্যবাদী কবিতাৰ ধাৰা। অম্বিকাগিৰিৰ *তুমি* কাব্যৰ মাজত প্ৰৱাহিত নাৰী-প্ৰেমৰ জৰিয়তে ভগৱৎ প্ৰেম উপলব্ধিৰ ৰহস্যবাদী ধাৰা আৰু নলিনীবালা দেৱীৰ কবিতাৰ 'গভীৰ অতীন্দ্ৰিয়বাদী সুৰ আৰু ভগৱৎ প্ৰেমৰ ৰহস্যবাদী প্ৰকাশ' এই স্তৰৰ ৰোমান্টিক কবিতাৰ এক বিশেষ সুঁতি।

ব্যক্তিগত প্ৰেম-প্ৰীতিৰ প্ৰাধান্য এই তৰংগৰ কবিসকলৰ কবিতাৰ আন এক বিশেষত্ব। সমালোচক মদন শৰ্মাই লিখিছে— 'ইন্দ্ৰিয়জ অনুভুতি, দেহজ প্ৰেমৰ আৰু আকৰ্ষণৰ মুক্ত, স্বচ্ছন্দ প্ৰকাশেৰে অম্বিকাগিৰি ৰায়চৌধাৰীয়ে অসমীয়া ৰোমান্টিক কবিতাক এটি নতুন মাত্ৰা প্ৰদান কৰে। তেওঁৰ পূৰ্বসুৰী ৰোমান্টিক কবিসকলৰ তুলনাত তেওঁৰ তেজ-মঙহৰ প্ৰিয়াৰ দৈহিক সুষমা আৰু আকৰ্ষণৰ বৰ্ণনা বহুপৰিমাণে মুকলি—

তুমি আধাখহা ৰিহাখনি
সুন্দৰীৰ উঠঙা বুকুত
তুমি নিটোল নিতম্বযুৰি
খোজেপতি উঠা কঁপি কঁপি

(*অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ*, পৃ.১০৭)

যতীন্দ্রনাথ দুৱৰা, গণেশ গগৈৰ কবিতাৰ মূল অৱলম্বনেই আছিল—প্ৰেম, বিৰহ আৰু ব্যৰ্থতা। আনহাতে শেষ ৰোমাণ্টিক স্তৰৰ কবি দেৱকান্ত বৰুৱাই দেহজ প্ৰেমৰ আবুৰহীন প্ৰকাশেৰে ৰোমাণ্টিক অসমীয়া কবিতাক।

ৰোমাণ্টিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্বক কেইবাগৰাকী মহিলা কবিয়ে সমৃদ্ধ কৰিছে। এই সময়ছোৱাত তিনিগৰাকী মহিলা কবিৰ কাব্য-চৰ্চা বিশেষভাৱে লক্ষ্যণীয়। তেওঁলোক হ'ল—ধৰ্মেশ্বৰী দেৱী বৰুৱানী, নলিনীবালা দেৱী আৰু যমুনেশ্বৰী খাটনিয়াৰ।

এই সময়ছোৱাৰ কবিসকলৰ প্ৰজ্ঞাৰ বিচৰণৰ ক্ষেত্ৰবৈচিত্ৰ্যও মন কৰিবলগীয়া। ভৱেন বৰুৱাই কোৱাৰ দৰেই 'জোনাকী-বাঁহী' যুগৰ মাজেৰে জাগৰিত হোৱা বেজবৰুৱা যুগৰ আৰ্যধৰ্মী ভাৰতীয়-অসমীয়া মানসিকতাৰ ধাৰাতো জ্যোতিপ্ৰসাদ পৰ্যন্ত বাহাল আছিল। এইক্ষেত্ৰত উপনিষদীয় দাৰ্শনিক চেতনাই কবিসকলক প্ৰথমৰে পৰা অনুপ্ৰাণিত কৰি আহিছে। কিন্তু দ্বিতীয় পৰ্ব প্ৰসংগত 'যতীন দুৱৰাৰপৰা আৰম্ভ হোৱা এবিধ ভিক্টোৰিয়ানিজম, বিৰিঞ্চি কুমাৰ বৰুৱাৰ পালিচৰ্চা, দেৱকান্ত বৰুৱাৰ বুদ্ধচৰ্চাও বিৱৰ্তনৰ প্ৰক্ৰিয়াটোৰ পৰিচায়ক আছিল বুলি ক'ব পাৰি' বুলি মন্তব্য কৰিছে। (পূৰ্বোল্লিখিত উৎস)

উল্লেখযোগ্য যে প্ৰায়সংখ্যক আলোচকেই অসমীয়া ৰোমাণ্টিক কবিতাৰ এটা তৃতীয় পৰ্বৰ কথাও অৱতাৰণা কৰিছে। যাক শেষ ৰোমাণ্টিক স্তৰ ৰূপেও অভিহিত কৰা হৈছে। দ্বিতীয় তৰংগৰ শেষৰ ফালে, যিছোৱা সময়ক শেষ ৰোমাণ্টিক স্তৰ বুলি অভিহিত কৰিব পাৰি, সেই সময়ছোৱাত সামগ্ৰিকভাৱে ৰোমাণ্টিক অসমীয়া কবিতাই পূৰ্বৰ গৰিমা কিছু হেৰুৱাইছিল। অৱশ্যে অম্বিকাগিৰি-জ্যোতিপ্ৰসাদ-দেৱকান্তৰ কবিতাই এক নতুন ধাৰাৰ বাৰ্তাবাহক হৈ এই সময়ছোৱাক সমৃদ্ধ কৰিছে। এই প্ৰসংগত মদন শৰ্মাই লিখিছে—"জীৱনৰ প্ৰতি একপ্ৰকাৰৰ নেতিবাচক দৃষ্টিভংগী, আত্মকেন্দ্ৰিকতা আৰু বৃহত্তৰ সমাজৰ বাস্তৱতাৰ পৰা বিচ্ছিন্নতাই শেষ ৰোমাণ্টিক যুগৰ ৰোমাণ্টিক ভাৱধাৰাৰ কবিসকলৰ কাব্যিক সৃষ্টিলৈ স্থবিৰতা আনে। ইয়াৰ বিপৰীতে বৃহত্তৰ সমাজৰ প্ৰতি দায়বদ্ধতাৰ উপলব্ধি সমাজ-বাস্তৱতাৰ প্ৰতি সজাগতা আৰু সুস্থ জীৱনবোধে অম্বিকাগিৰিৰ কবিতাৰ সুঁতি নতুন দিশলৈ বোৱালে—বিদ্ৰোহ, দেশপ্ৰেম আৰু আত্মনুসন্ধানৰ দিশলৈ। জ্যোতিপ্ৰসাদ আগৰৱালা, প্ৰসন্নলাল চৌধুৰী আদি সমাজমুখী আৰু বাস্তৱবাদী কবিয়ে শেষ ৰোমাণ্টিক ধাৰাৰ সমান্তৰালভাৱে বাস্তৱবাদী জাতীয়তাবাদী কবিতাৰ ধাৰাটো প্ৰৱহমান কৰি ৰাখে।...দ্বিতীয় বিশ্বযুদ্ধৰ পূৰ্বৰ সময়ত দেৱকান্ত বৰুৱাৰ আবিৰ্ভাৱে শেষ ৰোমাণ্টিক যুগৰ প্ৰেম অনুৰাগৰ কবিতাক শৈথিল্য, বহুবঙ্কিতা, অমূৰ্ততাৰপৰা মুক্ত কৰে। বেছি ঐহিক, বেছি ইন্দ্ৰিয়গ্ৰাহ্য ৰূপত প্ৰেমৰ বিভিন্ন অভিব্যক্তি তেওঁ নতুন কাব্যিক ৰীতিৰে প্ৰকাশ কৰে। তেওঁৰ প্ৰেমৰ কবিতা বেছি প্ৰাণৱন্ত, ব্যৰ্থতাৰ হা-হুতাশ তাত অনুপস্থিত। (পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃ.১০৯)

**আত্মমূল্যায়ন প্ৰশ্নঃ**

অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ বিশেষত্বসমূহৰ এক আলোচনা কৰাঁ।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ১.৬ সাৰাংশ (Summing Up)

অৰ্ধ শতিকাজোৰা অসমীয়া ৰোমান্টিক কবিতাৰ ইতিহাসত অসমীয়া কবিতাই বিভিন্ন সময়ত বিষয়-বৈচিত্ৰ্য আৰু ভাৱ-বৈচিত্ৰ্যৰে সমৃদ্ধি লাভ কৰিছে। বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা অসমীয়া ৰোমান্টিক কবিতাৰ ক্ষেত্ৰখনলৈ অহা নতুনত্ব এই ক্ষেত্ৰত বিশেষভাৱে লক্ষ্যণীয়। বাঁহী-আলোচনীৰ সময়ৰপৰা অসমীয়া ৰোমান্টিক কবিতাত সূচনা হোৱা কিছুমান বিশেষ পৰিৱৰ্তনৰ বাবে বিভিন্ন গৱেষক-আলোচকে এই সময়ছোৱাৰ পৰা অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় পৰ্বৰ আৰম্ভ হৈছে বুলি মন্তব্য কৰিছে। এই সময়ছোৱাৰপৰা অসমীয়া কবিতাত প্ৰকৃতি-প্ৰেম, অতীত-প্ৰীতি, প্ৰিয়াৰ সৌন্দৰ্যৰ উপস্থাপনতকৈ স্বদেশ-প্ৰেম, বৈপ্লৱিক সুৰৰ প্ৰাধান্য, আশাবাদৰ সলনি নৈৰাশ্যৰ শক্তিশালী উপস্থিতি, ৰহস্যবাদী ধাৰাৰ সূচনা, ব্যক্তিগত প্ৰেম-প্ৰীতিৰ আবুৰহীন উপস্থাপন, দেহজ-প্ৰেমৰ সাহসী চিত্ৰণ আদি বিশেষত্ব দেখা যায়। এইক্ষেত্ৰত সমকালীন সমাজ-ৰাজনৈতিক পটভূমিৰ ভূমিকাও বিশেষভাৱে লক্ষ্যণীয়।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় তৰংগৰ সময় আৰু বৈশিষ্ট্যৰ বিষয়ে বিভিন্ন লেখকে কৰা আলোচনাৰ আভাস দাঙি ধৰি নিজা মতামত আগবঢ়োৱাঁ।

২। ৰোমান্টিক অসমীয়া কবিতাৰ প্ৰথম তৰংগৰ সৈতে দ্বিতীয় তৰংগৰ কবিতাৰ বিশেষত্বৰ এক তুলনামূলক আলোচনা দাঙি ধৰাঁ।

৩। ৰোমান্টিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্বৰ পটভূমিৰ বিষয়ে চমু আভাস দাঙি ধৰি এই পৰ্বৰ উল্লেখযোগ্য বৈশিষ্ট্যসমূহৰ আলোচনা কৰাঁ।

## ১.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


গোস্বামী, ৰঞ্জিৎ কুমাৰ দেৱ, *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পঞ্চম খণ্ড আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম, ২০১৫ চন।

দত্ত, হীৰেন্দ্ৰ নাথ, *মোৰ প্ৰবন্ধ, অসম প্ৰকাশন পৰিষদ*, ২০১৪ চন।

নেওগ, ডিম্বেশ্বৰ, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*, শুৱনি প্ৰকাশ, ১৯৯৩ চন।

নেওগ, মহেশ্বৰ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, চন্দ্ৰ প্ৰকাশ, ২০০০ চন।

পূজাৰী, অৰ্চনা, সম্পা. *অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ*, জ্যোতি প্ৰকাশন, ২০০০ চন।

ফুকন, নীলমণি, *কুৰি শতিকাৰ অসমীয়া কবিতা*, অসম প্ৰকাশন পৰিষদ, ২০১৮ চন।

বৰগোহাঞি, হোমেন, *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড), এবিলেক, ১৯৯৩ চন।

বৰুৱা, ভৱেন, *অসমীয়া কবিতাঃ বিৱৰ্তনৰ পৰ্ব*, গ্ৰন্থ, ২০১২ চন।

—, *অসমীয়া কবিতা ঃ ৰূপান্তৰৰ পৰ্ব*, গ্ৰন্থ, ২০০০ চন।

ভট্টাচাৰ্য্য, ৰঞ্জন, *ড° দিলীপ বৰুৱাৰ সমালোচনা সাহিত্য*, বেদকণ্ঠ, ২০২০ চন।

মজুমদাৰ, পৰমানন্দ, *ভবানন্দ দত্ত ৰচনা-সমগ্ৰ, অসম* পাবলিচিং কোম্পানী, ২০২০ চন।

মহন্ত, প্ৰফুল্ল, *অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস*, পূৰ্বাঞ্চল প্ৰকাশ, ১৯৯১ চন।

শইকীয়া, নগেন, *অসমীয়া কবিতা আৰু অন্যান্য বিষয়*, চন্দ্ৰ প্ৰকাশ, ১৯৯৬ চন।

শৰ্মা, সত্যেন্দ্ৰনাথ, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, সৌমাৰ প্ৰকাশ, ১৯৮১ চন।

## দ্বিতীয় বিভাগ
## ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ ৰঘুনাথ চৌধাৰীৰ জীৱন আৰু সাহিত্য কৃতি
২.৪ ৰঘুনাথ চৌধাৰীৰ কবিতা
২.৫ ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'
    ২.৫.১ মূলপাঠ
    ২.৫.২ বিষয়বস্তু
    ২.৫.৩ কাব্যিক সৌন্দৰ্য্য
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'ৰ বিষয়ে আলোচনা কৰা হ'ব।

যিসকল কবিৰ কাব্য-সম্ভাৰে অসমীয়া ৰোমাণ্টিক কাব্যধাৰাক পল্লৱিত আৰু মহিমান্বিত কৰি তুলিছিল সেইসকলৰ ভিতৰত 'বিহগী-কবি' ৰঘুনাথ চৌধাৰী আছিল অন্যতম। প্ৰকৃতিৰ অন্তৰংগ আৰু বহিৰংগ সৌন্দৰ্যক মূৰ্ত কৰি তোলা চৌধাৰী আছিল যথাৰ্থতেই 'প্ৰকৃতি-কবি'। প্ৰকৃতিৰ বৰ্ণময় ৰূপৰ বাহিৰেও চৌধাৰীৰ কবিতাত স্থিতি লৈছে ভাৰতীয় দৰ্শন তথা ভগৱৎ ভাৱনাই।

স্কুল-কলেজৰ দেওনা পাৰ নোহোৱা কবি চৌধাৰীৰ কাব্য প্ৰেৰণাৰ উৎসই হ'ল পাৰ্থিৱ দুখ। এই দুখ পাৰিবাৰিক ক্ষেত্ৰৰ পৰা সমাজৰ সৰ্বস্তৰতে ব্যাপ্ত হৈ থকা প্ৰবঞ্চনা, স্বাৰ্থপৰতা আৰু প্ৰেমহীনতাৰ পৰা উদ্ভুত। আজন্ম বঞ্চনা আৰু বেদনাৰে ভৰা সংসাৰৰ জটিল চাকনৈয়াত অতিষ্ঠ কবিয়ে সেই কাৰণেই শান্ত-সমাহিত উদাৰ প্ৰকৃতিকেই অপাৰ আনন্দ আৰু পৰম আস্থাৰ আধাৰৰূপে বিবেচনা কৰিছিল আৰু তাৰ ৰূপ-ৰস-বৰ্ণ-গন্ধৰ সৈতে একাত্ম হৈ পৰিছিল।

ৰঘুনাথ চৌধাৰী আছিল মূলতঃ স্বভাৱকবি। জীৱন আৰু জগতৰ পৰা আহৰণ কৰা বিচিত্ৰ অভিজ্ঞতাৰ সমাহাৰে তেওঁৰ কবিমানস গঢ়ি তুলিছিল। জীৱনজোৰা কাব্যসাধনাত ব্ৰতী থকা কবিৰ কাব্যসৃষ্টি আছিল অনায়াসসিদ্ধ আৰু স্বতঃস্ফূৰ্ত। তেওঁৰ কবিতাৰ ভাৱ-ভাষা আৰু ছন্দ-বৈচিত্ৰ্য আছিল স্বতন্ত্ৰ; সেয়ে তেওঁৰ সুযমামণ্ডিত কবিতাসমূহক অসমীয়া ৰোমাণ্টিক কাব্যধাৰাতেই একক আৰু অনন্য বুলি অভিহিত কৰিব পাৰি।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়নৰ অন্তত আপোনালোকে—

- কবি ৰঘুনাথ চৌধাৰীৰ পৰিচয় লাভ কৰি তেওঁৰ কাব্যকৃতিৰ বিষয়ে জানিব পাৰিব,
- ৰঘুনাথ চৌধাৰীৰ কবিতাৰ বৈশিষ্ট্যসমূহ বিচাৰ কৰিব পাৰিব,
- 'গিৰিমল্লিকা' কবিতাটিৰ বিষয়বস্তু, উপস্থাপন, কাব্যৰীতি সম্পৰ্কে পৰ্যালোচনা কৰিব পাৰিব।

## ২.৩ ৰঘুনাথ চৌধাৰীৰ জীৱন আৰু সাহিত্য কৃতি

উত্তৰ জোনাকী স্তৰৰ কবিসকলৰ ভিতৰত অন্যতম কবিজনাই হৈছে ৰঘুনাথ চৌধাৰী। অসমীয়া কাব্য সাহিত্যত 'বিহগী কবি' ৰূপে পৰিচিত ৰঘুনাথ চৌধাৰীৰ জন্ম হয় ১৮৭৮ খ্ৰীষ্টাব্দৰ জানুৱাৰী (৫ মাঘ) মাহত কামৰূপ জিলাৰ লাওপাৰা গাঁৱত। তেখেতৰ পিতৃৰ নাম ভোলানাথ চৌধাৰী আৰু মাতৃৰ নাম দয়ালতা চৌধাৰী।

সৰু কালতে (৯ মাহ বয়সতে) ঘৰৰ পিৰালিৰ পৰি শিল এটাৰ চেপত ভৰি দুখন সোমাই যোৱাৰ বাবে শিশু ৰঘুনাথৰ সোঁ ভৰিখন অকামিলা হৈ পৰে আৰু বাওঁ ভৰিখনো দুৰ্বল হৈ পৰে। নিজৰ ককায়েক আৰু বায়েকক চাৰিবছৰ বয়সতে চিৰদিনৰ বাবে হেৰুৱায়। ককায়েক বায়েকৰ মৃত্যুৰ এমাহ পিছতে মাকৰো মৃত্যু হয়। কম সময়ৰ ভিতৰতে পুত্ৰ-কন্যা আৰু ভাৰ্যাক হেৰোৱাৰ ফলত ৰঘুনাথৰ পিতৃ ভোলানাথ চৌধাৰী মানসিক বিকাৰ গ্ৰস্ত হৈ পৰে। পিতৃৰ সেই অৱস্থাত বংশ পৰিয়ালে ভোলানাথৰ সা-সম্পত্তি আত্মসাৎ কৰিলে। ঘৰৰ লগুৱা এজনে ৰঘুনাথক গাঁৱৰে জয়পাল নামৰ মানুহ এঘৰত থৈ আহে। ইয়াৰ পিছতে গৰ্গৰাম চৌধাৰীয়ে (তেওঁৰ পুত্ৰ সন্তান নাছিল) শিশু ৰঘুনাথক গুৱাহাটীলৈ লৈ আনি নিজৰ পুত্ৰৰ দৰে লালন-পালন কৰে।

গৰ্গৰাম চৌধাৰীয়ে শিশু ৰঘুনাথক ছাত্ৰবৃত্তি স্কুলত নাম ভৰ্তি কৰোৱাই দিলে। পাছত ১৮৯৬ চনত গৱৰ্ণমেণ্ট হাইস্কুলত নাম লিখে। তাতেই অষ্টম মানলৈকে পঢ়ি তেওঁ স্কুলীয়া শিক্ষা সমাপ্ত কৰি ঘৰতে সংস্কৃত আৰু বঙলা সাহিত্য অধ্যয়নত মনোনিৱেশ কৰে।

চৌধাৰীদেৱৰ কৰ্ম জীৱনৰ সূচনা হয়-শিক্ষক হিচাপে। গুৱাহাটীৰ ঘৰৰ ওচৰৰ এখন বালিকা প্ৰাইমাৰী স্কুলত প্ৰধান শিক্ষকৰ চাকৰি আৰম্ভ কৰাৰ কিছুদিনৰ মূৰত স্কুলখন বন্ধ হৈ যোৱাৰ বাবে তেওঁৰ প্ৰথম চাকৰি জীৱনৰ অন্ত পৰে। কেইবছৰমান বেলতলাৰ খাতত খেতি-বাতিত লাগে। খেতি কৰি থকাৰ সময়তে মহাত্মাগান্ধীৰ নেতৃত্বত গঢ়ি উঠ অসহযোগ আন্দোলনত চৌধাৰী সক্ৰিয়ভাৱে জড়িত হৈ পৰে। ইয়াৰ ফলত তেওঁ ১ বছৰ কাল কাৰাদণ্ড ভোগ কৰিবলগীয়া হয়। ১৯২২ চনত ফাটেকৰপৰা মুক্তি লাভ কৰি গুৱাহাটীতে স্থায়ীভাৱে থাকিবলৈ লয়। অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰাৰ আগতে তেওঁ ৰোমান চাৰ্চ পাদুৰীসকলে গুৱাহাটীত খোলা মাইনৰ স্কুল এখনতো কিছুবছৰ শিক্ষকতা কৰিছিল।

গুৱাহাটীত থাকিয়েই চৌধাৰীদেৱে বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানত জড়িত হৈ পৰিছিল। গুৱাহাটীৰপৰা প্ৰকাশ হোৱা 'জোনাকীৰ ' সহকাৰী সম্পাদক আৰু 'সুৰভি' আৰু 'জয়ন্তী' আলোচনীৰো সম্পাদক আছিল। 'মইনা' নামৰ শিশু আলোচনী এখনৰো তেওঁ সম্পাদক আছিল। চৌধাৰীৰ কবি প্ৰতিভাক সন্মান জনাই কামৰূপ সঞ্জীৱনী সভাই তেওঁক 'কবিৰত্ন' উপাধি প্ৰদান কৰে। অসমৰ জন-সাধাৰণে বিশেষকৈ পাঠক সমাজে তেওঁক বিহগী কবি হিচাপে আদৰি ল'লে। ভাৰত চৰকাৰৰ পৰা তেওঁ সাহিত্যিক পেঞ্চন লাভ কৰিছিল। অসম সাহিত্য সভাৰ সভাপতি হিচাপে তেওঁ নিৰ্বাচিত হৈছিল ১৮৩৬ চনত। বিশ্ব শান্তি সমিতিয়ে আয়োজন কৰা (১৯৫২ চনত) কলিকতাত বহা সৰ্ব ভাৰতীয় কৃষ্টি সভাত তেওঁ সভাপতিত্ব কৰিছিল। চিৰ কুমাৰ চৌধাৰীয়ে ১৮৬৭ চনৰ নবেম্বৰ মাহৰ ১৮ তাৰিখে পুৱা ৫ বজাত ইহজগতৰপৰা মেলানি মাগে।

১৯০১ চনত গুৱাহাটীৰ পৰা প্ৰকাশিত জোনাকীৰ (সত্যনাথ বৰাৰ সম্পাদনাত) তেওঁৰ প্ৰথম কবিতা প্ৰকাশ পায়। কবিতাটোৰ নাম আছিল 'মৰমৰ পখী'। জোনাকীৰ তেওঁ সহকাৰী সম্পাদক নিযুক্ত হয় আৰু কাব্য চৰ্চা আৰু সাংবাদিকতা এই দুয়োটা কামেই তেখেতে নিয়াৰিকৈ কৰিবলৈ সুযোগ পায়। ১৯০১ চনৰ পৰা ১৯০৩ চনলৈ জোনাকীত প্ৰকাশ পোৱা চৌধাৰীৰ কবিতাসমূহেই পাঠক সমাজৰ মাজত তেওঁৰ সুকীয়া পৰিচয় আৰু গুৰুত্ব পায়।

**ৰঘুনাথ চৌধাৰীৰ প্ৰকাশিত সাহিত্যৰাজি হ'ল ঃ**

'সাদৰী' (১৯১০) কবিতাৰ পুথি; 'কেতেকী' (১৯১৮) কাব্য; 'কাৰবালা' (১৯২৩) কাব্য; 'দহিকতৰা' (১৯৩১) খণ্ড-কবিতাৰ পুথি ; 'নৱ-মল্লিকা' (১৯৫৮) কথা-কবিতাৰ পুথি। মৰণোত্তৰ কালত প্ৰকাশিত 'মনাই বৰাগী' (কবিতা) আৰু 'পচতীয়া' (গল্পৰ পুথি)। সম্পাদনাৰ লগত জড়িত আলোচনী গুৱাহাটীৰ পৰা প্ৰকাশিত জোনাকী আলোচনীৰ সহঃসম্পাদক আৰু 'জয়ন্তী' (১৯৩৬-৩৮) ; 'সুৰভি' (১৯৪০,৪২-৪৪)। 'মইনা' (শিশু আলোচনী) ৰ সম্পাদক।

ৰঘুনাথ চৌধাৰী মুখ্যতঃ প্ৰকৃতিৰ কবি। সৰুতেই লাভ কৰা প্ৰকৃতিৰ সন্নিধ্য আৰু পঙ্গু জীৱনে তেওঁক প্ৰকৃতিৰ কাষ চপাই নিয়ে। প্ৰকৃতিৰ ফুল, চৰাই, নদ-নদী, তপোবন তেওঁৰ কবিতাত সুন্দৰকৈ ধৰা দিয়েহি। পাশ্চাত্য কাব্য ভাৱনা আৰু আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহ'লেও তেওঁৰ কবিতাত ৱৰ্ডছৱৰ্থ আৰু কীট্ছৰ চৰাই সম্পৰ্কীয় কবিতাৰ দৰেই। ('কাকু' , 'নাইটিংগেল') চৰাই দহিকতৰা, কেতেকী আদিয়ে স্থান লাভ কৰিছে। অসমীয়া চৰাই বিষয়ক কবিতাত ৰঘুনাথ চৌধাৰীয়ে অনন্য স্থান দখল কৰিছে। ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতি বিষয়ক কবিতা সমূহক মূলতঃ তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি-

ক) চৰাই বিষয়ক,

খ) ফুল বিষয়ক আৰু

(গ) প্ৰকৃতিৰ শোভা আৰু ঋতু বিষয়ক।

এই তিনিও শ্ৰেণীৰ কবিতা ৰচনাত সিদ্ধহস্ত কবিৰ কবিতাত সংস্কৃত, আৰবী আদি শব্দৰ প্ৰয়োগ, নিভাঁজ গাঁৱলীয়া শব্দৰ  প্ৰয়োগ, সহজ-সৰল উপমা আৰু চিত্ৰৰ বৰ্ণনা বিশেষ মন কৰিবলগীয়া বিশেষত্ব।

ৰঘুনাথ চৌধাৰীৰ কাব্য-প্ৰতিভা সম্পৰ্কে আলোচনা কৰি সত্যেন্দ্ৰনাথ শৰ্মাদেৱে অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত গ্ৰন্থত (পৃ৩০৩) উল্লেখ কৰিছে-" চৌধাৰীৰ কবি প্ৰতিভাৰ বিকাশত ইংৰাজী কবিতাৰ পোনপটীয়া প্ৰভাৱ নাই, প্ৰাচীন সংস্কৃত সাহিত্যৰ দ্বাৰাইহে তেওঁ অধিক প্ৰভাৱান্বিত ।ঊনবিংশ শতাব্দীৰ বঙালী কবি হেমচন্দ্ৰ বন্দোপাধ্যায়ৰ ৰচনাৰ প্ৰভাৱো দুই এঠাইত লক্ষ্য কৰা যায়। শব্দচয়ন, উপমাদি, অলংকাৰ-প্ৰয়োগ আৰু চিত্ৰ ৰচনাত সংস্কৃত সাহিত্যৰপৰা তেওঁ আদৰ্শ গ্ৰহণ কৰিছিল। পৌৰাণিক আখ্যানৰ লগত সংস্পৃক্ত কৰি, চিত্ৰবৈভৱৰ সমাৱেশ কৰি আৰু ভাবোপযোগী আৰু বৰ্ণাঢ্য কৰিবলৈ সক্ষম হৈছে; কিন্তু কবিতাসমূহ বৰ্ণনা বৈভৱপূৰ্ণ আৰু চিত্ৰ-সমুজ্জ্বল হ'লেও অন্তৰপ্ৰসাৰী গভীৰ দৃষ্টি আৰু তত্ত্বানুভূতিৰ পৰিচয় পোৱা যায়।"

চৌধাৰীৰ কবিতাসমূহত দুটি ধাৰা জল্ জল্ পট্ পট্‌কৈ দেখা যায়। এটা হ'ল ইন্দ্ৰিয়মুখী আৰু আনটো ইন্দ্ৰিয় বিমুখী। ৰূপ, ৰস, গন্ধ, স্পৰ্শ স্বৰূপ তন্মাত্ৰ লব্ধ জীৱনৰ স্বীকৃতিৰ প্ৰকাশ ঘটা দেখা যায়- প্ৰথম স্তৰৰ কবিতাত। বৈৰাগ্যৰ প্ৰতি আকৰ্ষণ তেওঁৰ দ্বিতীয় স্তৰৰ কবিতাৰ প্ৰধান বিশেষত্ব। এই দুয়োটা ধাৰা দেখাত বিপৰীতধৰ্মী যেন লাগিলেও দুয়োটা ধাৰাৰ সহাৱস্থান সম্ভৱ হ'ব পাৰে- সংঘাতৰ জৰিয়তে। সংঘাতে কবিৰ জীৱনত গভীৰভাৱে ৰেখাপাত কৰিছে।  "কবি চৌধাৰীৰ প্ৰত্যেকখন ৰচনা, গ্ৰন্থ বা প্ৰতিটো কবিতা ৰচনাৰ অন্তৰালত একো একোটি ৰহস্যপূৰ্ণ ঘটনা জড়িত আছে। তেওঁৰ নিজমুখে ব্যক্ত হোৱা শুনিলে সেইবোৰ সাধুকথাৰ দৰে লাগিছিল । আৱেগপূৰ্ণ মন্ময় কবিতাৱলীৰ অৰ্থ হৃদয়ংগম কৰিবৰ কাৰণে তেনে পটভূমিৰ কাহিনীবোৰত মূল্য কম নহয়। ড° নেওগৰ কথাত চৌধাৰীৰ জীৱনত কিমান আঘাত পুঞ্জীভূত হৈছে তাৰ লেখ-জোখৰ বাবে আমি তেওঁৰ জীৱন চৰিতৰ কাষ চাপিব লাগিব। তাকে কৰাৰ লগে লগে কবিতাত তেওঁৰ লিৰিকেল ক্ৰন্দনৰ অৰ্থ আমাৰ ওচৰত সহজে প্ৰতীয়মান হ'ব।"[১]

ৰঘুনাথ চৌধাৰীৰ প্ৰেম ভাৱনা অন্যান্য ৰোমান্টিক কবিসকলৰ সৈতে একে পৰ্যায়ৰ যদিও হৃদয়ৰ গুপুত কথা ক'ব নোৱাৰাকৈ ৰাখি থোৱা চৌধাৰীয়ে প্ৰকৃতিৰ মাজতেই প্ৰেমৰ সন্ধান পাইছিল। প্ৰেমভাবনা, প্ৰকৃতি প্ৰেম, স্বদেশ প্ৰেম আৰু ভগৱৎপ্ৰেম তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য যদিও অতি নিঃশব্দে কবিৰ জীৱনলৈ অহা প্ৰেমৰ বিষয়ে তেওঁ নিজে এইদৰে লিখিছে- " ভাল পাইছিলোঁ- বহুতকে ভাল পাইছিললোঁ। কতদিন কত ঠাইত হতাশ্বাস হৈছোঁ তাৰ অন্ত নাই। ব্যৰ্থতাৰ মাজেদিয়েই জীৱনৰ চঞ্চল গতি। তথাপি-ভাল পাইছিলোঁ অনাঘ্ৰাতা, অনৱগুণ্ঠিতা এপাহি ধুনীয়া ফুল। সৌন্দৰ্যৰ আভৰণেৰে অলংকৃত যৌৱন সুলভ কমনীয় আৰু ৰমণীয় কান্তি, অকুঞ্চিত কেশগুচ্ছৰ শ্ৰেণী বিন্যাস; অপাৰ্থিব ৰূপ আৰু সৌৰভৰ অপূৰ্ব সমাবেশ। ধীৰ পৱনহিল্লোলিত নৃত্য ভংগিমা কামগন্ধবিহীন সেই মাদকতা সনা লোলুপা দৃষ্টি। আৰু ভাল পাইছিলোঁ অপ্সৰা

কণ্ঠ-বিন্দিত অমৃত-নিস্যন্দিনী প্ৰহেলিকাময় আজলী পাখিটিৰ গণ-নপ্লাৱিত অস্ফুট গীত তৰংগ ০০০০ নাজানো জীৱনৰ এই সহজাত মমতাখিনি কোন সতে ত্যাগ কৰোঁ।”[২]

ৰঘুনাথ চৌধাৰীৰ কাব্যত ফুটি উঠা প্ৰধান বিষয় হ'ল[৩] -

(ক) নিসৰ্গ চেতনা

(খ) ঐশী ভাবনা

(গ) প্ৰেম ভাবনা

(ঘ) বিষাদ-বীক্ষা

ৰঘুনাথ চৌধাৰীৰ উল্লেখযোগ্য কাব্যকৃতি হ'ল-

**ফুল বিষয়ক কবিতা**- 'গোলাপ', 'গিৰিমল্লিকা', 'ফুল',

**চৰাই বিষয়ক কবিতা**- 'কেতেকী', 'দহিকতৰা', 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী'

**ঋতু আৰু প্ৰকৃতি বিষয়ক কবিতা**- 'ব'হাগীৰ বিয়া', 'চন্দ্ৰমল্লিকা'

**বিষাদমূলক কবিতা**- 'সখীলৈ', 'মৰমৰ পখী', 'মাতৃদেৱী', 'সন্তাপ', 'বিৰহীৰ উক্তি' আদি।

**ঐশী ভাবনা যুক্ত কবিতা**- 'বিশ্ব', 'ভিক্ষা', 'বনিজৰ কথা', 'আৱাহন', 'বিশ্বৰূপ', 'দান', 'প্ৰতিধ্বনি', 'নিঃকিন' আদি।

**জাতীয় চেতনামূলক কবিতা**- 'অৰ্ঘ্য', 'উলাহ সংগীত' আদি

**প্ৰেমমূলক কবিতা**-'কবিপ্ৰিয়া', 'যুগলতৰা', 'অভিসাৰ', 'জোনলৈ'

**প্ৰসঙ্গ টোকা ঃ**

[১]অতুল চন্দ্ৰ বৰুৱা। (সম্পা)। ৰঘুনা চৌধাৰী ৰচনাৱলী। সম্পাদকৰ নিবেদন। পৃ. ০৮

[২]ৰঘুনাথ চৌধাৰী। নৱ-মল্লিকা। তন্ময়তা। পৃ. ২২

[৩] উমেশ ডেকা। নীলমোহন ৰায়। ৰঘুনাথ চৌধাৰীৰ কাৰ্য্যবিচাৰ। পৃ. ৪৭

## ২.৪ ৰঘুনাথ চৌধাৰীৰ কবিতা

'বিহগী কবি' ৰূপে খ্যাত ৰঘুনাথ চৌধাৰীয়ে গল্প ৰচনা কৰিছিল যদিও কবিতাৰেহে জনপ্ৰিয় হ'ব পাৰিছিল। ব্যক্তিগত জীৱনৰ দুখ-কষ্ট, আৱেগ-অনুভূতি, কল্পনা-সৰ্বস্ব উজাৰি যেন তেওঁ দিব বিচাৰিছিল কবিতাৰ জৰিয়তে। তেওঁৰ কবিতাত ৰোমান্টিক কবিতাৰ প্ৰায় বৈশিষ্ট্যই প্ৰকাশিত হৈছে। সেইবিলাকৰ ভিতৰত-প্ৰকৃতিপ্ৰীতি, প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, বিস্ময়ভাৱৰ নৱজাগ্ৰত চেতনা, কল্পনাৰ মুক্ত প্ৰকাশ, সুন্দৰৰ আৰাধনা, ঐশীভাৱনা, স্বদেশপ্ৰেম ইত্যাদি অন্যতম। জীৱনৰ বিভিন্ন সময়ত ৰচনা কৰা কবিতাসমূহত এই বৈশিষ্ট্য সমূহৰ কেৱল একো একোটি দিশ সোমাই থকাৰ পৰিৱৰ্তে একেটা কবিতাতে দুই-তিনিটা বৈশিষ্ট্যৰ সমাহাৰ ৰঘুনাথ চৌধাৰীৰৰ কবিতাৰ এটি প্ৰধান বিশেষত্ব। মূলতে শৈশৱতে লাভ কৰা প্ৰকৃতিৰ সান্নিধ্য, পঙ্গুজীৱন আৰু অধ্যয়নৰ জৰিয়তে লাভ কৰা জ্ঞানৰ প্ৰকাশ তেওঁৰ কবিতাৰ প্ৰধান উপজীব্য দিশ। চৌধাৰীৰ কেতেকী কবিতাটোৰ কথাই মনলৈ আহিছে। কেতেকী চৰাইজনী কবিৰ বাবে কেৱল চৰাই হৈ থকা নাই। হৈ

পৰিছে,- 'প্ৰিয়া', 'সাদৰী', 'দেৱদূত'। তাইৰ কণ্ঠত কৃষ্ণৰ বাঁহীৰ মাতৰ লগত তুলনা কৰি মানুহৰ মাজত থকা কুভাৱ আৰু কুকৰ্মৰ কথাও সোঁৱৰাই দিবলৈ কবিয়ে পাহৰা নাই। ঠিক সেইদৰে পাহাৰৰ পাদদেশত ফুলি থকা গিৰি-মল্লিকা ফুলপাহ মদনৰ কামশৰলৈ ৰূপান্তৰিত কৰিব পৰা কল্পনা সাধাৰণ কবিৰ বাবে সম্ভৱ নহয়। ফুলপাহৰ সৌন্দৰ্যই কেৱল কবিকে আকৰ্ষণ কৰা নাই; সমগ্ৰ পাহাৰৰ পাদদেশত থকা লতা আৰু বৃক্ষৰ মাজত সৌন্দৰ্যৰ সমাহাৰ ঘটাইছে। অৱশেষত নিজৰ অন্তৰৰ দুখ-বেদনাৰ কথাও কবিয়ে কৌশলেৰে উপস্থাপন কৰিছে। চিৰ কুমাৰ কবিজনে প্ৰকৃতিৰ মাজতেই জীৱনৰ অমিয়াৰ সন্ধান হয়তো পাইছিল। মানুহতকৈ প্ৰকৃতি যে উদাৰ সেই ভাৱনাও হয়তো আহিছিল। নিসংগ জীৱনত সঙ্গী হিচাপে আছিল-জোন, তৰা, চৰাই, চৰাইৰ কাকলি, ফুল, নদ-নদী, পাহাৰ- পৰ্বত-প্ৰকৃতিৰ অলেখ চিনাকি উপাদান। যিবোৰে কবিৰ মন-প্ৰাণ ভৰাই ৰাখিছিল। শব্দ, ছন্দ, উপমা, চিত্ৰ আদিৰ প্ৰয়োগত তেওঁৰ কবিতাত স্বাভাৱিক গতি এটি দেখিবলৈ পোৱা যায়। (অৱশ্যে 'কাৰবালা' কাব্যত তথ্যৰ বিসংগতি আছে।) কবিয়ে যেতিয়া সংস্কৃত গন্ধী আৰু তৎসম শব্দ প্ৰয়োগ কৰিছে তেতিয়া গ্ৰাম্য শব্দৰ প্ৰয়োগ নাই কৰা। আৰু সৰল শব্দৰ প্ৰয়োগেৰে ৰচনা কৰা কবিতাত প্ৰায়ে জটিল শব্দ পৰিহাৰ কৰিছে। এইয়া তেওঁৰ সচেতন কাব্য-সাধনাৰে ফল। অসমীয়া কাব্য-জগতত ৰঘুনাথ চৌধাৰী এনে এজন কবি যি তেওঁৰ কবিতাৰ মাজেদি প্ৰকৃতিৰ সৌন্দৰ্যৰ আঁচল মেলি ধৰিছে। বন-বিহগৰ সতে একান্ত নিবিড় সম্বন্ধ স্থাপন কৰি কবিয়ে ৰমন্যাসিক প্ৰেমৰ অন্য এক চানেকি দাঙি ধৰিছে। চৰাইৰ মাতত, ফুলৰ পাহিত, কঁহুৱাৰ কঁপনি, লুইতৰ হিল্লোলত কবিয়ে সৌন্দৰ্যৰ অপৰূপ শোভা দৰ্শন কৰিছে। এই দেশ কেৱল চকুৰে দেখা নহয়- কবিৰ অন্তৰ্দৃষ্টিত প্ৰকৃতিৰ নিৰ্মল আত্মাই ধৰা দিছে তাৰ বৰ্ণ আৰু সৌৰভৰ সকলোখিনিৰে সৈতে। 'কেতেকী', 'দহিকতৰা', 'গিৰিমল্লিকা', 'গোলাপ', 'ফুলশয্যা', 'অন্তিমজ্যোতি', আদি কবিতাত বিহগী কবিৰ প্ৰেম প্ৰকৃতিৰ দৰে উদগ্ৰ অথচ নিৰুত্তাপ।[১]

ৰঘুনাথ চৌধাৰীৰ প্ৰকাশিত কাব্য সংকলন কেইখন হ'ল-সাদৰী, কেতেকী, দহিকতৰা, কাৰবালা, নৱ-মল্লিকা, মনাই বৰাগী আৰু অন্যান্য। ইয়াৰে নৱ-মল্লিকা 'কথা কবিতা'ৰ পুথি আৰু মনাই বৰাগী মৰণোত্তৰভাৱে প্ৰকাশিত কাব্য গ্ৰন্থ। এইকেইখনৰ উপৰিও 'লেছেৰি বোটলা' নাম দি অতুল চন্দ্ৰ বৰুৱাই ৯ টা কবিতাৰে ১৯৮০ চনত প্ৰকাশ কৰা চৌধাৰীৰ কবিতা সংকলনখনকো ৰঘুনাথ চৌধাৰী ৰচনাৱলীত সন্নিবিষ্ট কৰিছে। আমি চৌধাৰীদেৱৰ কবিতা সম্পৰ্কে প্ৰতিনিধিত্বমূলক কেইটামান কবিতাৰ আলমত বিচাৰ-বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছোঁ।

১৯১০ চনত প্ৰকাশিত ৰঘুনাথ চৌধাৰীৰ প্ৰথম প্ৰকাশিত কাব্য সংকলন হ'ল-'সাদৰী'। সাদৰীৰ প্ৰথম তাঙৰণত মুঠ ৩০ টা কবিতা আছিল। পৰৱৰ্তী তাঙৰণ বিলাকত সংখ্যাৰ তাৰতম্য ঘটিছিল। ৰঘুনাথ চৌধাৰী ৰচনাৱলীত সম্পাদকে তেওঁৰ আৰু দহটা কবিতা সাদৰী কাব্যত অন্তৰ্ভূক্ত কৰিছে। সাদৰীৰ কবিতাসমূহক বিষয়বস্তু আৰু প্ৰকৃতি অনুসৰি চাৰিটা ভাগত শ্ৰেণী বিভাগ কৰিছে।[২]

ক) প্ৰকৃতিমূলক
খ) বিষাদ মূলক
গ) ঐশীভাৱনামূলক আৰু
ঘ) জাতীয় চেতনামূলক।

এই শ্ৰেণী বিভাজন পানী-নসৰকা নহয়। দুই-এটি কবিতাত দুই-তিনিটা ভাৱৰ প্ৰকাশ ঘটিছে। 'সাদৰী' পুথিৰ অন্তৰ্গত জনপ্ৰিয় কবিতা কেইটা হ'ল - 'ব'হাগীৰ বিয়া', 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী', 'কেতেকী চৰাই', 'গোলাপ', 'মৰমৰ পখী', 'বনিজৰ কথা', আৰু 'মিলন সংগীত'।

ব'হাগীৰ বিয়া-কবিতাত প্ৰকৃতিৰো যে মানৱ সমাজৰ দৰেই এখন সমাজ আছে; আছে ৰীতি-নীতি, আছে সুখ-দুখ-তাকেই প্ৰতিপন্ন কৰিছে। দুলড়ী ছন্দত ৰচিত কবিতাটিত ব'হাগী প্ৰকৃতিত লালিত-পালিত, প্ৰকৃতিৰে গাভৰু। তাইৰ বিয়াৰ আয়োজন চলিছে। ব'হাগীৰ বিয়াৰ বাবে প্ৰকৃতি জগতত আনন্দ বিয়পি পৰিছে। ভোমোৰাই বিয়া মাতিছে, বিয়াৰ চন্দ্ৰতাপ তৰি দিছে আকাশে আৰু বসুমতীয়ে সেউজীয়া আসন। উৰুলি দিছে ফেঁহু চৰায়ে; দহিকতৰাই প্ৰভাতি সুৰত স্তুতিগীত গালে। পাটমাদৈয়ে পাটৰ চেলেং মেৰিয়াই জোৰণ পিন্ধাবলৈ আহিল আৰু কন্যা সজোৱা পৰ্ব আৰম্ভ হ'ল- সোণাৰু, চম্পা আদিয়ে বেণী গুঠি কন্যাৰ লাহতী খোপা বান্ধিলে, ঊষাৰাণীয়ে আঁকিলে তিলক, ডালিম ফুলে কাণত কেৰু পিন্ধালে, কুসুম ফুলে গালত ৰহণ সানিলে, ফুলৰ লতিকাই পিন্ধালে মুঠিখাৰু, নাভিলৈকে পৰি থকা চাৰু ললান্তিকা নামৰ হাৰডাল পিন্ধালে নাৰ্জি ফুলে, কোতমণি দিলে আকনে, কঁকালৰ কৰধ্বনি পিন্ধাই দিলে অপৰাজিতাই। ব'হাগী বিবিধ আ-অলংকাৰে বিভূষিতা হৈ অপৰূপ সুন্দৰী হৈ পৰিল। কন্যাৰ সৌন্দৰ্যই জগতক মুহিলে। ইপিনে দৰা হৈ আহিল ঋতুৰাজ বসন্ত। দৰা আহি পোৱাৰ লগে লগে মেঘে ঢোলত চাপৰ মাৰিলে, কালি বজালে জিলিয়ে, টুনি, বুলবুলি চৰায়ে উলাহতে নাচিলে, ওজাপালি আৰম্ভ কৰিলে হেটুলুকাই। কেতেকীক বিয়া নাম গাবলৈ আদৰি অনা হ'ল। মুঠতে প্ৰকৃতি ৰাজ্যত আলহ-উলাহৰ অন্ত নাইকিয়া হ'ল।

ব'হাগীৰ বিয়া' যেন মানৱ সমাজত হোৱা এখন বিয়া। বিয়াখন সম্পূৰ্ণ অসমীয়া বিবাহ পৰম্পৰাৰ মাজেদি সম্পন্ন হৈছে। সকলো মাংগলিক অনুষ্ঠানো সমাপন কৰিছে। কবিতাটিৰ বিষয়ে হলীৰাম ডেকাই কোৱা এষাৰ কথা-উল্লেখ কৰিব বিচাৰিছোঁ- ব'হাগীৰ বিয়া'ত কবিৰ মনত প্ৰকৃতি নীৰৱ বাহিৰৰ সাজ-সজ্জা বা তৰুলতাৰ সৌন্দৰ্য নহয়, তাৰ আন্তৰিক সৌন্দৰ্য বসন্তকালত তীব্ৰ মোহিনী ৰূপ কবিৰ কল্পনাৰ মূৰ্তিমতী-যুৱতী স্বৰূপে দেখা দিছে। অসমীয়াৰ মাজত বিয়াৰ যিবোৰ ৰীতি-নীতি, আচাৰ-পদ্ধতি সেইবোৰ কবিয়ে কল্পনাৰ কাৰুকাৰ্যেৰে অতি বিচিত্ৰভাৱে সজাইছে আৰু দৰা-কইনাৰ মিলনৰ পূৰ্বাভাস স্বৰূপে নিৰ্মল আনন্দ উপভোগ কৰি কৈছে "মহাবিশ্বজুৰি বিৰিঙিছে যেন আনন্দৰ পূৰ্ণৰেখা।"[৩]

এজনী অনামী চৰায়ে গোৱা গীতি শুনি কবি বিমুগ্ধ হোৱাই নহয় সেই গীতত অতীতৰ প্ৰিয়তমাৰ কণ্ঠত শুনা প্ৰেম গীতলৈ কবিক মনত পেলাই দিছে। কবিয়ে অনুভৱ

কৰিছে সেই চৰাইজনী সাধাৰণ চৰাই নহয়-ঈশ্বৰপ্ৰেৰিত স্বৰ্গীয় দূত। চৰাইজনীয়ে গীত গোৱাৰ লগে লগে কবিৰ হৃদয়ত সমস্ত দুখ ক্ষণিক সময়লৈ হ'লেও আঁতৰি যায়, হৃদয় শাঁত পৰে, মুগ্ধ হয় বনৰ হৰিণী আৰু সংগীতৰ ছয়ত্ৰিশ ৰাগিনী মিলাই গীত-গাই ফুৰাৰ বাবেই প্ৰকৃতিৰ বনভূমি, বিজন প্ৰান্তৰ মোহিত হয়। কবিয়ে অনুভৱ কৰিছে- এইজনী চৰায়েই যমুনা নদীৰ তীৰত কদম গছত পৰি পঞ্চমত সুৰ তুলি গীত গোৱাত বৃন্দাবনৰ গোপনাৰী সকল উন্মাদিনী হৈছিল। কবিৰ মতে চৰাইজনীক বিধাতাই মৰ্ত্যবাসীৰ দুখ দূৰ কৰিবলৈ প্ৰেৰণ কৰিছে। কবিৰ অশান্ত হৃদয়ো তাইৰ গীত শুনিলে শান্ত হৈ পৰে। বাৰে বাৰে শুনিলেও আমনি নালাগে, শুনিবলৈ আগ্ৰহহে বাঢ়ে

কতবাৰ শুনিছিলো নালাগে আমনি
তোমাৰ মাধুৰীসনা,
প্ৰেমগীতি আৰাধনা,
কেনেকৈ পাহৰিম সেই সুখকণি
গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

অনামী চৰাইজনীক দেৱদূত বুলি কল্পনা কৰি লোৱা, তাইৰ গীত শুনি হৃদয় শাঁত পৰা আৰু অতীতৰ কথা মনত পৰা বুলি উল্লেখ কৰা চৌধাৰীৰ কবিতাটো হ'ল 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী'।

ফুল বিষয়ক কবিতাৰ ভিতৰত সাদৰীত সন্নিবিষ্ট বহু সমাদৃত কবিতাটো 'গোলাপ'। কবিতাত কবিৰ কল্পনা ফুল পাহ বিকশিত হোৱাৰ দৰেই তৰহে-তৰহে জীৱন্ত, প্ৰাণবন্ত হৈ পৰিছে। কবিৰ হৃদয়ত তোলপাৰ তোলা ফুলপাহ কবিৰ বাবে বিস্ময়। ফুলপাহ কেৱল ফুল নহয়। ফুলপাহে আমাক সোঁৱৰাই দিয়ে অতীতৰ প্ৰেমৰ কাহিনী। অসাধাৰণ শক্তিৰ অধিকাৰিণী গোলাপ। বিৰহী জোনৰ প্ৰাণৰ তৃষ্ণা দূৰ হয়-গোলাপৰ পৰশতে। আৰৱ ৰাণীৰ সুন্দৰ মুখত আৰু লাৱণ্য ফুটি উঠে গোলাপৰ পৰশতে। চৰাইৰ কৰুণ সুৰো গোলাপৰ ৰূপত তৰংগায়িত হয়।
গোলাপক কবিয়ে সুধিছে—

কাৰ পৰশত ফুলিলি বান্ধৈ
অ' মোৰ সাদৰী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচায়
কাৰ ফালে চাই মাৰিলি হাঁহি।

আৰৱত মৰু উদ্যানত জন্ম গোলাপৰ। 'কলোচচে' পান কৰিছিল গোলাপৰ সৌন্দৰ্য। বেবিলনৰ শূন্যোদ্যানৰ ফুলৰ ৰাণী গোলাপেই আছিল নেকি বুলি কবিয়ে প্ৰশ্ন কৰিছে। গোলাপে হিন্দুস্থানৰ মানুহৰো অন্তৰ জয় কৰিবলৈ সক্ষম হ'ল। সমগ্ৰ জগতেই গোলাপৰ সৌন্দৰ্যত মুগ্ধ। নুৰজাহানৰ অতি প্ৰিয় আছিল গোলাপ ফুল। তেওঁৰ নিমজ গালত 'চিকুণ কাজ' ফুটাই তুলিছিল বাবে চাহজাহানে নিৰ্মাণ কৰিছিল-তাজমহল। গোলাপে অসংখ্য প্ৰেমিক-প্ৰেমিকাৰ হৃদয় জয় কৰিছিল। কবিৰ মতে গোলাপৰ মাজতে

সোমাই আছে অতীতৰ বহু স্মৃতি। অনুৰাগ আৰু হা-হতাশ। কবিয়ে কামনা কৰিছে তেওঁৰ উল্লাসবিহীন জীৱন ফুলনিত ফুলি থাকক গোলাপে। গোলাপ তেওঁৰ জীৱনৰ দুখ-হতাশাক জয় কৰিবলৈ শক্তি দিব - এই ভাবনাও সোমাই আছে কবিতাটিত।

'মৰমৰ পখী' কবিতাটো কেৱল 'চৰাই কেন্দ্ৰিক' কবিতা নহয় ; কিয়নো কবিতাটোৰ মাজেৰে কবিৰ হৃদয়ৰ ব্যথা, প্ৰেমৰ অসফলতা, সীমাহীন দুখ-যন্ত্ৰণা দাঙি ধৰি চৰাইজনীৰ অন্তৰালত থকা এজনী সুন্দৰী গাভৰুৰ ৰূপকহে কবিয়ে দাঙি ধৰিছে। তাইক প্ৰেমৰ পাশেৰে আবদ্ধ কৰিব বিচাৰি প্ৰেমৰ নৈবদ্য আগবঢ়াইছিল । কিন্তু কবিক মৰ্মাহত কৰি চিৰদিনৰ বাবে পখীটিয়ে কবিক এৰি গুচি গৈছিল। কবিতাটি বিৰহৰ কবিতা যদিও কবিৰ অন্তৰত উথলি উঠা প্ৰেমৰ আকুলতাও কবিতাটিৰ ঘাই উপজীব্য।

'বণিজৰ কথা' ঐশ্বনী ভাৱনা যুক্ত এটি কবিতা। সদাগৰে বণিজ যাত্ৰা কৰাৰ দৰেই কবিয়ে এই ভৱসাগৰত বেহা কৰিবলৈ মন মেলি বেহা কৰিছিল। কিন্তু এই বেহাত তেওঁৰ কোনো লাভ নহ'ল। মূলো হেৰুৱালেহে। তেওঁৰ লগত অহা ছটা ভাই-অৰ্থাৎ ষড় ৰিপুৰ বাসনাই তেওঁক এৰা নিদিলে। ষড় ৰিপুক দমন কৰিব নোৱাৰাৰ বাবেই তেওঁৰ দেহৰূপী ডিঙা ভাঙি থান-বান হ'ল। সংসাৰ সমুদ্ৰত দিশহাৰা হোৱাৰ পিছত ঈশ্বৰৰ ওচৰত শৰণাপন্ন হৈ এই সংসাৰৰ পৰা শুদ্ধচিত্তে মেলানি মাগিব বিচাৰিছে।

'মিলন সংগীত' কবিৰ জাতীয় ভাৱাপন্ন এটি কবিতা। কবিতাটোত কবিয়ে ভাৰতবৰ্ষৰ সকলোকে একতাৰে কাম কৰি যাবলৈ অনুৰোধ জনাইছে। নিজৰ কৰ্তব্যৰ পৰা আঁতৰি আহিলে আৰু আমাৰ মাজত মিলা-প্ৰীতি নাথাকিলে কেতিয়াও জাতি এটাৰ উন্নতি সম্ভৱ নহয়। এলাহ ত্যাগ কৰি কাম কৰিবলৈ কবিয়ে সকলোকে আহ্বান জনাইছে। কবিতাটিত কবিয়ে ভাৰতক শোষণ কৰি থকা ইংৰাজ সকলৰ বিৰুদ্ধে প্ৰতিবাদ নকৰি ভাৰতৰ আকাশত ব্ৰিটিছ সূৰ্য উদয়ক শলাগ লোৱা কথাটোত আজিৰ দৃষ্টিত অশোভনীয় যদিও সেই সময়ৰ 'জোনাকী' আৰু তাৰ উপকণ্ঠ স্তৰৰ কোনো লেখকে ইংৰাজ শাসনৰ প্ৰত্যক্ষ বিৰোধিতা নকৰি ভাল কামৰ প্ৰশংসা কৰিছিল। কবি চৌধাৰীয়েও সেয়ে হয়তো তেওঁলোকক প্ৰশংসা কৰিছিল।

পাঁচোটা তৰংগ বিশিষ্ট 'কেতেকী' (১৯১৮) কবিৰ দ্বিতীয় প্ৰকাশিত কাব্য গ্ৰন্থ। প্ৰতিটো তৰংগতে কেতেকীৰ বিচিত্ৰ বতৰা আৰু কেতেকীৰ লগত কবিৰ গভীৰ মানসিক সম্পৰ্কক দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে। কেতেকী প্ৰথম তাঙৰণৰ পাতনি লেখিছিল কবি দুৰ্গেশ্বৰ শৰ্মাই। দ্বিতীয় তাঙৰণত প্ৰথম তাঙৰণৰ পাতনিৰ ঠাইত ড° বাণীকান্ত কাকতিয়ে লিখা পাতনিখনহে সংযোগ কৰা হ'ল। ড° কাকতিয়ে কেতেকী সম্পৰ্কে লিখা কথাখিনি গভীৰ তাৎপৰ্যপূৰ্ণ- "কবিতাটোৰ মূলভাব হৈছে কেতেকী চৰাইৰ আগমনত সাগৰৰ জোৱাৰ উঠাত স্ফীতবক্ষা গংগাৰ নিচিনা জড় চেতন পৃথিৱীৰ নৱ-যৌৱন স্ফুৰণ। যদিও পাতনিত কেতেকীৰ গীতক জড় জগতৰ পুৰুষ কল্পনা কৰা বুলি কোৱা হৈছে, সেইটো ঠিক নহয় কেতেকীৰ গীত মাথোন কোনোবা 'অপৰূপ সদানন্দ ৰূপ' মানুহে নজনা পূৰ্ণ জগতৰ আনন্দ উচ্ছ্বাস। কেতেকীৰ মাত জানিবা বসন্তৰ বতাহ,

কোন দেশৰ পৰা আহি কোন ফালে গুচি যায় তাৰ ইয়ত্তা কৰিব নোৱাৰি। কবিয়ে চৰাই হিচাপে কেতেকীৰ স্বৰূপ কোৱা নাই; তেওঁৰ মনত কেতেকী মাথোন" "A Voice, a Mystery "[৪]

কেতেকীৰ প্ৰথম তৰংগত কেতেকীৰ আগমনত কবিৰ মনত বিস্ময় ভাৱ জাগ্ৰত হৈ তাইৰ স্বৰূপ সন্ধান কৰিছে। কবিৰ মতে কেতেকী সাধাৰণ চৰাই নহয়; আলৌকিক চৰাই। তাইক সতৰ্কবাণী আৰু উপদেশ দিছে। কবিয়ে ক'ব বিচাৰিছে তাইৰ আগমনত মৰ্ত্যত প্ৰেমৰ নিজৰা বোৱাই দিয়া কাৰ্যত তাই সফল হৈছে। কবিয়ে উল্লেখ কৰা মানৱৰ স্বাৰ্থপৰ সমাজখনত প্ৰেমৰ বাণী বিয়পাই দিবলৈ বিচৰা চৰাইজনীৰ অলৌকিক মহিমা প্ৰকাশ কৰিছে। দ্বিতীয় তৰংগত কেতেকীৰ যাদুকৰী কণ্ঠই সমগ্ৰ বিশ্ব প্ৰকৃতিত কিদৰে প্ৰভাৱ পেলাই প্ৰকৃতিক সপ্ৰতিভ কৰি তুলিছে তাৰ বৰ্ণনা থকাৰ লগতে নিসৰ্গ বৰ্ণনাৰ সুন্দৰ প্ৰয়াস দেখা পোৱা গৈছে। তৃতীয় তৰংগত কেতেকীৰ মধুৰ সংগীতে প্ৰেমিক প্ৰেমিকাক বিৰহত কাতৰ কৰাৰ পিছত মিলনৰ পথ প্ৰশস্ত কৰিছিল সেই বিষয়ে উল্লেখ আছে। এই তৰংগতে কবিয়ে খণ্ডকাব্য, পুৰাণ আদিৰ চৰিত্ৰ আৰু কাহিনীৰ প্ৰসংগ অনাটো এটি গুৰুত্বপূৰ্ণ দিশ। শকুন্তলা-দুষ্যন্ত, নল-দময়ন্তী, যক্ষৰ বিৰহ-বিধুৰতা, যক্ষ আৰু যক্ষপত্নীৰ পুনৰ্মিলন, ঊষা-অনিৰুদ্ধৰ কাহিনীৰ প্ৰসংগত কেতেকীৰ সুমধৰ গীতৰ প্ৰভাৱ সুন্দৰকৈ দেখুৱাইছে। কবিতাৰ এই তৰংগটি অন্য তৰংগতকৈ পৃথক ধৰণে পাঠকক সন্মোহিত কৰিব পাৰিছে। চতুৰ্থ তৰংগত কেতেকীৰ কণ্ঠ ঐশীশক্তিৰ মহিমা প্ৰকাশ কৰাৰ লগতে প্ৰেমপুৰীৰ 'স্বৰ্গীয় দুৱাৰ' উন্মোচিত হয় বোলাৰ লগতে এই মায়াময় পৃথৱীত অনাদৰ-অৱহেলাৰ মাজত থকাতকৈ কেতেকীৰ লগতে প্ৰেমপুৰীলৈ যোৱাৰ কবিৰ সুতীব্ৰ ইচ্ছা প্ৰকাশ কৰিছে। পঞ্চম তৰংগত শৰৎ অহাৰ লগে লগে কেতেকী গুচি যোৱাত প্ৰকৃতিজগতলৈ বিষাদ নামি অহাৰ দৰেই কবিৰ সুকোমল অন্তৰতো ৰিক্ততা অনুভৱ হৈছে। কবিৰ অন্তৰত উদয়হোৱা গভীৰ বিষাদ বোধেৰে এই তৰংগ সামৰণি মাৰিছে। দেখা যায় দুলড়ী ছন্দত ৰচনা কৰা এই কাব্য সংকলনখন উপমা, অনুপ্ৰাস আদি অলংকাৰেৰে সমৃদ্ধ আৰু আকৰ্ষণীয় হৈ পৰিছে।

চৌধাৰীৰ এখন উল্লেখযোগ্য কাব্য 'দহিকতৰা' মুঠ পঁচিশটা কবিতা ইয়াত সন্নিৱিষ্ট হৈছে। বিষয়বস্তুৰ দিশৰ পৰা কবিতাবোৰক প্ৰকৃতি, প্ৰেম, ঐশীভাৱনা আৰু বিবিধ বিষয়ক স্বৰূপে ভগাব পাৰি। সংকলনখনিৰ উল্লেখযোগ্য কবিতা কেইটিমান হ'ল- 'গিৰি-মল্লিকা', 'দহিকতৰা', 'কবিপ্ৰিয়া', 'ফুলশয্যা', 'অন্তিমজ্যোতি', 'মানৱ-দেৱতা' ইত্যাদি। কাৰবালা কাব্য সংকলন অমিত্ৰাক্ষৰ ছন্দত ৰচিত ফাতেমা আৰু হুচেনৰ কাৰবালা মৰুপ্ৰান্তৰত জীৱনাৱসানৰ কৰুণ কাহিনীক অৱলম্বন কৰি ৰচনা কৰা কাৰবালা এখন অনুপম কাব্যগ্ৰন্থ। অন্যায় সমৰত শত্ৰুপক্ষৰ নায়ক এজিদৰ সৈন্যই নিৰ্মমভাৱে হুচেনক বধ কৰাৰ কাহিনীক বিশ্বত বিভিন্ন জনশ্ৰুতি, কিংবদন্তী আদি মুছলমান সমাজত চলি আহিছে। কবি ৰঘুনাথ চৌধাৰীয়ে এই কাহিনীটোকে আধাৰ কৰি পাচঁটা সৰ্গত ৰচনা কৰিলে 'কাৰবালা'। প্ৰথম সৰ্গত কাৰবালাৰ প্ৰাকৃতিক সৌন্দৰ্য বৰ্ণনা কৰাৰ লগতে কাৰবালা

'মৰুময় কায়া গুচি হ'লা ধৰ্মক্ষেত্ৰ' বুলি বৰ্ণনা কৰি কাৰবালা যে এতিয়া অভাগিনী নহয় তাক বৰ্ণনা কৰিছে। দ্বিতীয় সৰ্গত এজিদৰ চক্ৰান্তত হাচানৰ পত্নী জায়েদাই কিদৰে বিষ খুৱাই মহামতি হাচানক বধ কৰিলে। এজিদে চক্ৰান্তত সহযোগ কৰা (ধনৰ লোভত) মায়মুনা আৰু জায়েদাক হত্যা কৰোৱাইছে। এজিদৰ পৰামৰ্শ অনুসৰি চিঠি লিখি ওবেদুল্লাহ জায়েদে হুচেনৰ পৰিয়ালক মদিনা ত্যাগৰ কাৰণে পৰামৰ্শ আগবঢ়ায় নিজৰ ৰাজ্যত শান্তিৰে থাকিব পাৰিব বুলি মতাই অনায়। ভুল বাটেৰে আগবাঢ়ি হুচেনৰ পৰিয়াল মৰুভূমি কাৰবালাত প্ৰৱেশ আৰু তাতেই শিবিৰ স্থাপন কৰে। 'যুদ্ধক্ষেত্ৰ' নামৰ তৃতীয় সৰ্গত এটুপি পানীৰ কাৰণে হুচেনৰ পৰিয়ালত হাহকাৰ, পুত্ৰৰ মৃত্যু, পত্নী ছাহৰেবানুক সন্ত্বনা প্ৰদান। চতুৰ্থ সৰ্গৰ নাম কাচেম- ছখিনা। কাচেম হ'ল হাচানৰ পুত্ৰ। বীৰপুত্ৰ কাচেমে পানী আনিবলৈ যোৱাৰ সংকল্প লয়-হুচেইনৰ বাধা প্ৰদান। হুচেনৰ অনুৰোধত ছখিনাৰ পাণিগ্ৰহণ কৰিয়েই ৰণসজ্জা। ফোৰাতৰ পাৰত বিক্ৰমেৰে শত্ৰু সংহাৰ। আহত অৱস্থাত শিবিৰলৈ প্ৰত্যাগমন আৰু এটুপি পানীৰ বাবে কাতৰ প্ৰাৰ্থনা কৰি মৃত্যু হয় আৰু ছখিনাৰ প্ৰাণত্যাগ। পঞ্চম সৰ্গৰ নাম 'হুচেন বধ'। 'নানা চক্ৰান্ত কৰি হুচেনক এজিদৰ ক্ৰীতদাস চীমাৰৰ দ্বাৰা নিৰস্ত্ৰ হুচেনক হত্যা কৰা আৰু মহৰম ব্ৰতৰ মাহাত্ম্য বৰ্ণনা কৰিছে। হুচেনৰ এমাম বংশৰ স্মৃতিচাৰণ, এজিদৰ প্ৰতি জাগ্ৰত হোৱা প্ৰতিশোধ বাসনাৰ বিষয়েও কবিয়ে উল্লেখ কৰিবলৈ পাহৰা নাই। ভাৰতীয় ধৰ্ম দৰ্শনৰ কথা সংযোগ কৰাৰ দিশত অতুল চন্দ্ৰ বৰুৱাই লিখিছে-"জন্মান্তৰবাদ, জন্মান্তৰীয় কৰ্মফল ভোগ আদি ইছলামে নামানে। 'ঈশ চৰণত', 'যজ্ঞবলি দান' ইছলাম ধৰ্মীয় চিন্তাৰ প্ৰতিকূল ধাৰণা, তথাপি কাব্যত 'বিধিৰ বিধান কৰ্মফল ভোগ', 'তুমি উপলক্ষ্য মাত্ৰ' 'নিয়তিৰ কাৰ্য' ('নিমিত্তমাত্ৰং ভৱ সব্যসাচিন্'-গীতা) ইত্যাদি বচন কবিয়ে যথাস্থানত মিলি যোৱাকৈ প্ৰয়োগ কৰিছে[৫] তৎসম আৰু আৰবী-ফাৰ্চী শব্দৰ সুন্দৰ প্ৰয়োগে কাব্যখনত সোণত সুৱগা চৰাইছে।

১৯৫৮ চনত প্ৰকাশিত কথা-কবিতাৰ সংকলন (কবিৰ মতে 'গল্প কবিতা') নৱ-মল্লিকা। এটা কবিতাৰ সমষ্টি। মহেশ্বৰ নেওগৰ মতে "নৱ-মল্লিকা কথা কবিতা আৰু অনুভূতিশীল ব্যক্তিনিষ্ঠ প্ৰবন্ধৰ (Personal essay ) মজা-মজিৰ ৰচনা[৬] নৱ-মল্লিকাত সন্নিবিষ্টি কবিতা কেইটি হ'ল 'ফুল', 'চন্দ্ৰ-মল্লিকা', 'তন্ময়তা', 'প্ৰেমৰ জয়', 'মৌন বেদনা', 'জীৱনৰ হাবিবাস', 'গছা আৰু চাকি', 'খদা আৰু জাপি'।

নৱ-মল্লিকাৰ কথা কবিতাকেইটিৰ প্ৰধান আকৰ্ষণ ঘৰুৱা চিত্ৰৰ নিখুঁত ৰূপায়ণ। নিসৰ্গজগতৰ যথাযথ চিত্ৰণ কবি চৌধাৰীৰ সামগ্ৰিক কাব্যভাৱনাৰ মাজতেই সমুজ্জ্বল হৈ আছে; কিন্তু ঘৰুৱা জীৱনৰ হুবহু চিত্ৰণ বন্দী হৈ আছে 'নৱ-মল্লিকাৰ' এলানি ৰচনাত। 'নৱ-মল্লিকা'ত প্ৰকাশ পোৱা জাতীয় জীৱনৰ সজীৱ চিত্ৰ অধিক মনোমোহাকৈ ফুটি উঠিছে-'প্ৰেমৰ জয়', 'খদা আৰু জাপি' আৰু 'জীৱনৰ হাবিয়াস'ত।[৭]

'মনাই বৰাগী' আৰু 'আমাৰ কথা' দুটা দীঘল কবিতা য'ত কবিয়ে ব্যক্তি জীৱনত কৰা ভুল আৰু তাৰ শুধৰণিৰ বাবে কৰা প্ৰয়াসৰ কথা আছে। তাকে কৰিবলৈ 'মনাই ব'ৰাগী'ত নদী এখনৰ কাহিনী উপস্থাপন কৰিছে। আমাৰ কথা কবিতাটিত আমগছ এডালে সপোনত নিজৰ কাহিনী কোৱাৰ চলেৰে জীৱনৰ এলানি উপদেশ দিছে।

দেখা যায় যে বিহগী কবি ৰূপ সমাদৃত হ'লেও ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি ৰাজ্য, ব্যক্তিগত আৱেগ-অভিজ্ঞতা, ভৱিষ্যৎ প্ৰজন্মৰ বাবে উপদেশ, হাচান-হুচেনৰ দৰে বীৰত্ব ব্যক্তিক কাহিনীৰে সমৃদ্ধ কৰি 'কাৰবালা'ৰ দৰে কবিতা ৰচনা কৰিছে। শব্দৰ উপযুক্ত বাচনি, অলংকাৰ, ছন্দ-আদি প্ৰয়োগেৰে কবিতাসমূহ সুন্দৰকৈ ৰচনা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ কবিতাৰাজিৰ বিষয়ত এতিয়াও আৰু নতুন তথ্য ওলাব। তাকে কৰিবলৈ আমাক লাগিব আন্তৰিক অধ্যয়ন আৰু বিশ্লেষণ ।

## ২.৫ ৰঘুনাথ চৌধাৰীৰ কবিতা 'গিৰিমল্লিকা'

### ২.৫.১ মূলপাঠ

অয়ি অনৱগুণ্ঠিতা ফুল্ল শিখৰিণী
ৰঞ্জি মনিকৰ্ণিকাৰ হৰিত মেখলা,
আছা শুভি শুভ্ৰবেশে। কৰি সুৰভিত
লৌহিত্যৰ তীৰ ভূমি শ্যামল বননি।
নন্দনৰ ৰূপজ্যোতি পৰিমল সুধা,
কৰি আহৰণ বিশ্ব বিজয়িনী ৰূপে
মোহিলা নিতম্ব দেশ বিজন প্ৰান্তৰ।
বনস্পতি ভ্ৰূমদলে নৱ পল্লবেৰে
জনাইছে হৃদয়ৰ গুপ্ত সম্ভাষণ।
স্তোকনম্ৰা লতিকাৰ কুঞ্জ পল্লৱত
উঠিছে উথলি যেন প্ৰেমৰ তৰঙ্গ।
প্ৰিয়া, তুমি ঢালিলা কি মোহন মদিৰা
হাঁহি কটাক্ষৰঙ্গ যি হাঁহিত বনে বনে,
হৰিতা ক্ষেত্ৰত, তৰু তৃণ লতিকাৰো
ভাঙ্গিল চমক। ঠায়ে ঠায়ে বিধে বিধে
ফুলিল ৰঙেৰে কুটজ্ কুটমল ৰাজি।
দ্ৰোণিজাত শুভ্ৰকান্তি ফুল্ল দ্ৰোণীদলে
প্ৰীতি ভৰা লাজাঞ্জলি যাচিছে সাদৰে।
দেৱতৰু সকলৰ মুকুল পৰাগ,
উৰি আহি পৱনৰ মৃদুল গতিত,
সুকোমল গৌৰ তনু পেলাইছে জুৰ।
ৰঞ্জিত তুষাৰ শুভ্ৰ নিমজ গালত
সুৰভি কুঙ্কুম ৰাগ ৰক্ত চন্দনৰ।।
শেষাদ্ৰি শিখৰ যেন্বে ৰঞ্জি সন্ধ্যা ৰাগে
সুখেৰে বিশ্ৰাম লভে সান্ধ্য নভোমণি।

বিবুধ বনিতা সৱে সিঞ্চি নভো ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ;
কৌমুদি প্লাবিত তৱ কোমল বুকুত।
যেতিয়া জোনালী নিশা মধু পূৰ্ণিমাৰ
হয় সুধা ধৱলিত নীলিম আকাশ;
সপ্তস্বৰে সমকণ্ঠে কেতেকী অস্পৰী
ঢালি দিয়ে ক্ষীৰ ধাৰা। ৰস ভঙ্গিমাত
ভৰি উঠে যেন তৱ পল্লৱিত বুকু।
নন্দন নন্দিতা তুমি দেৱ পাৰিজাত
যাৰ গন্ধ মদিৰাত মুগ্ধ দেৱপুৰী।
নেজানো অস্পৰী বেশে কোন দেৱতাৰ
আছিলা হৃদয় ৰাণী আলাসৰ লাৰু ঙ্গ
মদনৰ কামশৰ আছিলানে প্ৰিয়া
গিৰি কৈলাশত; যিদিনা মোহিনৰূপ
ধৰিছিলা ধুৰ্জ্জটিৰ ধ্যানভঙ্গ হেতু।
কোপ  অনলত পৰি শাপভ্ৰষ্টা হই
ভ্ৰমিছা নে কি দেবী শৈল শিখৰত?
দেৱভোগ্য উপভোগ তিয়াগি সকলো
হলা চিৰ নিৰ্ব্বাসিতা চিৰদিনলই।
আছিলা তুমিয়ে প্ৰিয়া ঋষি আশ্ৰমত
ফুলৰ কঁৱৰী সাজি পুস্প উপবন
কৰি জাতিস্কাৰ। প্ৰভাতৰ সমীৰণে
কত খেলা খেলি থাকে তোমাৰ লগত ;
যেতিয়া পিছলি পৰে মৃদু হিল্লোলত বুকুৰ আচল।
লাজতেই কুচি মুচি
তলমুৰ কৰি কোন ঋষি তনয়ক
যাচিছিলা যৌৱনৰ সৌন্দৰ্য্য মাধুৰী।
নিদাঘৰ দহনত  দুখ পোৱা বুলি
আল ধৰিছিল কোন তাপস কুমাৰী ।
মলচি দিছিল গাৰ কোমল হাতৰে
পুণ্যতোয়া মালিনীৰ শীতল জলেৰে।
প্ৰাণ প্ৰিয়া, আজি মোৰ বিজন কুঞ্জত
তুলিবানে লয় লাসে হাঁহিৰ তৰঙ্গ?
ব্যথাৰে উপচি পৰা আকুল প্ৰাণত

দিয়া প্ৰেম মকৰন্দ অমৃত পৰশ;
অকৃত্ৰিম প্ৰণয়ৰ স্নেহ আলিঙ্গন
নিস্প্ৰভ ফুলনি মোৰ হ'ক জ্যোতিৰ্ম্ময়।
বুকুৰ আচল। লাজতেই কুচি মুচি
তলমুৰ কৰি কোন ঋষি তনয়ক
যাচিছিলা যৌৱনৰ সৌন্দৰ্য্য মাধুৰী।
নিদাঘৰ দহনত দুখ পোৱা বুলি
আল ধৰিছিল কোন তাপস কুমাৰী ।
মলচি দিছিল গাৰ কোমল হাতৰে
পুণ্যতোয়া মালিনীৰ শীতল জলেৰে।
প্ৰাণ প্ৰিয়া, আজি মোৰ বিজন কুঞ্জত
তুলিবানে লয় লাসে হাঁহিৰ তৰঙ্গ?
ব্যথাৰে উপচি পৰা আকুল প্ৰাণত
দিয়া প্ৰেম মকৰন্দ অমৃত পৰশ;
অকৃত্ৰিম প্ৰণয়ৰ স্নেহ আলিঙ্গন
নিস্প্ৰভ ফুলনি মোৰ হ'ক জ্যোতিৰ্ম্ময়।

**২.৫.২ গিৰিমল্লিকা কবিতাৰ বিষয়বস্তু**

গিৰিমল্লিকা কুসুম ৰাশিয়ে লৌহিত্যৰ তীৰস্থ মণিকৰ্ণিকা পাহাৰৰ পাদদেশত শ্যামল বননিত শোভা বৰ্ধন কৰাৰ লগতে কবিৰ হৃদয়ত নানা ভাবৰ লহৰ তুলি সম্মোহিত কৰা আৰু কবিৰ ৰিক্ত হৃদয় পূৰ্ণ কৰাৰ আবেদনেৰে কবিতাটো পূৰ্ণ। কবিতাটোত কেৱল গিৰিমল্লিকা কুসুমৰ সৌন্দৰ্য বৰ্ণনাই নাই; আছে বিবিধি প্ৰসঙ্গ। সেই প্ৰসঙ্গবোৰ কবিয়ে আনিছে পুৰাণ আৰু মহাকাব্যৰ পৰা। তাকে কৰিবলৈ যাওঁতে কবিতাটোৰ শব্দ প্ৰয়োগ, ছন্দ সুষমা হৈ পৰিছে কবিৰে অন্য কবিতাতকৈ পৃথক। কবিয়ে বৰ্ণনা কৰা অনুসৰি গিৰিমল্লিকা ফুলে সৰগৰ নন্দন কাননৰ ৰূপ-জ্যোতি আৰু সুধা আহৰণ কৰি বিশ্ব বিজয়িনীৰূপে, মণিকৰ্ণিকা পাহাৰৰ নিতম্বাঞ্চল স্বৰূপ লৌহিত্যৰ তীৰভূমিত থকা নিজান আৰু শ্যামল বননি অঞ্চল মুগ্ধ কৰি ৰাখিছে। গিৰিমল্লিকা ফুল ফুলি থকাৰ বাবেই চৌপাশৰ প্ৰকৃতিত এক অনাবিল সৌন্দৰ্যৰ সমাহাৰ হৈছে বুলি কবিয়ে অন্তৰেৰে উপলব্ধি কৰিছে। মণিকৰ্ণিকা পাহাৰত থকা বৃক্ষৰ কোমল পাতেৰে যেন গিৰিমল্লিকা ফুল পাহিক স্বাগতম জনাইছে। পাহাৰত থকা স্তোকনম্ৰা লতিকা বিলাকে গিৰিমল্লিকাৰ হৃদয়ত যেন প্ৰেমৰ তৰঙ্গ বিয়পাই দিছে।

গিৰিমল্লিকাক কবিয়ে সম্বোধন কৰিছে-'প্ৰিয়া' বুলি। গিৰিমল্লিকাৰ মোহন মদিৰা স্বৰূপ হাঁহি আৰু কটাক্ষ দৃষ্টিত বন-উপবন, সেউজীয়া বননি আৰু তৰু-তৃণ-লতিকাৰ যেন চমক ভাগিল। আৰু গিৰি-মল্লিকা ফুলৰ বাবেই পাহাৰৰ পাদদেশত বিবিধ ৰঙ আৰু

সুৰভিৰ ফুলবোৰ জকমকাই ফুলি উঠিল। গিৰিমল্লিকাৰ পৰশত উন্মনা হৈ ফুলি থকা দ্রোণ কুসুমে গিৰিমল্লিকাক সাদৰেৰে প্ৰীতি ভৰা লাজাঞ্জলি যাচিছে।

পৱনৰ মৃদুল গতিত দেৱতৰুৰ মুকুল পৰাগ উৰি আহি গিৰি-মল্লিকাৰ গৌৰ শৰীৰ জুৰ পেলাইছে আৰু বৰফ-বগা দুখনি নিমজ গালত কুংকুম ৰাগ স্বৰূপ ৰঙা চন্দনেৰে ৰঞ্জিত কৰিছে।

সন্ধিয়া পৰত সন্ধ্যা ৰাগেৰে ৰঞ্জিত হৈ কবিয়ে যেতিয়া বিশ্ৰাম লভে তেতিয়া অমৰ ললনাসকলে তাৰকাৰাশিৰে গিৰিমল্লিকাক মুকুতাৰ হাৰ পিন্ধাই দিয়েহি।

পূৰ্ণিমাৰ জোনাকেৰে আকাশ সুশোভিত হৈ পৰাৰ লগে লগে কেতেকী চৰায়ে সমস্বৰে গীত গাই গিৰিমল্লিকাৰ দেহত যেন ক্ষীৰ ধাৰা ঢালি দিয়ে।

গিৰিমল্লিকাক কবিয়ে নন্দনৰ নন্দিতা দেৱ পাৰিজাত বুলি অভিহিত কৰি কৈছে যে গিৰিমল্লিকাৰ গন্ধ-মদিৰা পাণ কৰি দেৱপুৰী মুগ্ধ হৈ পৰে। অস্পৰী বেশেৰে কোন দেৱতাৰ আলাসৰ লাৰু আৰু হৃদয়ৰ ৰাণী হৈছিল-সেই কথা কবিয়ে নাজানে। ইয়াৰ পিছতে কবিয়ে গিৰিমল্লিকাক বেলেগ বেলেগ ৰূপত কল্পনা কৰিছে। গিৰিমল্লিকাই কাৰ হৃদয় তোলপাৰ লগোৱা নাছিল-জাতীয় প্ৰশ্ন তেওঁৰ মনলৈ আহিছে। তেওঁ সন্দেহ কৰিছে-গিৰিমল্লিকা হয়তো পূৰ্বতে মদনৰ কাম-শৰ আছিল। মোহিনীৰ ৰূপ ধাৰণ কৰি মহাদেৱৰ ধ্যান ভংগ কৰিছিল গিৰিমল্লিকাই। মহাদেৱক ধ্যান ভঙ্গ কৰাৰ অপৰাধত শাপভ্ৰষ্টা হৈ দেৱভোগ্য উপভোগ তিয়াগি চিৰদিনলৈ নিৰ্বাসিত হৈ গিৰিমল্লিকা ৰূপে শৈল শিখৰত ভ্ৰমণ কৰিছা নেকি বুলি কবিয়ে প্ৰশ্নৰ অৱতাৰণা কৰিছে।

কবিয়ে অনুভৱ কৰিছে গিৰিমল্লিকাই (পুনৰ কবিয়ে গিৰি-মল্লিকাক 'প্ৰিয়া' বুলি সম্বোধন কৰিছে) ঋষি আশ্ৰমত ফুল-কুৱঁৰী সাজি ফুলৰ উপবন জাতিস্কাৰ কৰিছিল। তেতিয়া পুৱাৰ সমীৰণে গিৰি-মল্লিকাৰ লগত নানা খেল খেলিছিল। পুৱাৰ সমীৰণৰ পৰশত ফুল কুঁৱৰীৰ (দেৱযানীৰ) বুকুৰ আঁচলখনি পিচলি পৰোঁতে লাজতে কুচি মুচি কোন ঋষি তনয়ক যৌৱনৰ সৌন্দৰ্য মাধুৰী যাচিছিল বুলিও কবিয়ে প্ৰশ্ন কৰিছে। ৰ'দৰ প্ৰখৰ তাপত দুখ পাব বুলি (গিৰি-মল্লিকাকস্বৰূপ শকুন্তলাক ) ঋষি কন্যাসকলে কত কিমান ধৰণেৰে যে আল ধৰিছিল।

কবিতাটোৰ সামৰণিত কবিয়ে গিৰিমল্লিকাক 'প্ৰাণ-প্ৰিয়া' বুলি অনুৰোধ কৰিছে-কবিৰ বিজন কুঞ্জত লয়লাসে হাঁহিৰ তৰংগ তুলিবলৈ। দুখেৰে পূৰ্ণ প্ৰেম মকৰন্দৰ অমৃত পৰশ, অকৃত্ৰিম প্ৰেমৰ চেনেহ আলিঙ্গনেৰে কবিৰ হৃদয় উপচাই মৰহি যোৱা হৃদয় ফুলনিখন জ্যোতিৰ্ময় কৰি তুলিবলৈ।

দেখা যায় কবিতাটোৰ স্তৰে স্তৰে গিৰিমল্লিকাৰ ৰূপ সৌন্দৰ্যৰ বৰ্ণনাৰ লগতে বিবিধ পুৰাণ, মহাকাব্যৰ চৰিত্ৰৰ প্ৰসঙ্গ আনি কবিৰ ৰিক্ত হৃদয় ফুলনি গিৰি-মল্লিকা ফুলেৰে সুশোভিত কৰিবলৈ আহবান জনাইছে। কবিৰ অনুভূতিৰ তীব্ৰতা আৰু প্ৰখৰ কল্পনা শক্তিয়েই কবিতাটোৰ মূল চালিকা শক্তি যদিও সংস্কৃতগন্ধী শব্দৰ প্ৰয়োগ, উপযুক্ত ভাব আৰু চৰিত্ৰৰ সমাৱেশৰ বাবে ৰঘুনাথ চৌধাৰীৰ কবিতাৰ মাজতে গিৰি-মল্লিকা এক ব্যতিক্ৰমী আৰু অনন্য সৃষ্টি ৰূপে পাঠক সমালোচকে আদৰি লৈছে।

### ২.৫.৩ গিৰিমল্লিকা কবিতাৰ কাব্যিক সৌন্দৰ্য

ৰঘুনাথ চৌধাৰীৰ ফুল বিষয়ক উৎকৃষ্ট কবিতা ‘গোলাপ’। ‘গোলাপ’ৰ পিছতেই যিটো কবিতাৰ কথা পাঠকৰ মনলৈ আহে-সেইটো হৈছে ‘গিৰিমল্লিকা’। ‘গিৰিমল্লিকা’ অসমীয়া কাব্য সাহিত্যত আৰু ৰঘুনাথ চৌধাৰীৰ কবিতাৰ ভিতৰতে আন এটি দিশত অনন্য আৰু অদ্বিতীয় কবিতা। কবিতাটোত প্ৰয়োগ কৰা সংস্কৃত শব্দাৱলী আৰু পৰিৱেশ সৃষ্টিৰ বাবে পৌৰাণিক কাহিনী জড়িত কৰাৰ বাবেই কবিতাটো আজিও এক বিশেষ মৰ্যাদাপ্ৰাপ্ত কবিতাত পৰিণত হৈ আছে।

পাহাৰৰ পাদ-দেশত ফুলি থকা গিৰি-মল্লিকা ফুলপাহে কবিৰ হৃদয়ত, মনাকাশত যি ভাবৰ হেন্দোলনি তুলি কবিক এখন অপৰূপ জগতলৈ লৈ গৈছে-সেয়া ভাবিলে ৰোমান্টিক কবিতাৰ যুগটোকে এই কবিতাই প্ৰতিনিধিত্ব কৰি থকা যেন অনুভৱ হয়। ‘গিৰি-মল্লিকা’ কবিৰ মনত কেৱল ফুল নহয়; কবিৰ ‘প্ৰিয়া’ পাহাৰৰ শিখৰত ফুলি থকা ফুলবোৰ প্ৰকৃতিৰো প্ৰেমিকা স্বৰূপ। সৰু হ’লেও গিৰি-মল্লিকা ফুলৰ সৌন্দৰ্যক পাহাৰৰ গছ্‌-লতিকা সকলোৰে সম্ভাষণ জনায়। প্ৰীতিভৰা ‘লাজাঞ্জলি’ যাচে। এই ফুল কবিৰ মতে সাধাৰণ হৈয়ো অসাধাৰণ -কিয়নো, সৰগীয় পাৰিজাত অথবা মদনৰ কামশৰ আছিল আৰু ‘কোপ অনলত শাপভ্ৰষ্টা’ হৈহে পাহাৰৰ পাদদেশত ফুলিব লগা হৈছে। পৃথিৱীত ফুলিও এই ফুলে সৰগৰ বতৰাকেই দিছে। কবিয়ে গিৰি-মল্লিকাক ‘দেৱযানী’ আৰু ‘শকুন্তলা’ বুলিও কৈছে। প্ৰেম প্ৰণয়, আনন্দ-উৎসাহ, ৰূপ-সৌন্দৰ্যৰ প্ৰতীক স্বৰূপ এই ফুলৰ সান্নিধ্যৰ পৰিৱৰ্তে কবিৰ হৃদয়ত আজীৱন বৈ থকা দুখ আৰু বেদনা পাহৰিবলৈ আন্তৰিকতাৰে কামনা কৰিছে।

‘গিৰিমল্লিকা’ মূলতঃ গীতি কবিতা। মহেন্দ্ৰ বৰাৰ মতে “ভাৱগত দিশত ব্যক্তিনিষ্ঠ, মন্ময়ধৰ্মী কবিতাই গীতি কবিতা হিচাপে স্বীকৃত।”(মহেন্দ্ৰ বৰা, সাহিত্য উপক্ৰমণিকা, পৃঃ৫৮) গীতি কবিতাৰ বিশেষত্বৰ বিষয়ে ক’বলৈ গৈ এজন সমালোচকে এনেদৰে উল্লেখ কৰিছে-“Lyric is a short poem containing one sentiment or one thought or describing one situation” অৰ্থাৎ

গীতি কবিতা সৰু অৱয়ব বিশিষ্ট কবিতা য’ত মাত্ৰ অনুভূতিৰ এককতা বা ভাবৰ স্বল্পতা প্ৰকাশ পায় আৰু যিয়ে মাত্ৰ এটা পৰিস্থিতিৰ বৰ্ণনা দিয়ে। “গীতি কবিতাৰ বিষয়ে এনেকৈয়ো কোৱা যায় “Lyric poetry, for the most part, is short and written in first-person point of view. There is always some specific Mood or emotion being expressed. Often that Mood is about the extremes in life, Mostly Love or death or some other intense emotional experience. (htttp://study.com) গীতি কবিতাৰ বিশেষত্বৰ বিষয়ে চমুকৈ এনেকৈ ক’ব পাৰি-আন্তৰিকতাপূৰ্ণ অনুভূতি, অৱয়বৰ স্বল্পতা, সংগীত মাধুৰ্য আৰু গীতি স্বাচ্ছন্দ্য ইয়াৰ মূল সম্পদ। ‘গিৰিমল্লিকা’ কবিতাত এই আটাইখিনি বৈশিষ্ট্য থকাৰ বাবে ই এটা শ্ৰেষ্ঠ গীতি কবিতা বুলি আমি অভিহিত কৰিব পাৰোঁ। গিৰিমল্লিকা ফুলৰ সৌন্দৰ্যই কবিৰ হৃদয়ত এক আন্তৰিকতাপূৰ্ণ অনুভূতিৰ সৃষ্টি কৰাৰ বাবেই গিৰিমল্লিকাক ‘প্ৰিয়া’, ‘দেৱযানী’, ‘শকুন্তলা’ আদি ৰূপত

কল্পনা কৰিছে আৰু সৰগৰ পৰা মৰতলৈ অহাৰ কাৰণ বিচাৰি কবি কেইটামান সিদ্ধান্তত উপনীত হৈছে। আৰু একেবাৰে শেষত প্ৰকৃতি ৰাজ্যত প্ৰেমৰ, সৌন্দৰ্যৰ সুবাস বিলোৱা গিৰি-মল্লিকাক নিজৰ হৃদয়ৰ উকা ফুলনিখন ফুলেৰে উপচাই তুলিবলৈ অনুৰোধ আৰু আহ্বান জানাইছে।

ৰমন্যাসবাদৰ জৰিয়তে অসমীয়া সাহিত্যত প্ৰৱেশ ঘটা গীতি কবিতাৰ ভিতৰত প্ৰকৃতিমূলক, প্ৰেমবিষয়ক, ছনেট, শোককবিতা, ব্যঙ্গ কবিতা আদি অন্তৰ্ভুক্ত। সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত( পৃঃ২৮৫-২৮৬) ১৮৮৯ ৰ পৰা ১৯৪০ খ্ৰীৰ কাব্য সাহিত্যৰ বিষয়ে ক'বলৈ গৈ প্ৰকৃতি বিষয়ক কথা এনেদৰে উল্লেখ কৰিছে "আপোন মনৰ মাধুৰীৰাশি বোলাই প্ৰকৃতিৰ বহিঃ সৌন্দৰ্যৰ বৰ্ণনা, প্ৰকৃতিৰ শান্ত-স্নিগ্ধ শান্তিময়ী ৰূপৰ আকৰ্ষণ আৰু তাপক্লিষ্ট মানৱ জগতৰ লগত তাৰ বৈপৰিত্য প্ৰদৰ্শন, প্ৰাকৃতিক পদাৰ্থৰ সঞ্জীৱতা আৰোপ, প্ৰাকৃতিক পদাৰ্থৰ মানৱীকৰণ বা দৈৱীকৰণ ৰূপ, প্ৰকৃতিত প্ৰিয়তমাৰ সৌন্দৰ্যৰ প্ৰতিবিম্ব-দৰ্শন, খণ্ড প্ৰাকৃতিক সৌন্দৰ্যৰ অন্তৰালত অখণ্ড সৌন্দৰ্যৰ উপলব্ধি, প্ৰকৃতিত আত্ম সুখ-দুখৰ আধ্যাৰোপ, প্ৰকৃতি শিক্ষাৰ উৎসৰূপে অথবা প্ৰকৃতিৰ 'স্বাভাৱিক ঋতুপৰ্যায়ৰ সৌন্দৰ্য আদি বহুতো বিশেষত্ব প্ৰকৃতি বিষয়ক কবিতাত বা প্ৰকৃতি-চিত্ৰণত দেখা পাওঁ। কবিভেদে প্ৰকৃতিৰ স্থানৰ হীনদেড়ি দেখা যায়। ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতিয়ে যি প্ৰাধান্য লাভ কৰিছে আন কবিৰ ৰচনাত সিমান নহয়; কিন্তু সকলো কবিৰ ৰচনাতেই প্ৰাকৃতিক সৌন্দৰ্যৰ আকৰ্ষণ সাধাৰণ বিশেষত্ব।

'গিৰিমল্লিকা' প্ৰকৃতি বিষয়ক কবিতা। প্ৰকৃতি বিষয়ক কবিতাত থাকিবলগা সকলো বৈশিষ্ট্য ইয়াত নিৰহ-নিপানীকৈ প্ৰকাশিত হৈছে। প্ৰথম কথা- গিৰিমল্লিকা পাহাৰৰ পাদদেশত ফুলি ৰোৱা এবিধ ফুল। এই ফুলৰ সৌন্দৰ্যই কবিক লৈ গৈছে এখন অনিৰ্বচনীয় জগতলৈ। গিৰিমল্লিকাৰ সৌন্দৰ্যই যেন সকলোকে তল পেলাই দিলে। গছ-লতিকায়েও সম্ভাষণ জনায়। প্ৰকৃতি বিষয়ক কবিতাত প্ৰকৃতিৰ বৰ্ণনাই প্ৰাধ্যান্য লাভ কৰে। আলোচ্য কবিতাটিত পাহাৰৰ শিখৰ, পাহাৰৰ পাদদেশ, লৌহিত্য, লৌহিত্যৰ পাৰৰ শ্যামল বননি, গছ-লতিকা, তৰু-তৃণ, কঁহিপাত, মলয়া বতাহ, জোন বেলি, জোনালী নিশা, কেতেকী চৰাইৰ সুমধুৰ কণ্ঠ, ফুল, ফুলৰ বাগিছা, পুৱাৰ সমীৰণ, মালিনী নদীৰ শীতল জল আদিৰ বিবিধ প্ৰসংগ কবিয়ে সুন্দৰ আৰু সাৱলীলৰূপত উপস্থাপন কৰি কবিতাটিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰকৃতিৰ মুক্ত পৰিৱশত ফুলি থকা গিৰি-মল্লিকাৰ বাবে যি পৰিৱেশ লাগে সেই পৰিৱেশ কবিয়ে দেখা পাইছে কেৱল বাহ্যিক দৃষ্টিৰে নহয়; অন্তৰ দৃষ্টিৰে। কবিয়ে দেখা বৰ্ণনা একোখন ছবিৰ ৰূপত পাঠকৰ সন্মুখত ধৰা দিছে। ইয়াতেই কবিৰ সাৰ্থকতা। এটা উদাহৰণ দিব বিচাৰিছোঁ।

"প্ৰিয়া, তুমি ঢালিলা কি মোহন মদিৰা  
হাঁহি কটাক্ষৰ ঙ্গ যি হাঁহিত বনে বনে,  
হৰিতা ক্ষেত্ৰত, তৰু-তৃণ লতিকাৰো

ভাঙ্গিল চমক ঙ্গ ঠায়ে ঠায়ে বিধে বিধে
ফুলিল ৰঙেৰে কুটজ্ কুটমল ৰাজি।"

প্ৰাকৃতিক পদাৰ্থৰ মানৱীকৰণ বা দৈৱীকৰণ ৰূপ বৰ্ণনা প্ৰাকৃতিক কবিতাৰে এটি বিশেষ লক্ষণ। গিৰি-মল্লিকাত প্ৰকৃতিয়ে কিদৰে মানৱীৰূপ লাভ কৰিছে সেয়া উল্লেখ কৰা হৈছে-

"শেষাদ্ৰি শিখৰ যেৱে ৰঞ্জি সন্ধ্যা ৰাগে
সুখেৰে বিশ্ৰাম লভে সান্ধ্য নভোমণি।
বিবুধ বনিতা সৱে সিঞ্চি নভো ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ; "

কবিৰ অপূৰ্ব কবি প্ৰতিভাৰ চানেকি 'গিৰিমল্লিকা'। কবিৰ কল্পনাৰ মূৰ্ত্ত প্ৰকাশ কবিতাটিৰ শাৰীয়ে শাৰীয়ে বিদ্যমান। এপাহ ফুলে কবিৰ অন্তৰত তোলা আৱেগৰ ভিন্ন প্ৰকাশ আৰু ভিন্ন ৰূপৰ সৈতে কৰা তুলনাই কবিতাটোক এক নতুন মাত্ৰা দিছে। কবিয়ে প্ৰকৃতিৰ মুক্ত পৰিৱেশত ফুলি থকা গিৰিমল্লিকাক নন্দন কাননৰ ৰূপৰ জেউতি আৰু পৰিমল সুধা আহৰণ কৰি বিশ্ববিজয়িনী হৈ পৰা প্ৰসংগ আনিছে। প্ৰকৃতিত এই ফুলে মোহন মদিৰা ঢালিলে বুলিছে। বিবুধ বনিতাই মুকুতাৰ হাৰ পিন্ধাইছে গিৰি-মল্লিকাক। এই পাহ সাধাৰণ ফুল নহয়-'দেৱ পাৰিজাত'। কোনো দেৱতাৰ হৃদয়ৰ ৰাণী আছিল। হয়তো মদনৰ কামশৰ আছিল। কোনো ঋষিৰ তপস্যা ভংগৰ বাবে 'কোপ অনলত পৰি শাপভ্ৰষ্টা' হৈ শিলৰ পাহাৰত ফুলি থাকিব লগা হৈছে। কবিয়ে এই ফুলক 'দেৱযানী' আৰু 'শকুন্তলাৰ' লগতো ৰিজাই চাইছে আৰু তেওঁৰ
ৰিক্ত হৃদয় পূৰ্ণ কৰিবৰ বাবে কাতৰ আহ্বান জনাইছে।

"নন্দনৰ ৰূপজ্যোতি পৰিমল সুধা,
কৰি আহৰণ বিশ্ব বিজয়িনী ৰূপে
মোহিলা নিতম্ব দেশ বিজন প্ৰান্তৰ।"

"বিবুধ বনিতা সৱে সিঞ্চি নভো ৰেণু
দিছেহি পিন্ধাই মুক্তাহাৰ আভৰণ;"

"মদনৰ কামশৰ আছিলানে প্ৰিয়া
গিৰি কৈলাশত; যিদিনা মোহিনীৰূপত
ধৰিছিলা ধূৰ্জ্জটিৰ ধ্যানভঙ্গ হেতু"

সাৰ্থক আৰু যথাৰ্থ ভাবে সংস্কৃত শব্দ প্ৰয়োগ কৰাৰ বাবে আলোচ্য কবিতাটোৱে পাঠকক আকৰ্ষণ কৰিব পাৰিছিল। সংস্কৃত কাব্যৰ অধ্যয়ন আৰু গভীৰভাৱে স্বদেশ-স্বজাতিক ভালপোৱাৰ বাবেই হয়তো কবিয়ে নিজৰ শিপাৰ সন্ধানত নামি নিজেও আনন্দ পাইছিল আৰু আনকো বিলাই দিব বিচাৰিছিল। আলোচ্য কবিতাটিত মেঘদূত, অভিজ্ঞান

শকুন্তলম্ আৰু কুমাৰ সম্ভৱ এই তিনিওখন কাব্যৰে প্ৰভাৱ আমি দেখিবলৈ পাওঁ। এইখিনিতে উল্লেখ কৰা ভাল ইয়ে কবিতাটোক সমৃদ্ধহে কৰিছে। ভাৱ আৰু ভাষাৰ মাজত যি সংযোগ সেতুঁৰ প্ৰয়োজন সেই সেতুঁ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। কবি কালিদাসে মেঘদূত কাব্যত উল্লেখ কৰা শ্লোক এটা আমাৰ কবিয়ে ভাৱ-ভাষাৰে নিজৰ ধৰণেৰে আগবঢ়াইছে-

‘ৰাশীভুতঃ প্ৰতিনিদমিব ত্ৰাম্বকসাট্টহাসঃ ।’ (কালিদাস) অৰ্থাৎ ই কৈলাসৰ সুভ্ৰস্তূপ নহয়, ই যেন প্ৰতিদিনে থূপ খাই থকা শিৱৰ অট্টহাসি । চৌধাৰীয়ে দুই পৰ্বতৰ মাজৰ নিম্নভূমি অঞ্চলত ফুলি থকা শুভ্ৰকান্তি বিশিষ্ট দ্ৰোণফুলে গিৰি -মল্লিকাক সাদৰেৰে লাজাঞ্জলি যচাঁৰ বৰ্ণনাৰ লগত তুলনা কৰিব পাৰি।

**প্ৰসঙ্গ টোকা ঃ**

[১]জ্যোতিমালা গোহাঁই, ফুকন । অসমীয়া ৰমন্যাসিক সাহিত্য। পৃ. ১৩৬-১৩৭

[২]উমেশ ডেকা। নীলমোহন ৰায় । ৰঘুনাথ চৌধাৰীৰ কাব্যবিচাৰ। পৃ. ১০২

[৩] ৰঘুনাথ চৌধাৰী । সাদৰী । পৰিশিষ্ট খ। পৃ.৮১

[৪] অতুলচন্দ্ৰ বৰুৱা (সম্পা)। ৰঘুনাথ চৌধাৰী ৰচনাৱলী। পৃ. ১৮৯

[৫]পূৰ্বোক্ত গ্ৰন্থ। সম্পাদকৰ নিবেদন। পৃ ২৩-২৪

[৬] মহেশ্বৰ নেওগ। অসমীয়া সাহিত্যৰ ৰূপৰেখা। পৃ ২৭৮

[৭] উমেশ ডেকা। নীলমোহন ৰায় পূৰ্বোক্ত গ্ৰন্থ। পৃ-১৯২

## ২.৬ সাৰাংশ (Summing up)

অসমীয়া ৰোমাণ্টিক কবিতাৰ দ্বিতীয় তৰংগৰ কবি হ’ল ৰঘুনাথ চৌধাৰী। তেওঁক বিহগী কবি বুলিও কোৱা হয়। প্ৰকৃতিৰ বিভিন্ন বস্তু আছিল তেওঁৰ কবিতাৰ মূল সমল। প্ৰকৃতিৰ ফুল-ফল, বায়ু-পানী, তৰু-তৃণ, মৰু-প্ৰান্তৰ আৰু নদী-নিজৰাৰ মাজত কবিয়ে অনুভৱ কৰিছে এক ৰহস্যময়ী প্ৰাণসত্ত্বা। তেওঁৰ এনে কোনো কাব্য নাই য’ত এবাৰলৈ হ’লেও প্ৰকৃতিৰ মুৰতিয়ে ভুমুকি মৰা নাই। ‘গিৰিমল্লিকা’ এটি কবিৰ সুন্দৰ প্ৰকৃতি বিষয়ক কবিতা। গিৰিমল্লিকা ফুলক বিষয়বস্তু হিচাপে কবিতাটি ৰচিত হৈছে। কবিতাটিৰ প্ৰধান বৈশিষ্ট্য হ’ল ধ্বন্যাত্মকতা।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Question)

১। কবি ৰঘুনাথ চৌধাৰীৰ পৰিচয় দাঙি ধৰি তেওঁৰ ৰচনাৱলীৰ বিষয়ে চমুকৈ লিখক।

২। কি কি বিষয়ে ৰঘুনাথ চৌধাৰীৰ কবিতাৰ বিষয়বস্তু হিচাপে স্থান পাইছিল? উদাহৰণসহ আলোচনা কৰক।

৩। ৰোমাণ্টিক কাব্যাদৰ্শৰ বিভিন্ন বৈশিষ্ট্যসমূহ চৌধাৰীৰ কবিতাত কেনেদৰে প্ৰকাশ পাইছিল বিচাৰ কৰক।

৪। 'গিৰিমল্লিকা' কবিতাটি কি বিষয়ৰ? কবিতাটিৰ মাজেৰে ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যবোৰ কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰক।

৫। চমু উত্তৰ দিয়ক—

ৰোমাণ্টিকতা, সাদৰী, কাৰবালা, দহিকতৰা

## ২.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


নেওগ, মহেশ্বৰ। অসমীয়া সাহিত্যৰ ৰূপৰেখা। গুৱাহাটীঃ লয়াৰ্ছ বুক ষ্টল, ১৯৬৪, প্ৰকাশিত।

নেওগ, মহেশ্বৰ। বাণীকান্ত-চয়নিকা। নতুন দিল্লী, সাহিত্য অকাদেমি, ১৯৮৯, প্ৰকাশিত।

বৰুৱা, অতুল চন্দ্ৰ (সম্পা)।ৰঘুনাথ চৌধাৰী ৰচনাৱলী। গুৱাহাটীঃ অসম সাহিত্য সভা, ১৯৮০, প্ৰকাশিত ।›¶

বৰা, হেম। ৰমন্যাসবাদঃ অসমীয়া কবিতা আৰু কুৰিজন প্ৰধান কবি। গুৱাহাটী ঃ ষ্টুডেন্টচ্ ষ্টৰচ্ পৰিবৰ্দ্ধিত নতুন সংস্কৰণ, ২০১৩। প্ৰকাশিত।

শৰ্মা, সত্যেন্দ্ৰনাথ। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত। গুৱাহাটীঃ সৌমাৰ প্ৰকাশ, ১৯৮৯, প্ৰকাশিত।


*****

## তৃতীয় বিভাগ
## অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতা 'মোৰ বীণা'

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.১ উদ্দেশ্য (Objectives)
৩.৩ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৰ্মৰ চমু পৰিচয়
৩.৪ কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যকৃতি
  ৩.৪.১ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ প্ৰথম পৰ্ব
  ৩.৪.২ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ দ্বিতীয় পৰ্ব
  ৩.৪.৩ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ তৃতীয় পৰ্ব
৩.৫ 'মোৰ বীণা' কবিতাৰ আলোচনা
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Question)
৩.৮ গ্ৰন্থপঞ্জী (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

অম্বিকাগিৰী ৰায়চৌধুৰী অসমীয়া কবিতাৰ ইতিহাসৰ ৰোমান্টিক যুগৰ এগৰাকী অন্যতম শ্ৰেষ্ঠ কবি। অসমীয়া ৰোমান্টিক কবিতাৰ দ্বিতীয় পৰ্বৰ অন্তৰ্গত কবিগৰাকীৰ কবিতাত মূলতঃ দুটা ধাৰা লক্ষ্য কৰা যায়—ক) প্ৰেমমূলক ৰহস্যবাদী কবিতাৰ ধাৰা। খ) স্বদেশপ্ৰেমমূলক কবিতাৰ ধাৰা। অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰখনত অম্বিকাগিৰী ৰায়চৌধুৰীৰ অৱদান বিশেষভাৱে লক্ষ্যণীয়। প্ৰেম আৰু মিষ্টিক্ ভাৱনাৰ সমন্বয় সাধনেৰে সাহিত্য জীৱনৰ প্ৰথম ভাগত লিখা তেখেতৰ কবিতাসমূহত মানৱীয় প্ৰেমৰ মাধ্যমেৰে ৰহস্যময় জগত এখনলৈ কৰা আধ্যাত্মিক যাত্ৰা পৰিলক্ষিত হয়। দেশজ পটভূমি আৰু সক্ৰিয় ৰাজনৈতিক অভিজ্ঞতাৰ প্ৰেৰণাৰে লিখা তেখেতৰ দেশপ্ৰেমমূলক কবিতাসমূহো অসমীয়া কাব্য-জগতৰ গুৰুত্বপূৰ্ণ কৃতি। এই অধ্যায়ত 'মোৰ বীণা' কবিতাটোৰ আলোচনাৰ লগতে অম্বিকাগিৰি ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্য-কৰ্মৰ বিভিন্ন দিশৰ পৰিচয়মূলক আভাস দাঙি ধৰা হৈছে।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৰ্মৰ সৈতে পৰিচয় লাভ কৰিব পাৰিব,
- কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যকৃতি আৰু তাৰ পটভূমি সম্পৰ্কে অৱগত হ'ব পাৰিব,

- নিৰ্বাচিত 'মোৰ বীণা' কবিতাৰ বিষয়বস্তু আৰু অন্তৰ্নিহিত ভাৱৰ পৰিচয় লাভ কৰিব পাৰিব,
- অসমীয়া কবিতাৰ ৰোমান্টিক যুগৰ এগৰাকী কবি হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ গুৰুত্ব আৰু মৌলিকতাৰ পৰিচয়  লাভ কৰিব পাৰিব।

### ৩.৩ অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৰ্মৰ চমু পৰিচয়

ঊনবিংশ শতিকাৰ নৱম দশকত  জন্মগ্ৰহণ কৰা অম্বিকাগিৰী ৰায়চৌধুৰীয়ে (১৮৮৫-১৯৬৭) বহুমুখী প্ৰতিভাৰে বিংশ শতিকাৰ আৰম্ভণিৰ পৰা সপ্তম দশক পৰ্যন্ত অসমীয়া সমাজ, সংস্কৃতি, সাহিত্যক বহুমাত্ৰিক অৱদানেৰে সমৃদ্ধ কৰিছে। তেখেত এক বহুমাত্ৰিক ব্যক্তিত্বৰ অধিকাৰী আছিল। এজন বিদ্ৰোহী হিচাপে ঔপনিৱেশ শাসন বিৰোধী আন্দোলনত সক্ৰিয়ভাৱে অংশ লোৱা অম্বিকাগিৰীয়ে সমান্তৰালভাৱে সাহিত্য-সংগীতৰ চৰ্চা কৰিছিল। অসমীয়া জাতীয়তাবাদৰ পৃষ্ঠপোষক হৈও তেখেত আছিল ভাৰতীয় জাতীয়তাবাদৰো এগৰাকী প্ৰৱক্তা। সংৰক্ষিণী সভাৰ কৰ্মী হোৱাৰ লগতে তেখেতৰ চেতনাত অনৰৱতে প্ৰবাহিত হৈ আছিল—গভীৰ মানৱতাবাদ আৰু বিশ্বপ্ৰেমৰ আদৰ্শ। তেখেতৰ ব্যক্তিত্বৰ এই বহুমাত্ৰিকতাই তেখেতৰ সাহিত্যকো কৰি তুলিছে বৈচিত্ৰ্যময়। কেৱল এগৰাকী কবি-সাহিত্যিকেই নহয়, অম্বিকাগিৰী অসমীয়া জাতীয় জীৱনৰো এগৰাকী অন্যতম ৰূপকাৰ। অসমীয়া সংবাদ-পত্ৰৰ ইতিহাসতো অম্বিকাগিৰী ৰায়চৌধুৰী স্মৰণীয় ব্যক্তিত্ব। অৰুণা প্ৰেছৰ প্ৰতিষ্ঠাপক অম্বিকাগিৰী ৰায়চৌধুৰী আছিল *চেতনা* (১৯১৯-২৭) আৰু *ডেকা অসম* (১৯৩৫) আলোচনীৰ প্ৰকাশক আৰু সম্পাদক। অসমীয়াৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰসংগক যুক্তিসন্মত ভাৱে প্ৰতিষ্ঠা কৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ নেতৃত্বাধীন 'সংৰক্ষিণী সভা'ক তেখেতে ১৯৩৫ চনত 'অসম জাতীয় মহাসভা'লৈ ৰূপান্তৰ কৰিছিল। ১৯৪৬-৪৭ চনত অম্বিকাগিৰী ৰায়চৌধুৰীয়ে গ্ৰুপিঙৰ বিৰুদ্ধে জনমত গঠন কৰি 'আত্মৰক্ষী বাহিনী' শীৰ্ষক সংগঠন গঢ়ি তুলিছিল। এগৰাকী কবি, গীতিকাৰ, গদ্যকাৰ, নাট্যকাৰ, আলোচনী সম্পাদক হিচাপে তেখেতে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। অম্বিকাগিৰী ৰায়চৌধুৰীৰ সাহিত্য-কৃতিসমূহ তলত উল্লেখ কৰা হ'ল—

**কবিতা-পুথি ঃ** *তুমি* (১৯১৫), *বীণা* (১৯১৬), *অনুভূতি* (১৯৫৪), *স্থাপন কৰ স্থাপন কৰ* (১৯৫৮), *দেশেই ভগৱান* (১৯৬৫),  *বাণী বিদ্যুৎ* (মৰণোত্তৰভাৱে প্ৰকাশিত, ১৯৭৯)।

**গীতৰ-পুথিঃ** *বন্দো কি ছন্দেৰে* (১৯৫৯), *চেতনাৰ কণ্ঠ* (১৯৮৫), *Songs of the Cell* (১৯৪২)।

**নাটক ঃ** *কল্যাণময়ী, ভক্তগৌৰৱ, জয়দ্ৰথ বধ* (১৯৬১)।

**প্ৰবন্ধ-সংকলনঃ** *জগতৰ শেষ আদৰ্শ আৰু বিশ্বশান্তি* (১৯১৬), *ভাৰতীয় স্বৰাজ আৰু অসমীয়া স্বৰাজ*(১৯৩৪), *ডেকা-ডেকেৰীৰ বেদ* (১৯৪২), *স্বাধীন পঞ্চায়ৎ ৰাষ্ট্ৰ গঠনৰ প্ৰাথমিক আঁচনি*(১৯৪২), *আত্মৰক্ষী বাহিনী গঠন*(১৯৪৬), *আহুতি*(১৯৫৩), *Final Goal of Man and Lasting Peace* (১৯৬১), *মোৰ জীৱন ধুমুহাৰ এছাটি*(১৯৬৭), *অসম কেশৰীৰ বচন* (১৯৮১)।

**সম্পাদনাঃ** *চেতনা* আলোচনী, *ডেকা অসম* আলোচনী, *সাহিত্য মঞ্জৰী* (১৯৫১)।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

অসমীয়া সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনত অম্বিকাগিৰী ৰায়চৌধুৰীৰ অৱদানৰ বিষয়ে আলোচনা কৰাঁ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৪ কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যকৃতি

'কবি অম্বিকাগিৰী ৰায়চৌধুৰী' শীৰ্ষক এটা প্ৰবন্ধত মহেশ্বৰ নেওগে লিখিছে— "অসমীয়া কাব্য-সাহিত্যত অম্বিকাগিৰী ৰায়চৌধুৰী এজন বিশিষ্ট আৰু বহুতো পৰিমাণে স্বকীয় বৈশিষ্ট্যৰে অকলশৰীয়া কবি। উপনিষদ, কালিদাস, ৰবীন্দ্ৰনাথ, শ্বেক্‌ছপীয়েৰ, মিল্টন বা শ্বেলী-কীটছ্‌ৰ কাব্যৰ সংস্পৰ্শ আৰু প্ৰভাৱৰ আঁতৰত থাকি ৰায়চৌধুৰীয়ে নিজাভাৱে এক টাইটানৰ দৰে কাব্য-ক্ষেত্ৰত ঠিয়দি 'নিজ গীত অকলই' গাব লাগিছে। সেইবাবে আমাৰ কবিসকলৰ ভিতৰত তেৰেঁই সৰাতোকৈ মৌলিক। কৈ থোৱা ভাল, 'মৌলিক' শব্দটো তাৰ প্ৰকৃত অৰ্থতে ব্যৱহাৰ কৰা হৈছে। তেওঁৰ কাব্যৰ আটাইতকৈ মূল্যৱান সম্পত্তি হৈছে অনুভূতিৰ সহজ ভঙ্গী আৰু উদ্দেশ্যৰ সৰলতা, মিষ্টিক্ ভাৱে সেই কাব্যত মহানৰ সুৰ সংযোগ কৰিছে। আত্ম-প্ৰীতি নোহোৱা এজন ৱাল্ট হুইটমেনৰ দৰে তেওঁ মানৱ-দেহ আৰু মনৰ গৌৰৱময় গীতৰ সুৰ ধৰিছে, নিজৰ অনুভূতি-প্ৰদেশৰ সকলোখিনিকেই সেই সুৰেৰে সজাই-পৰাই আমাৰ আগলৈ আগবঢ়াই দিছে। (*নিৰ্বাচিত*

*অসমীয়া গদ্য,* পৃ.২৩৮-২৪৮) কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ এই ৰহস্যঘন কাব্যিক মৌলিকতাৰ বাবেই অসমীয়া ৰোমাণ্টিক কবিতাৰ ইতিহাসত তেখেতৰ স্থান বিশেষভাৱে উল্লেখযোগ্য।

অম্বিকাগিৰীৰ জীৱনবোধ আৰু জীৱনাদৰ্শৰ তিনিটা পৰ্ব লক্ষ্য কৰা যায়।— প্ৰথম পৰ্ব, ১৯০৭-১৯১৫ চনলৈ বৰপেটাত গৃহবন্দী হৈ থকাৰ সময়ছোৱা; দ্বিতীয় পৰ্ব, প্ৰথম বিশ্বযুদ্ধৰ পৰা গান্ধীৰ আদৰ্শ গ্ৰহণেৰে স্বাধীনতা আন্দোলন আৰু জাতীয়বাদী চিন্তাৰে অসমীয়া জাতীয়বাদৰ হকে কাম কৰা সময়ছোৱা; তৃতীয় পৰ্ব, আইন অমান্য আন্দোলনৰ পৰা স্বাধীনতা লাভ আৰু তাৰ পৰৱৰ্তী সময়ছোৱা। অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যজীৱনতো জীৱনৰ এই তিনিটা পৰ্বৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱ লক্ষ্য কৰা যায়। সেয়েহে তেখেতৰ কবিতাৰাজিকো তিনিটা পৰ্বত ভাগ কৰি আলোচনা কৰিব পাৰি। ইংৰাজী 'গল্ডেন ট্ৰেজাৰী'ৰ আৰ্হিত যজ্ঞেশ্বৰ শৰ্মাই যুগুত কৰা আধুনিক অসমীয়া কবিতাৰ সংকলন *শতপত্ৰ*(১৯৩৭)ত ৰায়চৌধুৰীৰ 'তুমি'ৰ কেইশাৰীমান, 'তন্দ্ৰাভঙ্গ' আৰু 'এইটো নহয় হাঁহি তামাচাৰ ভাগৰ জুৰোৱা গান'—শীৰ্ষক কবিতাকেইটা সন্নিৱিষ্ট হৈছে। এই তিনিওটা কবিতাই আচলতে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কাব্যজীৱনতো তিনিটা পৰ্বক প্ৰতিনিধিত্ব কৰিছে। তেওঁৰ সামাজিক জীৱন-পৰিক্ৰমা আৰু কাব্য-পৰিক্ৰমাৰ সৈতে থকা নিবিড় সম্পৰ্ক কবিতাসমূহৰ জৰিয়তে উপলব্ধি কৰিব পাৰি। 'বীণা'ৰ পাতনিত তেখেতে লিখিছে—"চাৰিওফালৰপৰা চেপি ধৰা এই বৰ ডাঙৰ জগতখনৰ খুন্দা খাই, মোৰ অন্তৰ ফালি ভাব-সাগৰৰ যি দুই চাৰি জোলোকা জৰি পৰিছে, তাত বাজে আন একো ইয়াত ঠাই পোৱা নাই।" তেওঁৰ জীৱন-অভিজ্ঞতাৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে কবিতাৰ ভাষা আৰু বিষয়ৰো সলনি পৰিলক্ষিত হয়। তেখেতৰ কাব্য-জীৱনৰ এই তিনিটা পৰ্বৰ চমু আভাস তলত দাঙি ধৰা হ'ল, তেখেতৰ সমকালীন সমাজ-ৰাজনৈতিক পটভূমিয়ে কাব্য-যাত্ৰাত দিয়া প্ৰেৰণা আৰু প্ৰভাৱৰ বিভিন্ন দিশৰো আলোচনা কৰা হৈছে।

### ৩.৪.১ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ প্ৰথম পৰ্ব

মহেশ্বৰ নেওগে অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ প্ৰথম পৰ্বই ১৯০৭ চনৰ পৰা ১৯১৬ লৈ পৰিব্যাপ্ত হৈ আছে বুলি কৈছে।(পূৰ্বোল্লিখিত প্ৰবন্ধ) তেখেতৰ কবিতাৰ এই প্ৰথম স্তৰটোৰে 'তুমি', 'বীণা', 'বেণু' আৰু 'অনুভূতি'ৰো কিছু কবিতা সামৰি লৈছে। সত্যেন্দ্ৰনাথ শৰ্মাই প্ৰথম স্তৰৰ কবিতাসমূহ ১৯১০ চনৰ পৰা ১৯২০ চনৰ ভিতৰত লিখা বুলি কৈছে। তেখেতে অম্বিকাগিৰিৰ কবিতাক দুটা স্তৰত ভগাইছে। প্ৰথম স্তৰৰ কবিতা

সম্পৰ্কে তেখেতে লিখিছে—"এই স্তৰৰ কবিতাবোৰ ৰচিত হৈছিল ১৯১০ চনৰপৰা ১৯২০ চনৰ ভিতৰত। সন্ত্ৰাসবাদীৰ কবলৰ পৰা মুক্ত হৈ বৰপেটাত নজৰবন্দী হৈ থকা কালছোৱাতে সম্ভৱতঃ পাৰিবাৰিক সত্ৰীয়া পৰিৱেশত জগতৰ বিচিত্ৰ সৌন্দৰ্য্য আৰু সেই সৌন্দৰ্য্যৰ পোহাৰ মেলা, এক হৈও বহু ৰূপ ধাৰণ কৰা, পৰম সত্তাৰ অৱস্থিতি উপলব্ধি কৰে।"(*অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী*ৰ পাতনি) অম্বিকাগিৰীৰ সক্ৰিয় ৰাজনৈতিক জীৱন সৰুকালতেই আৰম্ভ হৈছিল। ১৯০৪ চনত বঙ্গ-বিচ্ছেদ বিৰোধী আন্দোলন হোৱাৰ সময়ত তেখেত যুৱক। সেইসময়তে *ভাৰতমাতা* শীৰ্ষক ৰাজনৈতিক নাটক লিখি তেখেতে চৰকাৰৰ ৰোষত পৰিছিল। বংগ ভঙ্গ আৰু বিদেশী বৰ্জন আন্দোলনৰ সময়ত বঙ্গৰ অনুশীলন সমিতিৰ অনুকৰণত গুৱাহাটীত এনাৰ্কিষ্ট দল গঠনৰ বাবে কৰা চেষ্টাৰ বাবে তেখেত বৰপেটাত নজৰবন্দী হৈ থাকিবলগীয়া হয়। ডেকা অম্বিকাগিৰীৰ মন আৰু প্ৰাণত তেতিয়া সমান্তৰালকৈ বৈ আছিল দেশপ্ৰেম আৰু ৰোমান্টিক ভাৱোচ্ছাসৰ দুই সুঁতি। এই সময়ছোৱা তেখেতৰ কাব্যচৰ্চাৰ দিশৰপৰা গুৰুত্বপূৰ্ণ। ১৯১৫ চনত *তুমি*, ১৯১৬ চনত *বীণা*ৰ প্ৰকাশ হয়।

কবি অম্বিকাগিৰীৰ প্ৰথম পৰ্বৰ কবিতা চৰ্চাক তেখেতৰ কৈশোৰ কালৰ প্ৰেমৰ স্মৃতি আৰু বৰপেটাৰ আধ্যাত্মিক পৰিৱেশে গভীৰভাৱে প্ৰভাৱান্বিত কৰিছে। আত্মকথা *মোৰ জীৱন ধুমুহাৰ এছাটিত* "তুমি'ৰ উৎস' শীৰ্ষক অংশত অম্বিকাগিৰিয়ে নিজৰ উন্মাদ কিশোৰ-প্ৰেমৰ কথা মুকলিকৈ ব্যাখা কৰিছে। এফালে দেশৰ সেৱাৰ বাবে জঁপিয়াই পৰাৰ আহ্বান আৰু আনফালে প্ৰেমিকাৰ প্ৰতি থকা নিভাঁজ প্ৰেমৰ প্ৰকাশৰ বাবে প্ৰেমৰ চানেকীস্বৰূপে বাওঁহাতৰ কেঞ্চা আঙুলিৰ এপাব কাটি প্ৰেয়সীক উপহাৰ দি তেখেতে লিখিছিল— "তোমাক মই ভালপোৱা মোৰ এই সত্যটোৰ প্ৰতি তোমাৰ বিশ্বাস জন্মাই তোমাক মোৰ জীৱনত নেহৰুৱাবলৈকেই তাৰ প্ৰত্যক্ষ চিনস্বৰূপে মই আজি মোৰ বাওঁহাতৰ কেঞ্চা আঙুলিটোৰ এপাব কাটি, তুমি মোক উপহাৰ দিয়া ৰূপৰ টেমাটোতে ভৰাই তোমাক উপহাৰ দিলোঁ। তুমি মোৰ দেশসেৱাৰ কামত মোক অনুপ্ৰাণিত কৰি চিৰকাল মোৰ হাতত বন্ধ হৈ থাকি মোৰ লগে লগে থাকিবা।"( *মোৰ জীৱন ধুমুহাৰ এছাটি*, পৃ. ১৭৯) দেশৰ হকে কাম কৰিবৰ বাবে ডেকা অম্বিকাগিৰি গুচি অহাৰ পাছতে প্ৰেয়সীৰ বিয়া হৈ গ'ল আৰু সেই প্ৰেমৰ স্মৃতিয়েই আছিল তেখেতৰ *তুমি* আৰু *বীণা* কাব্যৰ প্ৰেৰণা— "..তেওঁৰ স্মৃতিয়ে মোৰ ভাব-জগতত তুলিলে এক অভূতপূৰ্ব্ব আলোড়ন। এফালে এপাব নোহোৱা আঙুলিটোৱে সঘনাই সোঁৱৰাই দিয়া তেওঁৰ স্মৃতিৰ সোঁত আৰু আনফালে দেশপ্ৰেমৰ প্ৰৱল ধাৰে মোৰ মনক মোৰ অজ্ঞাতসাৰে কোনোবা সাগৰত পেলাইছিল।

সেই ভাব সাগৰত উটি বুৰি লাভ কৰা অভিজ্ঞতাই "তুমি" আৰু "বীণা" কাব্যৰ প্ৰেৰণা। (উল্লিখিত, পৃ.১৮০) কবিৰ প্ৰেমৰ গভীৰতাৰ উমান তেখেতৰ আত্মজীৱনীৰ এনে বৰ্ণনাৰ পৰাই পাব পাৰি। কিন্তু অম্বিকাগিৰিৰ প্ৰেমৰ কবিতা সচৰাচৰ ৰোমান্টিক প্ৰেমৰ কবিতাতকৈ বহুক্ষেত্ৰত পৃথক আছিল। সেয়েহে ডিম্বেশ্বৰ নেওগে 'তুমি'য়ে 'অসমীয়া কাব্যজগতত নতুন ধাৰা বোৱালে' বুলি মন্তব্য কৰিছিল। অম্বিকাগিৰিৰ প্ৰেমৰ কবিতাত থকা এই নতুনত্ব আৰু মৌলিকতাৰ আঁৰত তেখেতে সেই সময়ত অতিবাহিত কৰা বৰপেটাৰ আধ্যাত্মিক পৰিৱেশৰ প্ৰভাৱ আছিল বুলি কেইবাগৰাকী সমালোচকে মন্তব্য কৰিছে। বৰপেটাৰ বৈষ্ণৱ পৰম্পৰাৰ আধ্যাত্মিক পৰিৱেশৰ মাজত যিহেতু তেখেতে এই সময়ছোৱা অতিবাহিত কৰিছিল, সেয়েহে এই সময়ছোৱাৰ কাব্য-ভাৱনাত আধ্যাত্মিক চেতনাৰ উপস্থিতি লক্ষ্যণীয়। *তুমি*ৰ পাতনিত তেখেতে লিখিছে—"...বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্ভ্ৰান্ত প্ৰেমটোৱেই শেষত সমজাতীয় সহানুভূতি আৰু অনুভূতিৰ ভিতৰেদি প্ৰকৃতিৰ উদাৰ সৌন্দৰ্য্য অতিক্ৰম কৰি, বিৰহ অভিমান আদি নানা অৱস্থাৰ মাজেদি সকলোবিলাক আসক্তিৰ হাত এৰাই অনন্তৰ লগত সান-মিহলি হৈ পৰে।" পাতনিত কোৱাৰ দৰেই তেখেতে প্ৰেমৰ অনিৰ্বচনীয় সৌন্দৰ্য্যৰ উপলব্ধিৰ মাজেদি *তুমি*ৰ মাধ্যমেৰে সেই অনুভূতিক ৰহস্যময় বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰেক্ষাপটলৈ পৰিব্যাপ্ত কৰিছে। বৰপেটাকেন্দ্ৰিক সামাজিক-আধ্যাত্মিক পৰিৱেশৰ দ্বাৰা প্ৰভাৱিত কবিৰ এই কবিতাৰাজি সেয়েহে প্ৰেমৰ গভীৰতাৰ দেহাতীত উপলব্ধি আৰু প্ৰেমৰ সীমাহীন ৰহস্যৰ আধ্যাত্মিক অনুসন্ধানৰ সাৰ্থক প্ৰতিফলন। মহেশ্বৰ নেওগৰ ভাষাত—"....'তুমি' আৰু 'বীণা'। এই দুয়োখন পুথিয়েই "বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদভ্ৰান্ত প্ৰেমটোৰ" বিকাশ। অৱশ্যে ইবোৰে ছেলী, বাইৰণৰ কাব্যৰ নিচিনা কামজ প্ৰেমৰ গণ্ডীৰ ভিতৰত আৱদ্ধ নাথাকি, ইন্দ্ৰিয়গ্ৰাহ্য সম্ভোগকৰ ভিত্তিত ইন্দ্ৰিয়াতীত অনুভূতিত পৰিণত হৈ, জাগতিক আসক্তিৰ ক্লেশৰ হাত এৰাই, অনন্তৰ ভূমা সৌন্দৰ্য্যত সান-মিহলি হৈ যাবলৈ প্ৰয়াস বিচাৰিছে। সুন্দৰী বিয়েট্ৰিচৰ 'স্বৰ্গীয় নয়ন' দুটিয়ে ইটালীৰ মহাকবি ডান্টেক চৈধ্য ভুৱন আৰু ভগৱন্তৰ ৰূপ দেখুৱাৰ দৰে, আমাৰ কবিকো উদ্ভিন্ন-যৌৱনা যুৱতীৰ মদন পিছলি পৰা সৌন্দৰ্য্য-প্ৰপঞ্চই জগতৰ সকলো সৌন্দৰ্য্যৰ মাজত বিহাৰ কৰাইছে আৰু শেষত অনন্তৰ লগত সাক্ষাৎ কৰাব খুজিছে। কবিতাবোৰ মিষ্টিক্-ভাৱাপন্ন। উপলব্ধ সৌন্দৰ্য্য আৰু প্ৰেমে কবিক সুখ দিব পৰা নাই, তেওঁৰ divine despair 'হৃদয় ৰোগ' হৈ পৰিছে।—

বিয়াকুল কৰি আহি অনন্ত চেতনা
সৰজে উদাস এটি বিৰাট বেদনা।

(পূৰ্বোল্লিখিত প্ৰবন্ধ)

সেয়েহে ৰহস্যময় আধ্যাত্মিক চেতনাৰে সমৃদ্ধ হৈওঁ ‘তুমি’ প্ৰেমৰ কবিতা, প্ৰেমৰ কবিতা হৈও ‘তুমি’ আধ্যাত্মিকতাৰ কবিতা। বাণীকান্ত কাকতিৰ ভাষাত—“‘তুমি’ কাব্য ৰায়চৌধুৰীৰ আধ্যাত্মিকতাৰ উজ্জ্বল চানেকী। ‘তুমি’ কাব্যক কবিৰ বিশ্বৰূপ দৰ্শন বুলি ক’ব পাৰি।...ৰায় চৌধুৰীৰ ‘তুমি’ গুৰিৰ পৰাই বিশ্বনাথৰ স্বৰূপ। ‘সকলো তুমিয়ে নাথ, জগতত দেখিছোঁ যিমান।’ কিন্তু এই স্বৰূপৰ প্ৰথম কলাই হৈছে প্ৰেমিকাৰ বিচিত্ৰ সৌন্দৰ্য্যচ্ছটা। সাতোটা ৰশ্মিৰ সমষ্টিত সূৰ্য্যৰ সকলো পোহৰ প্ৰকাশ হোৱাৰ দৰে ‘তুমি’ কাব্যৰ সাতোটা ছেদত কৰিৰ কল্পিত বিশ্বনাথৰ বিশ্ব সৌন্দৰ্য্যৰ সাতোটা কলা প্ৰকাশ হৈছে।” (*তুমি*ৰ পাতনি)

দ্বিতীয় কবিতা সংকলন *বীণা, তুমি*ৰ চেতনাৰেই সম্প্ৰসাৰিত ৰূপ। তুমি এটা দীৰ্ঘাতয়ন কবিতা হোৱাৰ বিপৰীতে *বীণা* এশ আঠাশীটা আধ্যাত্মিক বিৰহ-বিজড়িত কবিতাৰ সমষ্টি। *বীণা*ৰ কবিতাসমূহৰ আলোচনা প্ৰসংগত সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে—“বিৰহানুভূতিৰ বিভিন্ন আৰু বিচিত্ৰ mood কবিতাবোৰত প্ৰকাশ হৈছে। বিৰহৰ তপ্তদগ্ধ বেদনা, সঁহাৰি নিদিয়া প্ৰিয়তমাৰ নিৰ্দয়তা, তেওঁৰ সান্নিধ্যত ৰিক্ত জীৱন পূৰ্ণ কৰাৰ কামনা, তেওঁৰ অবিচাৰ প্ৰেমৰ গামোচাৰে চৰণ-মলচি অভ্যৰ্থনা জনাবৰ হেঁপাহ, সুৰমাধুৰীৰ সাগৰ সৃষ্টি কৰি প্ৰিয়জনাক আকৰ্ষণ কৰিবলৈ প্ৰবল আকাংক্ষা কিছু কবিতাত প্ৰকাশ পাইছে. জোনাকৰ মৌসনা ঢৌ ফালি প্ৰিয়তমাৰ সুখ ভাহি আহি কবিৰ বিৰহাগ্নি জ্বলাই তোলে। প্ৰিয়তম অসীম সৌন্দৰ্য্যৰ ভঁৰাল, কবি কুৰূপ, সেই কাৰণেই অৱহেলা কৰা বুলি কবিৰ সন্দেহ জন্মিছে, তথাপি তেওঁৰ ৰসভৰা অন্তৰ এবাৰ পৰখি চাবলৈ অনুৰোধ কৰিছে। আকাশৰ নীলিমাৰ আঁৰত মিঠা হাঁহিভৰা প্ৰিয়জনৰ মুখৰ ৰেখাহে কবিয়ে দেখা পাইছে। যদি ভগা ঘৰ বুলি প্ৰিয়জন তেওঁৰ ওচৰলৈ আহিবলৈ সংকোচ কৰিছে তেন্তে হৃদয়ত ফুলি থকা প্ৰেম সতদলৰ আঁৰত আত্মগোপন কৰিব পাৰিব। কবিৰ দৃঢ় বিশ্বাস যে তেওঁক উপেক্ষা কৰিলে প্ৰিয়জনৰ অন্তৰতো সমানেই বিৰহৰ জুই জ্বলিব।”(*অম্বিকাগিৰি ৰায়চৌধুৰী ৰচনাৱলী*ৰ পাতনি) কবিৰ *অনুভূতি*(১৯৫৪) কাব্য-সংকলনৰ অন্তৰ্গত ১৯১৭ চনৰ আগত লিখা কবিতাসমূহেও তুমি-বীণাৰ চেতনাক বহন কৰিছে।

### ৩.৪.২ অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ দ্বিতীয় পৰ্ব

অম্বিকাগিৰি ৰায়চৌধুৰীৰ ৰাজনৈতিক জীৱনৰ দ্বিতীয়টো স্তৰ আৰম্ভ হয় ১৯১৬ চনৰ পৰা। মহেশ্বৰ নেওগৰ ভাষাত ১৯১৬ চনত প্ৰকাশিত 'জগতৰ শেষ আদৰ্শ'ৰ পৰা। (পূৰ্বোল্লিখিত প্ৰবন্ধ) এই সময়ছোৱাৰ পৰা তেখেতৰ ৰাজনৈতিক সক্ৰিয়তা অধিক বৃদ্ধি পায়। ১৯১৮ চনত অৰুণা প্ৰেছ স্থাপন কৰে আৰু ১৯১৯ চনৰ পৰা তেখেতৰ উদ্যোগত *চেতনা*ৰ প্ৰকাশ হয়। অসমীয়া সাহিত্যৰ লগতে অসমীয়া সামাজিক-ৰাজনৈতিক ইতিহাসতো *চেতনা*ৰ স্থান বিশেষভাৱে গুৰুত্বপূৰ্ণ। *চেতনা*ৰ জৰিয়তে অসমীয়া সংবাদপত্ৰৰ ইতিহাসত এক জাতীয়তাবাদী ধাৰাৰ সূচনা হৈছিল। ১৯২০ চনত মহাত্মা গান্ধীৰ অসম-ভ্ৰমণ কৰাৰ পাছতে ১৯২১ চনৰ পৰা সূচনা হোৱা অসহযোগ আন্দোলনত অম্বিকাগিৰিয়েও সক্ৰিয়ভাৱে যোগদান কৰে আৰু সেই বছৰতে কাৰাবৰণ কৰে। এই সন্ধিক্ষণৰ পৰা অম্বিকাগিৰিৰ চেতনাৰো পৰিৱৰ্তন হয়। মহেশ্বৰ নেওগৰ ভাষাত—"কাৰাবাসে অস্কাৰ ৱাইল্ডৰ দুৰন্ত হৃদয় শাঁত কৰি 'Ballad of the Reading God' আৰু 'De Profundis'ৰ জন্ম দিয়াৰ দৰে, আমাৰ কবিকো সম্পূৰ্ণ নতুন এক চিন্তাত অভিভূত কৰি পেলালে, তেওঁ আগতকৈও তীব্ৰভাৱে অনুভৱ কৰিলে, "জাতি মোৰ তেজ, জাতি মোৰ মঙহ, জাতি মোৰ অস্থি, জাতি মোৰ মজ্জা। জাতিৰ গতি যিফালে সেইফালে কাতি হোৱাটো মোৰ অনিবাৰ্য্য কথা।"(পূৰ্বোল্লিখিত প্ৰবন্ধ) ১৯১৯ চনৰ জালিয়ানৱালাবাগৰ হত্যাকাণ্ড, ১৯২৬ চনৰ পাণ্ডুত বহা জাতীয় কংগ্ৰেছৰ অধিৱেশন (য'ত অম্বিকাগিৰিৰ "আজি কাৰ কি আৱাহন' আৰু 'বন্দো কি ছন্দেৰে' গীত দুটা গোৱা হৈছিল), ১৯২৭ চনৰ পৰা তীব্ৰতৰ হোৱা সংৰক্ষিণী সভাৰ আন্দোলন, *ডেকা অসম*ৰ প্ৰকাশ—আদি ঘটনাপ্ৰৱাহেৰে ঘটনাবহুল ১৯১৬-১৯৩৫ সময়ছোৱাক তেখেতৰ কাব্যজীৱনৰ দ্বিতীয় পৰ্ব বুলিব পাৰি। ৰাজনৈতিকভাৱে ঘটনাবহুল এই সময়ছোৱাত কবিতাৰ সংখ্যা কম আৰু পুথি আকাৰে কোনো কবিতাপুথিৰো প্ৰকাশ হোৱা নাই। সাহিত্যচৰ্চাৰ প্ৰতি দিবলগীয়া গুৰুত্ব এই সময়খিনিত নিদিয়াৰ বাবে তেখেত সমালোচিতও হৈছিল। তেখেতৰ ভাষাত—"ইং ১৯১৬ চনত ৰাজৰোষৰ বেড়ী গাৰ পৰা খহি পৰাত, পুনৰ ৰাজনৈতিক কোঢ়ালৰ মাজত মোৰ গতি সোমাই পৰে। তেতিয়া বহুজন বন্ধুই মোৰ ওপৰত বিতুষ্ট হৈ মন্তব্য প্ৰকাশ কৰে, যে মই সাহিত্য ক্ষেত্ৰৰ পৰা ৰাজনীতিত সোমোৱাটো অন্যায় হৈছে, আৰু সেইবাবে মই হেনো অসম মাতৃৰ নষ্ট-লৰা (Spoilt Child)।" ৰাজনৈতিক সক্ৰিয়তাৰ মাজতে এই সময়ছোৱাত লিখা অম্বিকাগিৰীৰ কেইবাটাও কবিতাই তেখেতৰ কবিতালৈ অহা পৰ্বান্তৰক প্ৰতিনিধিত্ব কৰিছে। এই সময়ছোৱাৰ কবিতা আৰু

গীতত স্বাভাৱিকতেই ৰাজনৈতিক চেতনা প্ৰৱল। তদুপৰি দীৰ্ঘকালীন সংগ্ৰামী জীৱন আৰু জাতীয়তাবাদী ভাৱাদৰ্শৰ দ্বাৰা গঢ়ি উঠা জীৱনবোধো কবিতাৰ জৰিয়তে প্ৰকাশিত হৈছে। *তুমি-বীণা*ৰ অতীন্দ্ৰিয় ভাৱ-চেতনাৰ পৰা আঁতৰি আহি কবিয়ে বাস্তৱ-চেতনাৰে কবিতা লিখিবলৈ আৰম্ভ কৰিছে। জালিয়ানৱালাবাগৰ হত্যাকাণ্ড প্ৰত্যক্ষ কৰি কবিয়ে লিখিছে—

জাগ জাগ জাগ ভাৰত সন্তান, হিন্দু-মুছলমান জাগ
মুক্ত শঙ্খ বাজে গাজে ভেদি
লক্ষ ভ্ৰাতাৰ হিয়াৰ তেজেদি
ৰঞ্জিত হোৱা জালিৱানাবাগ।

'জীৱনৰ ৰূপ', 'মানৱাতয়ন', 'গঢ়া কৰি মোক ঝাডুদাৰ', 'জীৱনৰ প্ৰয়োজন'— আদি কবিতা এই নতুন পৰ্বৰ গুৰুত্বপূৰ্ণ সৃষ্টি। 'মানৱায়তন'ত তেখেতে বিশ্বভাতৃত্ববোধৰ বাৰ্তা প্ৰকাশ কৰিছে। সকলো সংকীৰ্ণতা অতিক্ৰম কৰি বিশ্ব-মানৱৰ কল্যাণাৰ্থে আগবাঢ়ি অহাৰ আহ্বান দিছে—

এই ধৰণীত গোট খোৱা এই
শক্তি সমল লৈ
বীৰদাপেৰে গ্ৰহান্তৰত
তেজ মঙহে গৈ
পাৰিলেহে উপনিৱেশ
স্থাপন কৰি ল'ব
মানৱ জাতিৰ মান গৌৰৱ
নিত্য নতুন হ'ব। (*মানৱায়তন*)

আইন অমান্য আন্দোলনৰ সমাপ্তিৰ পিছতে তেখেতৰ কবিতাৰ এই পৰ্বৰো অৱসান ঘটিছে। মহেশ্বৰ নেওগৰ ভাষাত—"কবিৰ কাব্যই ক'বলগীয়া প্ৰায় সকলোখিনি কথা এইখিনিতে শেষ পৰিছে।'(পূৰ্বোল্লিখিত প্ৰবন্ধ)

**৩.৪.৩ অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতাৰ তৃতীয় পৰ্ব**

১৯৩০-৩১ ৰ আইন-অমান্য আন্দোলনৰ পৰৱৰ্তী সময়ত(আনুমানিক ১৯৩৫ চন মানৰপৰা) অম্বিকাগিৰিৰ জীৱনাদৰ্শতো কিছু পৰিৱৰ্তন আহে। আইন অমান্য

আন্দোলনৰ পৰা স্বাধীনতা লাভৰ সময়পৰ্যন্ত লিখা কিছু কবিতা তেখেতৰ *অনুভূতি* (১৯৫৪) কবিতা পুথিত সংকলিত হৈছে। পঞ্চাছ চনৰ পাছত লিখা কবিতাসমূহ ক্রমে *স্থাপন কৰ স্থাপন কৰ* (১৯৫৮), *বেদনাৰ উল্কা* (১৯৬৪), *দেশেই ভগৱান* (১৯৬৫) আৰু *বাণী বিদ্যুত* (মৰণোত্তৰভাৱে প্রকাশিত) কবিতা-পুথিত সংকলিত হৈছে। এই স্তৰত কবিয়ে নতুন কথা কোৱা নাই বুলিবই পাৰি। মহেশ্বৰ নেওগৰ মতে আইন অমান্য আন্দোলন পৰৱৰ্তী কালৰ তেখেতৰ কবিতাসমূহ 'প্ৰথম দুটা স্তৰৰে বিস্তৃত অংশ'। *অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৰ্মৰ সমীক্ষাত্মক অধ্যয়ন* শীৰ্ষক গ্ৰন্থত তিলক বৰাই 'কবিতাৰ বেলিমাৰ পৰ্ব' বুলি অভিহিত কৰিছে।

**আত্মমূল্যায়ন প্রশ্ন**

অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ তিনিটা পৰ্বৰ পটভূমি আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ।

..............................................................................................

..............................................................................................

..............................................................................................

..............................................................................................

### ৩.৫ 'মোৰ বীণা' কবিতাৰ আলোচনা

'মোৰ বীণা' অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'বীণা' কবিতা-পুথিৰ অন্তৰ্গত প্ৰথমটো কবিতা। তেখেতৰ কাব্যজীৱনৰ প্ৰথম পৰ্বৰ কবিতা হিচাপে এই কবিতাটো প্ৰথম পৰ্বৰ কবিতাৰ আলোচনা কৰি অহা পটভূমিয়ে ক্ৰিয়া কৰিছে আৰু প্ৰথম পৰ্বৰ কবিতাৰ লক্ষণসমূহ পৰিলক্ষিত হৈছে। *বীণা*ৰ 'উছৰ্গা' হিচাপে অম্বিকাগিৰীয়ে লিখিছে—"আকাশতকৈ উদাৰ, আলোকতকৈও উজ্জ্বল, প্ৰেমতকৈও পৱিত্ৰ, ভক্তিতকৈও কোমল, তত্ত্বতকৈও গভীৰ যি সুন্দৰীৰ সৌন্দৰ্য্যত মোৰ অন্তৰ্জ্জগত সদায় উদ্ভাসিত হৈ আছে সেই চেনেহী সাদৰীৰ শ্ৰীচৰণত মোৰ পূজাৰ এই প্ৰীতিঃভৰা অঞ্জলি।" কবিৰ প্ৰেয়সীৰ সৌন্দৰ্যৰ এই বিৱৰণেই কবিৰ প্ৰেম-উপলব্ধিৰ মৌলিকতা আৰু গভীৰতাক প্ৰতিনিধিত্ব কৰিছে। কবিৰ প্ৰেমে পাৰ্থিৱ সীমাৰেখা অতিক্ৰমী প্ৰৱেশ কৰিছে এক ৰহস্যময় আধ্যাত্মিকতাৰ মাজত। কবি অম্বিকাগিৰিৰ এই দৃষ্টিভংগীয়েই তেখেতক এগৰাকী ৰোমান্টিক ৰহস্যবাদী কবি হিচাপে অসমীয়া কবিতাৰ ইতিহাসত এক সুকীয়া আসন প্ৰদান কৰিছে। *বীণা*ৰ পাতনিত তেখেতে

লিখিছে—“চাৰিওফালৰ পৰা চেপি ধৰা এই বৰ ডাঙৰ জগত খানৰ খুন্দা খাই, মোৰ অন্তৰ ফালি বাব সাগৰৰ যি দুই-চাৰি জোলোকা জৰি পৰিছে, তাৰ বাদে আন একো ইয়াত ঠাই পোৱা নাই।” কবিৰ এই মন্তব্যৰ পৰাই ‘বীণা’ৰ কবিতাসমূহৰ বিষয়বস্তু আৰু অৰ্ন্তহিত ভাৱৰ আভাস লাভ কৰিব পাৰি। দুখ-যন্ত্ৰণা-বিচ্ছেদ-হতাশা-প্ৰাপ্তিৰ আশা আদি ভাৱৰ সন্নিৱেশেৰে ‘বীণা’ হৈ পৰিছে কবি অম্বিকাগিৰিৰ বিৰহ-সংগীতৰ বীণা। সত্যেন্দ্ৰনাথ শৰ্মাই লিখিছে—“*তুমি* কাব্য সন্তুষ্টিৰ, *বীণা* কাব্য বিৰহ আৰু অসন্তুষ্টিৰ কাব্য। এই অসন্তুষ্টি আধ্যাত্মিক অসন্তুষ্টি আৰু এই আকাংক্ষা the desire of the moth of star’ “ৰূপতৃষ্ণা চিৰসুন্দৰৰ”। (*ৰচনাৱলী*ৰ পাতনি)

‘মোৰ বীণা’ কবিতাটোৰ মাধ্যমেৰে প্ৰকাশিত হৈছে প্ৰেয়সীৰ প্ৰতি থকা কবিৰ আন্তৰিক প্ৰেম। কবিৰ জীৱনৰ প্ৰথম পৰ্বৰ কবিতা ‘মোৰ বীণা’ত প্ৰেমৰ কবি অম্বিকাগিৰিৰ বলিষ্ঠ উপস্থিতি লক্ষ্য কৰা যায়, যিগৰাকী কবিয়ে প্ৰেয়সীৰ মাজতে বিশ্বৰূপ দৰ্শন কৰিছে, যিগৰাকী কবিয়ে প্ৰেয়সীৰ মাজতে আৱিষ্কাৰ কৰিছে ৰহস্যৰ গভীৰতা আৰু প্ৰেমৰ বিস্তৃতি। কবিতাটোত কবিৰ বিৰহ-স্মৃতি প্ৰকাশিত হৈছে। কবিয়ে নিজে যেনেকৈ ব্যথা ভৰা জীৱন-যন্ত্ৰণাক অনবৰতে কঢ়িয়াই লৈ ফুৰিছে, একেদৰে তেখেতৰ প্ৰেয়সীয়েও সেই বিৰহ কঢ়িয়াই লৈ ফুৰিছে বুলি অনুভৱ কৰিছে। —

সৌৱা সুনীল সিপাৰে বহি
কতনো যাতনা সহি
গান গাই গাই
মোৰে বাট চাই
কৰিছে আকুল হিয়া

প্ৰেয়সীৰ সৈতে কবিৰ বিচ্ছেদ কবিৰ বাবে অসহনীয়। কবিৰ এই ব্যথাভৰা জীৱনৰ দুখ-যন্ত্ৰণাৰ অৱসানৰ একমাত্ৰ উপায় হৈছে—প্ৰেয়সীৰে পুনৰ্মিলন। কবিৰ আত্মা পৰিতৃপ্ত হোৱাৰ এক মাত্ৰ পথেই যেন এইটো।

এই সময়ত আহি যদি তেওঁ সাদৰি আদৰি চুমাটি খায়,
জলাকালা হোৱা হৃদয়ৰ মোৰ তেহে যদি আৰু যাতনা যায়।

‘আকাশতকৈ উদাৰ’ প্ৰেয়সীৰ প্ৰতি কবি আজিও অপেক্ষাৰত। প্ৰেয়সীৰ আগমনেহে কবিক এই জীৱন যাপন কৰিবৰ বাবে সক্ষম কৰি তুলিব আৰু প্ৰেয়সীৰ ৰূপ দৰ্শন কৰি সময়ক জয় কৰাৰ শক্তি কবিয়ে আহৰণ কৰিব পাৰিব—

“আহিব আহিব বুলি
ৰাখিছোঁ দুৱাৰ খুলি

মোৰ হিয়া ভাঙা ৰঙা ৰেণু
বিৰহত পৰি
চাটি-ফুটি কৰি
আছ বাই বেথা-বেণু।
আহিলেই তাৰে বুকুত সাবটি ৰাখিম মোহিনী দুখনি গাল
সেই ৰূপ চাই শত জনমৰ যাতনা খেদাই জিনিম কাল।”

প্ৰেয়সীৰ প্ৰতি থকা কবিৰ এই প্ৰেম আকুলতা আত্মাই পৰমাত্মাৰ সৈতে মিলিত হোৱাৰ আধ্যাত্মিক আকাংক্ষাৰ সৈতে যেন একে। কবিৰ দৃষ্টিত কবিৰ প্ৰেয়সী এক মানৱী সত্তাই নহয়, এক অলৌকিক সত্তা। কবিৰ প্ৰেম কেৱল দেহজ প্ৰেমৰ আৱৰ্তত সীমাবদ্ধ নহয়, দেহাতীত। কবিৰ ৰহস্যবাদী কবিতাৰ সৈতে ৰবীন্দ্ৰনাথৰ *গীতাঞ্জলি*ৰ ভাৱৰ সাদৃশ্যও লক্ষ্যণীয়। এই প্ৰসংগত হীৰেন গোহাঁয়ে ‘অম্বিকাগিৰী আৰু মানৱায়তন’ শীৰ্ষক প্ৰবন্ধত লিখিছে—“অম্বিকাগিৰীৰ আত্মভিমানে কথাটো কেনেদৰে লয় ক’ব নোৱাৰোঁ—কিন্তু ই ধুৰূপ যে তেওঁৰ ৰহস্যবাদী কাব্যৰ আকৃতি-প্ৰকৃতিৰ লগত কবিগুৰুৰ ‘গীতাঞ্জলি’ৰ সাদৃশ্য ভালেখিনি। আধ্যাত্মিক আকাংক্ষাৰ উপমা স্বৰূপে পাৰ্থিৱ কামনাৰ আশ্ৰয় গ্ৰহণ, জীৱন-প্ৰৱাহৰ সৈতে এক অন্তহীন যাত্ৰা বা অভিযানৰ ৰিজনি, প্ৰকৃতিৰ লীলা-খেলাত বহুৰূপী একৰ ছায়াপাতৰ উপলব্ধি—অম্বিকাগিৰীৰ বহু কবিতাৰ মূলসুত্ৰ আৰু অনুভূতি ‘গীতাঞ্জলি’ৰ সগোত্ৰৰ। এইবোৰ বিষয়ত বেদান্তৰ বৰঙণি কিমান আৰু ৰোমান্টিক প্ৰতীচ্যৰ উপাদান কিমান সঠিককৈ কোৱা টান। যি আধ্যাত্মিকতাৰে উদ্বুদ্ধ হৈ দুয়ো কবিয়েই মানৱ-জীৱনক এক অসীম আকাংক্ষাৰ অংক বুলি ভাবিছে আৰু যাৰ অনুসিদ্ধান্ত স্বৰূপে অসীমৰ তৃষ্ণাক শ্ৰেয়ঃ প্ৰমূল্য বুলি গণ্য কৰিছে, তাৰ লগত গ্যেটেৰদৰে সংশয়বাদী চিন্তাধাৰাৰো যথেষ্ট মিল আছে। সেইদৰে দুখবিলাসত স্তব্ধ নহৈ সেই দুখক সগৌৰৱে বৰণ কৰি লোৱাই দুয়ো কবিৰে জীৱন ব্ৰত।(*হীৰেন গোহাঁই ৰচনাৱলী*, পৃ.৩২২)

**আত্মমূল্যায়ন প্ৰশ্নঃ**

অম্বিকাগিৰী ৰায়চৌধুৰীৰ ‘মোৰ বীণা’ কবিতাত কেনেদৰে ৰোমান্টিক প্ৰেম আৰু মিষ্টিক্ ভাৱনাৰ সমন্বয় সাধিত হৈ আলোচনা কৰাঁ।

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৩.৬ সাৰাংশ (Summing Up)

বহুমাত্রিক ব্যক্তিত্বসম্পন্ন কবি অম্বিকাগিৰীৰ ৰায়চৌধুৰীৰ কাব্যজীৱনতো কেইবাটাও স্তৰ পৰিলক্ষিত হয়। প্ৰথম স্তৰৰ কবিতাসমূহ প্ৰেম আৰু ৰহস্যভাৱৰ হোৱাৰ বিপৰীতে পৰৱৰ্তী কালৰ কবিতাসমূহত দেশপ্ৰেম আৰু জাতীয়তাবাদী ভাৱাদৰ্শই স্থান লাভ কৰিছে। *বীণা* কাব্যসংকলনৰ অন্তৰ্গত 'মোৰ বীণা' তেখেতৰ কাব্যজীৱনৰ প্ৰথম পৰ্যায়ৰ সৃষ্টি। কবিতাটোত প্ৰেয়সীৰ সান্নিধ্যৰ পৰা আঁতৰত থকা প্ৰেমিক হৃদয়ৰ বিৰহ পৰিলক্ষিত হৈছে। কবিৰ এই প্ৰেম-আৱেদন কেৱল মানৱীয় দেহজ প্ৰেমৰ মাজতে আৱদ্ধ নাথাকি আধ্যাত্মিক স্তৰত প্ৰৱেশ কৰিছে। অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰেমৰ কবিতাসমূহৰ এই ৰহস্যময়ী আৱেদনেই তেখেতক ৰোমান্টিক অসমীয়া কবিসমূহৰ মাজত এক সুকীয়া স্থান দিছে। অৱশ্যে মহেশ্বৰ নেওগে কোৱাৰ দৰে—"তেওঁৰ আদি জীৱনৰ ৰহস্যবাদী আদৰ্শবাদ একপ্ৰকাৰ পলায়নী(escapist) মনোবৃত্তিৰো পৰিচায়ক।"(পূৰ্বোল্লিখিত প্ৰবন্ধ) কিন্তু তেখেতৰ পাছৰফালৰ বহু কবিতাত মানৱ-প্ৰেম আৰু সমাজ-বাস্তৱৰ উপলব্ধি লক্ষ্যণীয়। কিন্তু—"মানৱ-প্ৰেমৰ সমান্তৰালভাৱে "অপবিত্ৰতা- পাপ, আৰু নিজৰ দেশ আৰু মানৱ জাতিৰ বিৰোধী শক্তি বিলাকৰ প্ৰতি সদায় এক জ্জ্বলন্ত ঘৃণাও আছে।"(পূৰ্বোল্লিখিত প্ৰবন্ধ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন-অভিজ্ঞতা আৰু আদৰ্শৰ বৈচিত্ৰ্যই তেখেতৰো কবিতাকো বৈচিত্ৰ্য আৰু অভিনৱত্ব প্ৰদান কৰিছে। কিন্তু মূলতঃ তেখেত এগৰাকী—ৰহস্যবাদী কবি। এই ৰহস্যবাদক প্ৰেমমূলক ৰহস্যবাদ বুলিব পাৰি।

### ৩.৭ আৰ্হি প্ৰশ্ন (Sample Question)

১. "অম্বিকাগিৰীৰ জীৱনবোধ আৰু জীৱনাদৰ্শ তিনিটা বিশেষ পৰ্বত ব্যাপ্ত হৈ আছে আৰু তেখেতৰ কাব্যজীৱনকো ই তিনিটা পৰ্বত বিভক্ত কৰিছে"—এই মন্তব্যৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি অম্বিকাগিৰী ৰায়চৌধুৰী কবিতাৰ এক আলোচনা আগবঢ়োৱা।

২. অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰ ৰহস্যবাদী সুৰ 'মোৰ বীণা' কবিতাৰ জৰিয়তে কেনেদৰে প্ৰকাশিত হৈছে সেই বিষয়ে আলোচনা কৰাঁ।

৩. ৰোমান্টিক কবিতা হিচাপে অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মোৰ বীণা' কবিতাৰ মূল্যায়ন কৰাঁ।

## ৩.৮ গ্ৰন্থপঞ্জী (References/Suggested Readings)

গোস্বামী, ৰঞ্জিৎ কুমাৰ দেৱ, *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পঞ্চম খণ্ড, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম, ২০১৫।

দাস, শোণিত বিজয় আৰু মুনীন বায়ন, সম্পা., *হীৰেন গোহাঁই ৰচনাৱলী*(প্ৰথম খণ্ড), কথা, ২০০৯।

নেওগ, মহেশ্বৰ, 'কবি অম্বিকাগিৰী ৰায়চৌধুৰী', *নিৰ্বাচিত অসমীয়া গদ্য*, অৰ্পনা কোঁৱৰ, সম্পা.বনলতা, ২০১৯।

বৰা, তিলক, *অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন*, দিব্য প্ৰকাশন, ২০০১।

শৰ্মা, সত্যেন্দ্ৰনাথ, *অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী*, অসম প্ৰকাশন পৰিষদ, ১৯৮৬।

*****

## চতুৰ্থ বিভাগ

## কবি দেৱকান্ত বৰুৱাৰ কবিতা 'অপ্ৰকাশ'

**বিভাগৰ গঠনঃ**

৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ দেৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক আলোচনা

৪.৪ দেৱকান্ত বৰুৱাৰ কবিতা 'অপ্ৰকাশ'

৪.৫ সাৰাংশ (Summing Up)

৪.৬ আৰ্হি প্ৰশ্ন (Sample Question)

৪.৭ গ্ৰন্থপঞ্জী (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

দেৱকান্ত বৰুৱাক(১৯১৪-১৬) অসমীয়া ৰোমান্টিক কবিতাৰ ধাৰাটোৰ শেষৰজন কবি বুলি ক'ব পাৰি। অসমীয়া কবিতাৰ ৰোমান্টিক যুগ আৰু আধুনিক যুগৰ সন্ধিক্ষণত কবিতাৰ চৰ্চা কৰা দেৱকান্ত বৰুৱাই অসমীয়া ৰোমান্টিক কবিতাক এক নতুন আয়তন প্ৰদান কৰে। পূৰ্বৰ ৰোমান্টিক কবিসকলৰ প্ৰেম চেতনাৰ সৈতে দেৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰেম-চেতনাৰ পাৰ্থক্য স্পষ্ট। দেৱকান্ত বৰুৱাই প্ৰেমৰ স্বৰ্গীয় ৰূপৰ উপলব্ধিত নিমজ্জিত হৈ নাথাকি প্ৰেমৰ জাগতিক আৰু দেহজ ৰূপৰ উপস্থাপনেৰে ৰোমান্টিক কবিতাক নতুন মাত্ৰা দিয়ে। ৰোমান্টিক কবিতাৰ মূলধাৰাৰ পৰা আঁতৰি আহি এক নব্য ৰোমান্টিক চেতনাৰে দেৱকান্ত বৰুৱাই প্ৰেমৰ এক নতুন বাৰ্তা তেখেতৰ কবিতাৰ মাজেৰে দিবলৈ সক্ষম হৈছে। নাৰী-পুৰুষৰ প্ৰেমৰ দেহজ উপস্থাপনৰ লগতে তেখেতৰ কবিতাত দেশ-প্ৰেমৰো সাৰ্থক প্ৰকাশ লক্ষ্যণীয়। কবি দেৱকান্ত বৰুৱাৰ কেইবাটাও কবিতাত গভীৰ দেশপ্ৰেমৰ প্ৰকাশ ঘটিছে। তদুপৰি সমসাময়িক সামাজিক অৱক্ষয়ৰ প্ৰতি ব্যংগও তেখেতৰ কবিতাৰ মাজেৰে প্ৰকাশিত হৈছে। দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা পুথি— *সাগৰ দেখিছা*(১৯৪৫)। য'ত পয়ত্ৰিছটা কবিতা অন্তৰ্গত হৈছে। তেখেত আৱাহন যুগৰ শ্ৰেষ্ঠ কবি।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- কবি দেৱকান্ত বৰুৱাৰ কাব্য-কৃতিৰ আৰু তাৰ পটভূমি সম্পৰ্কে অৱগত হ'ব পাৰিব,
- নিৰ্বাচিত 'অপ্ৰকাশ' কবিতাৰ বিষয়বস্তু আৰু অন্তৰ্নিহিত ভাৱৰ পৰিচয় লাভ কৰিব পাৰিব,
- অসমীয়া কবিতাৰ ৰোমান্টিক যুগৰ এগৰাকী বিশিষ্ট কবি হিচাপে দেৱকান্ত বৰুৱাৰ কবিতাৰ বিশেষত্ব আৰু মৌলিকতাৰ পৰিচয় লাভ কৰিব পাৰিব।

## ৪.৩ দেৱকান্ত বৰুৱাৰ কবিতাৰ সামগ্ৰিক আলোচনা

অসমীয়া ৰোমান্টিক কবিতাৰ ক্ষেত্ৰখনত দেৱকান্ত বৰুৱাৰ কবিতা এক অভিনৱ সংযোজন। বিষয়বস্তু আৰু প্ৰকাশভংগীৰ দিশৰ পৰা দেৱকান্ত বৰুৱাৰ কবিতাই অসমীয়া ৰোমান্টিক কবিতাক ভাৱঘন আৰু ৰসঘন ৰূপ প্ৰদান কৰে। মাত্ৰ এখন কবিতা-পুথি *সাগৰ দেখিছা*ৰে অসমীয়া ৰোমান্টিক কবিতাৰ ক্ষেত্ৰখনলৈ দেৱকান্ত বৰুৱাই নতুন প্ৰৱাহ বোৱাই আনে। যুগসন্ধিৰ কবি দেৱকান্ত বৰুৱা যেনেকৈ অসমীয়া ৰোমান্টিক কবিতাৰ ঐতিহ্যৰ অন্তিমস্তৰৰ কবি, একেদৰে আধুনিক চেতনাৰো উত্তৰসুৰী। সেই সূত্ৰেই তেখেত 'দোমোজাৰ কবি'।

তেখেতৰ কবিতাত এক বিস্তৃত কাব্যিক পৰম্পৰাৰ সুৰ শুনিবলৈ পোৱা যায়। উপেন্দ্ৰনাথ শৰ্মাৰ ভাষাত—"তেওঁৰ কবিতাত সমগ্ৰ ৰবীন্দ্ৰোত্তৰ যুগৰ সুৰ একেলগে বাজিছে।"(*অসমীয়া সাহিত্যৰ বুৰঞ্জী,* পঞ্চম খণ্ড, পৃ.২১৫)। আনহাতে, ভৱেন বৰুৱাৰ মতে—"বিশৰ দশকৰ বংগীয় কবিতাত (মোহিতলালাল কবিতাত, বুদ্ধদেৱ বসুৰ 'বন্দীৰ বন্দনা' আদিত) দেখা দিয়া দেহবাদৰ ফালেই 'ওমৰখায়াম'ৰ সুৰাবাদী-ভোগবাদে যেন দেৱকান্তৰ কবিতা ঢাল খাইছিলঃ 'বুভুক্ষু দেৱতা কাম গৰজিছে বিশ্বজুৰি', 'আমাৰ কাৰণে কান্দে গাভৰুৰ ওঁঠৰ লালিমা' আদি। (*অসমীয়া কবিতাঃ বিৱৰ্তনৰ পৰ্ব,* পৃ.১১৬) তদুপৰি ইংৰাজী কবিতাৰ অনুপ্ৰেৰণা আৰু প্ৰভাৱো তেখেতৰ কবিতাৰ মাজত দেখা যায়। ইংৰাজী, বাংলা আৰু অসমীয়া শ্ৰেষ্ঠ কবিসকলৰ সৈতে পৰিচিতি আৰু অধ্যয়নেই ইয়াৰ কাৰণ। উল্লেখযোগ্য যে অসমীয়া ৰোমান্টিক কবিতাৰ শেষ-স্তৰৰ কবি দেৱকান্তৰ কবিতাৰ মাজত ইংৰাজী কবিতাৰ 'Late Romantic Period'ৰ টেনিচন, ব্ৰাউনিং, বাইৰন আদিৰ কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশভংগীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। এই স্তৰৰ ইংৰাজী কবিসকলৰ

মাজত প্ৰথম স্তৰৰ প্ৰকৃতি-প্ৰেমৰ বিপৰীতে শংকা, ভয়, হতাশা, বিস্ময়ৰ ভিন্ন ৰূপৰ উপস্থাপন পৰিলক্ষিত হয়। দেৱকান্ত বৰুৱাৰ 'দেৱদাসী'ৰ দৰে কবিতাৰ মাজতো সেই হতাশা আৰু বিস্ময়ৰ ৰূপায়ণ লক্ষ্যণীয়। ৰবাৰ্ট ব্ৰাউনিঙৰ কবিতাৰ নাটকীয় স্বগতোক্তি(dramatic monologue) দেৱকান্ত বৰুৱাই অসমীয়া কবিতাত পুনৰ্বিন্যাস কৰিছে। তদুপৰি দেৱকান্ত বৰুৱাৰ কবিতাত শুনিবলৈ পোৱা যায় পূৰ্বসুৰী কেইবাগৰাকী অসমীয়া কবিৰ কবিতাৰ ধ্বনি-প্ৰতিধ্বনি। ভৱেন বৰুৱাৰ ভাষাত—"পূৰ্বসুৰী ৰত্নকান্ত বৰকাকতী আৰু লক্ষ্মীনাথ ফুকনৰ কবিতাত ইতিপূৰ্বে প্ৰকাশ হোৱা ছন্দগত, ভাষাগত আৰু অনুভূতিগত কিছুমান পৰীক্ষা-নিৰীক্ষা আৰু বৈশিষ্ট্যই ত্ৰিশৰ দশকটোত দেৱকান্তৰ কবিতাত এক নিটোল ৰূপ লৈছিলহি। আন এজন পূৰ্বসুৰী যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰখায়াম'-এ ইতিপূৰ্বে অনা মৃত্যু-চেতনাৰ বতাহছাটি ('দুদিনীয়া মাথোঁ তুমি আৰু মই/ শেষত সকলো একতে লীন' আদি) এই কবিৰ কবিতাৰ মাজেৰেও বৈ গৈছিল ( 'তুমি আৰু মই সজা প্ৰেমৰ পৃথিৱীখনি/মৃত্যু তাৰ সীমা')। লগতে 'ওমৰখায়াম'—এই অনা সহযোগী ভোগবাদৰ বতাহছাটিও ('ভোগ সাগৰত মাৰা এটি বুৰয় প্ৰতি নিমেষতে ঘটিছে লয়' আদি) তাত পোৱা যায় (..ওঁঠতে লগাই ওঁঠ, মনোৰমা/তুমি আৰু মই। / আমিও মৰহি যাম? আদি)। 'ওমৰখায়াম'ৰ ('কোন সুন্দৰীৰ অতৃপ্ত বাসনা/ নীৰৱ চকুলো বুকুত লই/কৰুণ ৰসৰ সেউজীয়া সাজে/মাটি ভেদি চোৰা উঠিছে অ'ই') সুৰতে দেৱকান্তয়ো উপলব্ধি কৰে ঃ 'মানুহে বুজিব খোজে সেউজীয়া হিয়া ভেদি/ ধৰণীৰ জ্বলে কি অগনি।' (উল্লিখিত, পৃ. ১১৫-১৬)

প্ৰেম আৰু বিচ্ছেদ বিষয়ক ব্ৰাউনিঙৰ বিখ্যাত কবিতা 'লাষ্ট ৰাইড টুগেডাৰ'ৰ ভাৰৰ প্ৰতিধ্বনি দেৱকান্ত বৰুৱাৰ কবিতাৰ 'কলঙ্ পাৰত মাজনিশা'ত শুনিবলৈ পোৱা যায়। 'লাষ্ট ৰাউড্ টুগেডাৰ'ত যিদৰে চিৰবিদায়ৰ পূৰ্বে প্ৰেমিক-প্ৰেমিকা লগ হৈছে, একেদৰে 'কলঙ্ পাৰত মাজনিশা'তো বেলেগ পুৰুষৰ সৈতে বিয়াৰ আয়োজন হোৱা প্ৰেমিকাক প্ৰেমিকে শেষবাৰৰ বাবে লগ পাইছে। এনেদৰে কৰা প্ৰেমৰ বিনিময় পূৰ্বৰ অসমীয়া কবিতাত পৰিলক্ষিত নহয়। দেৱকান্ত বৰুৱাৰ কবিতাৰ প্ৰেমিক আগন্তুক বিচ্ছেদক সহজে গ্ৰহণ কৰিব পৰাকৈ প্ৰস্তুত আৰু প্ৰেমিকা বিয়াৰ পূৰ্বে মাজনিশা প্ৰেমিকক অকলশৰে নদীৰ পাৰত সাক্ষাৎ কৰি প্ৰেম আৰু যৌৱনৰ বিনিময় কৰিব পৰাকৈ সক্ষম। বিচ্ছেদ পূৰ্বৱতী সময়ত এহাল প্ৰেমিক-প্ৰেমিকাই মাজনিশা নদীৰ পাৰত কৰা প্ৰেম-অভিসাৰৰ এনে চিত্ৰণ সমকালীন প্ৰেক্ষাপটত নিঃসন্দেহে এক সাহসিকতা আছিল। কবিতাত

স্বতস্ফূৰ্তভাৱে আৰু আবুৰ নোহোৱাকৈ কামনা-বাসনাৰ কথা প্ৰকাশ কৰা দেৱকান্তৰ কবিতা সেয়েহে সমকালীন মধ্যবিত্ত অসমীয়াৰ বাবে গ্ৰহণযোগ্য নাছিল আৰু প্ৰগতিশীল আলোচনী *জয়ন্তী*ৰ পাতত সমালোচিতও হৈছিল।

'দেৱকান্ত বৰুৱাৰ কাব্যৰ বিষয়ে একাষাৰ' শীৰ্ষক প্ৰবন্ধত হীৰেন গোহাঁয়ে লিখিছে—ৰোমান্টিক অসমীয়া প্ৰেমৰ কবিতাত থকা ৰহস্যবাদী ধুঁৱলি-কুঁৱলি আৱৰণ গুচাই দেৱকান্তই প্ৰথমে স্পষ্ট ভাষাত দৈহিক আকৰ্ষণ তথা যৌন কামনা-বাসনাক স্বীকৃতি দিছিল—

নিপোটল বুকু, লাতুমণি ওঁঠ
দুয়োপাৰি দাঁত ডালিমগুটি
মৰুময় মোৰ জীৱনত সখি
তুমি কবিতাৰ একেটি সুঁতি।

(*হীৰেন গোহাঁই ৰচনাৱলী*, প্ৰথম খণ্ড, পৃ.৪৩৭)

কেৱল দেৱকান্ত বৰুৱাৰ মাজতে নহয়, সমসাময়িক বৌদ্ধিক পৰিমণ্ডলত দেহবাদী এনে চিন্তা-চৰ্চাৰ এটা পৰিৱেশ আৰম্ভ হৈছিল। সমসাময়িক নিবন্ধকাৰ মুনীন বৰকটকীয়ে 'কনফে'ছনছ'ত লিখিছে—"...শকুন্তলাক লৈ আমি বহু মাৰ্জিত বুদ্ধিৰ চিন দেখুৱালোঁ, বহুত ভাৱৰ গৰিমা দেখুৱালোঁ। এতিয়া আমি বিচাৰোঁ sentimentৰ hypocrisy বাদ দি passionৰ humanityৰে চাব, দেহ-বাসনা-কামনা দুৰ্বলতাৰ চিৰন্তন গোলাম মানুহ হিচাপে চাব।" (উদ্ধৃত, *হীৰেন গোহাঁই ৰচনাৱলী*, প্ৰথম খণ্ড, পৃ.৪৩৭) কিন্তু দেৱকান্ত-মুনীন বৰকটকীৰ এনে চিন্তা-ভাৱনাক সহজে গ্ৰহণ কৰিব পৰাকৈ তৎকালীন সমাজখন সাজু আছিল বুলিব নোৱাৰি। সমসাময়িক সামাজিক প্ৰেক্ষাপটত ডেকা-গাভৰুৰ প্ৰেমৰ মুক্ত প্ৰকাশ গ্ৰহণযোগ্য নাছিল। সেয়েহে বহু প্ৰেমিক প্ৰেমিকা সামাজিক সংৰক্ষণশীলতাৰে হেতু পৰস্পৰৰপৰা আঁতৰি যাবলৈ বাধ্য হৈছিল। কিন্তু এনেধৰণে চিৰকাল যে প্ৰেম আৰু যৌৱনক অৱদমিত কৰি ৰাখিব পৰা যে নাযায় সেয়া কবিৰ বিশ্বাস। সেয়েহে তেখেতে আশা ব্যক্ত কৰি লিখিছে—

আহিব নতুন কবি কলংপাৰত বহি
যৌৱনৰ
আৰতি শুনাব।
হয়তো গানত তাৰ কান্দিব বাৰিষা মেঘ

চকুলোৰে

বৰষি অমৃত.

হয়তো ছন্দত তাৰ ধৰা দিব ৰুদ্ধ-কণ্ঠ

শতাব্দীৰ

উদ্দাম সংগীত। ('কলংপাৰত')

দেহজ আৰু ৰোমান্টিক ভাৱনাৰ মাজতো কবিৰ কবিতাত প্ৰকাশিত হৈছে জীৱনমুখী আৰু বাস্তৱমুখী দৃষ্টিভংগী। পূৰ্বৰ ৰোমান্টিক কবিৰ দৰে বিৰহ কাতৰ নহৈ পৰিস্থিতিক সহজে গ্ৰহণ কৰিব পৰাকৈ তেখেতৰ কবিতাৰ প্ৰেমিক সক্ষম। —

তুমি মোক পাহৰি পেলাবা; মোৰ দোষ মোৰ গুণ

হায় মোৰ ভালপোৱা, পাহৰিবা তুমি সখি।

আজিৰ নিশাৰ স্মৃতি, পাহৰিবা

তুমি মোৰ হোৱা।

হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি, ওচৰতে ৰ'ব প্ৰিয়জন,

বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ বাৰু কিবাকিবি কৰিবনে মন?

হয়তো কৰিব পাৰে, হয়তো নকৰে, মোৰ খেদ নাই।

'সাগৰ দেখিছা' কবিতাৰ জৰিয়তে প্ৰকৃতিৰ কবি হিচাপেও দেৱকান্ত বৰুৱাই নিজক বলিষ্ঠ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। নেদেখা 'সাগৰখন'ৰ সৈতে নিজৰ হৃদয় সাগৰৰ সমন্বয় স্থাপনেৰে লিখা 'সাগৰ দেখিছা' অসমীয়া কবিতাৰ ইতিহাসৰ এটা জনপ্ৰিয় কবিতাও—

সাগৰ দেখিছা? দেখা নাই কেতিয়াও? ময়ো দেখা নাই,

শুনিছো তথাপি

নীলিম সলিল ৰাশি, বাধাহীন উৰ্ম্মিমালা আছে দূৰ

দিগন্ত বিয়াপি। (*সাগৰ দেখিছা*)

'প্ৰেম আৰু যৌৱনৰ কবি' দেৱকান্ত বৰুৱাৰ কবিতাত মৃত্যু চেতনাও প্ৰৱল। যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ-তীৰ্থ'(১৯২৬)ৰ 'নিয়তি'য়ে দেৱকান্ত বৰুৱাৰ কবিতাতো বিশেষ স্থান লাভ কৰিছে।

সৃষ্টিৰ দিনৰে পৰা

নিয়তিৰ স'তে হেৰা

মানুহৰ সংগ্ৰাম অক্ষয়।

দেৱকান্ত বৰুৱাৰ বিখ্যাত কবিতা 'সাগৰ দেখিছা'ত প্ৰকাশিত হৈছে প্ৰেম আৰু মৃত্যুশীল জীৱনৰ সম্পৰ্ক। ভবেন বৰুৱাৰ বিশ্লেষণত—"ভংগুৰতা, মৃত্যুশীলতাই জগোৱা বেদনাৰ তাড়নাতে মানুহে প্ৰেমক গঢ় দিয়ে—ভংগুৰতা, মৃত্যুশীলতাৰ পৰিচয় বহন কৰা উপাদানবোৰেইঃ 'জঁই পৰা মালতীৰে জয়ৰ গৌৰৱমালা...' ঃ মৃত্যুশীলতাৰ ব্যঞ্জনা বহন কৰা উপাদানস্বৰূপ 'জঁই' শব্দটোৱেই যেন ৰূপান্তৰিত হৈ পৰিছে বিপৰীত ব্যঞ্জনাৰ 'জয়' শব্দটোলৈ..."( পূৰ্বোক্ত গ্ৰন্থ, পৃ.১১৮)

তুমি জানা মাথোঁ
তুমি তুমি, মই মই। তুমিতো নেজানা হায়, কিয় বাৰু
আমি কিয় গাথোঁ
জঁই পৰা মালতীৰে জয়ৰ গৌৰৱমালা? মিলনৰ
কাৰেং সোণালী
সাজোঁ কিয় পৃথিৱীৰ দুখৰ বোকাৰে আমি? হৃদয়ৰ...

দেৱকান্ত বৰুৱাৰ স্বদেশ প্ৰেমৰ সাৰ্থক প্ৰকাশ ঘটিছে 'মোৰ দেশ মানুহৰ দেশ' কবিতাত। লেখকৰ ভাৰতীয় আৰু অসমীয়া দুয়োটা মনৰ সাৰ্থক সহৰস্থান কবিতাটোত লক্ষ্যণীয়। য'ত দেশৰ ঐতিহ্য-গৰিমাৰ সাৱলীল উপস্থাপন কৰা হৈছে। কবিৰ মানৱ প্ৰেমৰ স্বাক্ষৰো কবিতাটিত প্ৰকাশিত হৈছে—

মোৰ দেশ মানুহৰ দেশ
উত্তৰে উত্তুঙ্গগিৰি, দক্ষিণে সাগৰ
শত নদী বুকুৰে বাগৰে
পাৰে পাৰে সাজে ভাঙে কত ইতিহাস
ব্ৰহ্মপুত্ৰ, গোদাবৰী, শিপ্ৰা আৰু গঙ্গা যমুনাৰ
সুন্দৰী ভাৰতবৰ্ষ, ৰূপহী অসম।

'ৰাজনীতিৰ মানুহ' দেৱকান্ত বৰুৱাই দীৰ্ঘকালীন সময় ভাৰতীয় ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ কৰাৰ সুবাদতে তদানীন্তন সময়ৰ সমাজ-ৰাজনীতিৰ স্খলিত স্বৰূপৰ সৈতে প্ৰত্যক্ষভাৱে পৰিচিত হৈছিল।

অসমীয়া জাতিৰ অৱক্ষয়মুখী গতিক প্ৰত্যক্ষ কৰি কবি দেৱকান্তই সেই সমাজ-বাস্তৱক কবিতাৰ জৰিয়তে ব্যংগ আৰু সমালোচনা কৰিছে। 'লাচিত ফুকন' কবিতাত এই সমালোচনা প্ৰবল। তদুপৰি কবিৰ দেশপ্ৰেম আৰু ইতিহাস-চেতনাও কবিতাটিৰ জৰিয়তে

প্ৰকাশিত হৈছে—

দেশৰ বাতৰি শুনিবানে বীৰ ? নিদিওঁ তোমাক ফাঁকি
তোমাৰ অসম নাই আৰু জঁকাটোহে তাৰ বাকী।
লুইতৰ এই বিশালপাৰত নাই আৰু অসমীয়া
মৰি হজি ঢুকাল সকলো, চিনচাব নাইকীয়া...

***

স্বদেশ পূজাৰ মন্দিৰ যাৰ কেৱল লোকেলবৰ্ড
জ্ঞান সাগৰৰ দুইপাৰ যাৰ চিভিল-পিনাল-ক'ড
মন্ত্ৰীত্ব যাৰ শেষ কল্পনা, এচেম্বলী যাৰ আশা
সিনো কি বুজিব হে বীৰ ! তোমাৰ ৰণ-দুৰ্ম্মদ ভাষা ?

১৯৪৮ চনত বিৰিঞ্চি কুমাৰ সম্পাদিত 'ৰংঘৰ' আলোচনীত প্ৰকাশিত দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটো তেখেতৰ এটা উল্লেখযোগ্য কবিতা। 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাৰে অসমীয়া কবিতাৰ আধুনিকতাৰ দুৱাৰখনো খোলা হৈছিল বুলি ক'ব পাৰি। আধুনিক ইংৰাজ-আইৰিছ কবি য়েট্‌ছৰ ভংগীমাৰে (I, the poet William Yeats) দেৱকান্তইও য'ত কৈছে—'মই কবি দেৱকান্ত'। *ৰংঘৰ*আলোচনীতে ১৯৪৯ চনত আধুনিকতাবাদী কবি অজিৎ বৰুৱাৰ 'মন-কুঁৱলী সময়' প্ৰকাশ পাইছিল। সন্ধিক্ষণৰ এই বিশেষ কবিতাটোৰ প্ৰসংগত কবি হীৰেন্দ্ৰনাথ দত্তই লিখিছে—"আমি দুৱাৰ মুকলি কৰোঁ'—শীৰ্ষক দেৱকান্তৰ আটাইতকৈ ভাব-গধুৰ আৰু সঙ্গীতময় কবিতাটোত 'দুৱাৰ মুকলি ক'ত, দুৱাৰ মুকলি ক'ত' বুলি কৈ কৈ তেওঁ অনুজ অসমীয়া কবিসকলক নতুন দুৱাৰৰ সন্ধানত ব্ৰতী হ'বলৈ শুদ্ধ আৰু সময়োপযোগী উদ্‌গণি দিলে।" (*কথা বৰেণ্য*, পৃ.১০০)

মাত্ৰ এখন কবিতা-পুথিৰেই দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। *সাগৰ দেখিছা*ৰ কবিতা-পুথিৰ বিশেষত্বৰ আলোচনা কৰি ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামীয়ে লিখিছে—"সাগৰ দেখিছাৰ অধিকাংশ কবিতাই প্ৰাক্-আধুনিক ৰেটোৰিকৰ প্ৰকৃষ্ট নমুনা। চিত্ৰকল্পবাদী আন্দোলনে অগ্ৰাধিকাৰ দিয়া ঘনত্ব(concentration) বা মিতভাষণৰ সলনি ইয়াৰ বৈশিষ্ট্য বক্তব্যৰ বিপুল বিস্তাৰ, কথ্যভাষাৰ নিহিত জীৱনৰ 'আধুনিক' সন্ধানৰ ঠাইত 'কাব্যিকতা'ৰ সহজ প্ৰয়োগ ঃ "নীলিম সলিল ৰাশি, বাধাহীন উৰ্ম্মিমালা", "দুটুপি চকুলো ভৰা/এজুৰি নয়ন"। আচৰিত

নহয়, এনে ‘কাব্যিকতা’ খোপনিস্বৰূপে সঘনে ব্যৱহৃত দুটি শব্দ ‘হায়’ আৰু ‘দেহি’ ঃ “তৃষ্ণা-আকুল হায় / মৰু-পথিক যায়” (পূজাৰ ফুল), “জীৱনতে হায় জীৱন জহাই...” (আকাশ-কুসুম), “বীণত নুঠিল যাৰ বাজি হায় অন্তৰৰ/ পৰিপূৰ্ণ বাণী” (কলঙ-পাৰত), “দেৱতাৰ নুগুচে পিয়াহ হায়...” (দেৱদাসী), “ক্ষুদ্ৰ পৰিসৰ এই ধৰাৰ কাৰাত বন্দী/ আমি হায়...” (অসাৰ্থক), “টোপনিত লালকাল হই যদি থাকোঁ মই সোণ!/ নীৰৱে জগাবা দেই, হায়” (ৰঙা এটি কৰবীৰ ফুল), “যি জোনাকে গাভৰু-হিয়াত হায় ঢউ তোলা নাই” (অৰ্থহীন), “মাটিৰ মানুহে হায় প্ৰয়াস কৰিছে কত...’(প্ৰগতি), “কাকুতিত হায় সকলো মিনতি...”(শেৱালি-কবিৰ প্ৰতি); অথবা, “যি ছাটি জোনাক দেহি আজিও পোৱাহি নাই...”(ওলগ), “আমৰ মলৰ সুৰভি-মুগ্ধ কলিটিয়ে দেহি/ পাহৰে সুৰ”(প্ৰথমা), “নিজেই বিভোৰা দেহি নিজৰ ৰূপত” (মিৰাণ্ডা), “পুলকিতা হ’ল দেহি, প্ৰতি কাঁইটত” (শকুন্তলা)...ইত্যাদি। হয়তো চল্লিছৰ সাধ্য-সাধনাৰ সৈতে (*জয়ন্তীৰ* কথাও মনত পেলাব পাৰি) *সাগৰ দেখিছাৰ* বিচ্ছেদৰ মুহূৰ্তটো ইয়াৰে ক’ৰবাত মোটামুটিকৈ ঠাৰৰ কৰিব লাগিব। (*প্ৰবন্ধ*, পৃ. ৩২১)

**আত্মমূল্যায়ন প্ৰশ্ন ঃ**

অসমীয়া ৰোমান্টিক কবিতাৰ ইতিহাসত দেৱকান্ত বৰুৱাৰ স্থান নিৰ্ণয় কৰি তেখেতৰ কবিতাৰ বিশেষত্বসমূহ আলোচনা কৰাঁ।

................................................................................................

................................................................................................

................................................................................................

................................................................................................

................................................................................................

### ৪.৪ দেৱকান্ত বৰুৱাৰ কবিতা ‘অপ্ৰকাশ’

‘অপ্ৰকাশ’ মূলতঃ এটা প্ৰেম আৰু ৰহস্যৰ কবিতা। কবিৰ একমাত্ৰ কবিতা-সংকলন *সাগৰ দেখিছাৰ* সৰহসংখ্যক কবিতাৰেই মূল ভাৱ—‘প্ৰেম’ আৰু প্ৰেমৰ কাব্য-সংকলন হিচাপে ‘সাগৰ দেখিছা’ নিঃসন্দেহে অসমীয়া কবিতাৰ ইতিহাসত এক মাইলৰ খুঁটি। হীৰেন্দ্ৰনাথ দত্তৰ ভাষাত—“*সাগৰ দেখিছা* কাব্য-সংকলনখন এখন প্ৰেম বিষয়ক

উৎকৃষ্ট কাব্য গ্ৰন্থ বুলি নিৰূপিত হ'বৰ যোগ্য এই কাৰণেই যে তাত 'মনোৰমা', 'তিলোত্তমা', 'কবিৰ কামনা', 'সাগৰ দেখিছা', 'নাৰী বন্দনা', 'অপ্ৰকাশ', 'দৃষ্টি-সৃষ্টি' ইত্যাদি কবিতাত ভিন্ন-ভিন্ন অভিব্যক্তি উন্মোচিত হৈছে। ইন্দ্ৰিয়কাতৰতা, অৰ্থাৎ ‘‘আমাৰ কাৰণে সখি আমাৰ কাৰণে কান্দে/ গাভৰুৰ ওঁঠৰ লালিমা'', ‘‘ফুলিছোঁ পদুম দুটি ওঁঠত লগাই ওঁঠ/ মনোৰমা তুমি আৰু মই'' আদি উক্তিবোৰৰ নিহিতাৰ্থ—সাধাৰণ কাব্য-পঢ়ুৱৈৰ চকুত পোনছাটেই পৰে।....কিন্তু এনে অভিব্যক্তিতকৈ সূক্ষ্ম আৰু গভীৰ অভিব্যক্তি ভালেখিনি সমুপস্থিত বাবেহে আলোচিত সংকলনখনৰ উৎকৰ্ষ স্থায়ীভাৱে নিৰ্ণীত হৈছে।''( *কথা বৰেণ্য*, পৃ.১২১)

হীৰেন্দ্ৰ নাথ দত্তই কোৱা এই ‘‘সূক্ষ্ম আৰু গভীৰ অভিব্যক্তি প্ৰকাশক'' এটা উল্লেখযোগ্য কবিতা—'অপ্ৰকাশ'। কবিতাটোত এক গভীৰ-প্ৰেম চেতনা, ৰহস্যবোধ, জীৱনবোধ আৰু মৃত্যু-চেতনাৰ ভাৱ প্ৰকাশ পাইছে। কবিতাটোৰ মাজৰ এটা স্তৱকলৈয়ে প্ৰথমে দৃষ্টি নিক্ষেপ কৰা যাওঁক—

> জানো জানো, তোমাৰ হাতৰ মালা আদিম নাৰীৰ সেয়া
> সঙ্কেত প্ৰেমৰ?
> তোমাক উদ্দেশি লিখা মোৰ কবিতাত কান্দে অনুৰাগ
> আদি মানৱৰ!

কবিয়ে প্ৰেমিকাৰ প্ৰেম-অনুৰাগ আৰু প্ৰেম-নিবেদনক বুজি পাইছে। যি প্ৰেম অনুৰাগ যুগে যুগে মানৱীয় সত্তাত প্ৰৱাহিত হৈ আছে। কবিৰ হৃদয়তো সেই একে ভাৱেৰেই উপস্থিতি আছে। ফুলৰ মালাৰে প্ৰেয়সী কবিৰ বাবে প্ৰতীক্ষাৰত। কিন্তু এই অনন্ত বিশ্বৰ ব্যাপকতা আৰু অসীম পৰিধিৰ মাজত এই প্ৰেম-আৱেদন যেন নিষ্প্ৰাণ আৰু নিষ্প্ৰভ। প্ৰেমৰ এই ক্ষণস্থায়ী উদ্‌যাপনত আত্মবিভোৰ হোৱাৰ সলনি কবিয়ে উপলব্ধিৰ গভীৰতালৈ গৈ অস্থায়ী আৰু ক্ষয়িষ্ণু জীৱনৰ অস্ফুট ছন্দক অনুভৱ কৰিছে। প্ৰেম-যৌৱনৰ কবি দেৱকান্তৰ দাৰ্শনিক চেতনা আৰু জীৱনবোধ কবিতাটোৰ জৰিয়তে পোহৰলৈ আহিছে। যিগৰাকী দেৱকান্তই 'কলঙ্ পাৰত মাজনিশা', 'কলঙ্ পাৰত'ৰ দৰে কবিতাত দেহজ প্ৰেমক, খন্তেকীয়া প্ৰেমক সাৰোগত কৰি জীৱন উদ্‌যাপন কৰিছিল, সেইগৰাকী কবিয়েই 'অপ্ৰকাশ'ৰ দৰে কবিতাত প্ৰকাশ কৰিছে—দেহাতীত আৰু চিৰায়তৰ প্ৰতি থকা অন্তহীন তৃষা। 'সাগৰ দেখিছা'ত ‘‘সাগৰ, বসন্তৰ ফুল, বাৰিষাৰ ৰামধেনু আৰু চৰাইৰ হিয়াভগা মাতেৰে ভৰি থকা'' কবিয়ে 'অপ্ৰকাশ'তো উপলব্ধি কৰিছে—'সন্ধিয়া কোমল কৰা

শেৱালিৰ মৃদু সুবাস', পখীৰ ডিঙিত কান্দিব খোজা কত প্ৰভাতৰ সোঁৱৰণি। গোটেই কবিতাটোতে ব্যঞ্জিত হৈ আছে এক সৰ্বাত্মক মৃত্যুচেতনা আৰু ক্ষণভংগুৰ জীৱণৰ কৰুণ উপলব্ধি—

মোৰ বাবে নাগাঁথিবা মালা মোৰ কথা শুনা, কাৰো বাবে
মালা নাগাঁথিবা
অনন্তৰ অনন্ত কবিতা খন্তেকীয়া ফুলৰ ভাষাৰে
কিদৰে লিখিবা?

'কলঙ্ পাৰত মাজনিশা'ত যৌৱনৰ উদ্‌যাপনৰ পক্ষপাতিত্ব কৰা কবিয়ে 'অপ্ৰকাশ'ত এক দাৰ্শনিক অনুসন্ধানৰ পথত অগ্ৰসৰ হৈছে। জীৱনৰ ক্ষণস্থায়ীত্ব আৰু প্ৰেমৰ অস্থায়ী স্বৰূপৰ এই উপলব্ধিৰ মাজত দাৰ্শনিক দেৱকান্তই ভুমুকি মাৰিছে—

কিদৰে কৰিবা বাৰু এটোপাল নিয়ৰেৰে সাগৰৰ
বিস্তৃতি প্ৰমাণ?
বিন্দুৰ গৌৰৱ তাত হয়তো হ'বও পাৰে, মহাসিন্ধু
—তাৰ অপমান।

কবিৰ পৰিচিত যৌৱনৰ উদ্যম প্ৰকাশিত হোৱা অভিব্যক্তিৰ সলনি 'অপ্ৰকাশ'ত কবিৰ সৌন্দৰ্য্য-উপলব্ধিৰ গভীৰতা উন্মোচিত হৈছে।

সৃষ্টিৰ দিনাৰেপৰা আজিলৈকে সকলোতে সৌন্দৰ্যৰ
বিকাশ বিশাল
অপ্ৰকাশ সৌন্দৰ্য্যৰ সীমাহীন সমুদ্ৰৰ মাথোঁ
সামান্য টোপাল

অবোধ প্ৰিয়াক কবিয়ে বুজাইছে জীৱন-যৌৱনৰ ক্ষণস্থায়ীত্বক। যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰ তীৰ্থ'ৰ মৃত্যুচেতনাই কবিকো স্পৰ্শ কৰিছে আৰু 'নিয়তি'ৰ স্বৰূপ আৰু শক্তিক কবিয়ে 'অপ্ৰকাশ'ত নতুনকৈ আৱিষ্কাৰ কৰিছে—

দুৰ্ব্বল মানুহ আমি, কিদৰে প্ৰকাশোঁ তাক? পৰিহাস
হায় নিয়তিৰ!

**আত্মমূল্যায়ন প্ৰশ্নঃ**

প্ৰেম আৰু ৰহস্যৰ কবিতা হিচাপে 'অপ্ৰকাশ' কবিতাটিৰ ভাৱবস্তুৰ আলোচনা কৰাঁ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৪.৫ সাৰাংশ (Summing Up)**

অসমীয়া ৰোমান্টিক কবিতাৰ ইতিহাসত দেৱকান্ত বৰুৱা এজন গুৰুত্বপূৰ্ণ কবি। যুগসন্ধিৰ কবি দেৱকান্তই অসমীয়া কবিতাৰ শেষ-ৰোমান্টিক স্তৰটোক সমৃদ্ধিশালী কৰাৰ লগতে আধুনিকতাবাদী কবিতাৰো বাট মুকলি কৰি দিছিল। তেখেতৰ অন্যতম কবিতা 'অপ্ৰকাশ' কবি-মনৰ ৰোমান্টিক, আধুনিক আৰু আধ্যাত্মিক চেতনাৰ সাৰ্থক প্ৰতিফলক। দেৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়বস্তু আৰু প্ৰকাশভংগীৰ মৌলিকতাই তেখেতক আধুনিক চেতনাৰ পূৰ্বসুৰী হিচাপে প্ৰতিষ্ঠা কৰিছে। হীৰেন গোহাঁইৰ ভাষাত—"দেৱকান্তৰ কবিতাই দৈহিক প্ৰেমক, খন্তেকীয় প্ৰেমক সাৰোগত কৰিব খুজিছে। কিন্তু মুহূৰ্তৰ বাবেও পাহৰিব পৰা নাই দেহাতীত আৰু চিৰায়তৰ প্ৰতি মানুহৰ তৃষা। সেই তৃষাই প্ৰথাগত আধ্যাত্মিকতাত স্বস্তি নাপায়; আনহাতে, দেহসৰ্বস্ব মনোভাৱেও মানুহৰ বাবে কঢ়িয়াই আনে গভীৰ অশান্তি। এই দ্বন্দ্ববোধেই দেৱকান্তক আধুনিক চেতনাৰ পূৰ্বসুৰী কৰি তুলিছে।"(হীৰেন গোহাঁই ৰচনাৱলী, প্ৰথম খণ্ড, পৃ.৪৩৯) নগেন শইকীয়াই লিখিছে—"শ্ৰীদেৱকান্ত বৰুৱাৰ মাজত অসমীয়া ৰোমান্টিক প্ৰেমৰ কবিতাই লাভ কৰিলে ভাবঘন আৰু ৰসঘন ৰূপ।
ব্ৰাওনিঙৰ স্বগতোক্তিৰ ৰীতিৰেই কেৱল তেওঁ অসমীয়া কবিতাক নতুন আয়তন দিয়া নাই, পুৰণি কবি-প্ৰসিদ্ধিৰে নতুন চিত্ৰকল্পৰ ৰচনা কৰি আৰু চিনাকী শব্দক নতুন অৰ্থ-ব্যঞ্জনা দান কৰি অসমীয়া কবিতাক সমৃদ্ধিশালী কৰি তুলিলে। তদুপৰি তেওঁৰ কবিতাত প্ৰেমৰ ভাৱৰ মাজত বাজি থকা ক্ষণিকতা, অসহায়তা আৰু মৃত্যুচেতনাই আধুনিক মানুহৰ প্ৰথম সংশয়ো কঢ়িয়াই আনিলে। দেৱকান্তই যেন দ্বিতীয় মহাযুদ্ধৰ ইটো পাৰৰ পৰা

দ্বিতীয় মহাযুদ্ধৰ সিটো পাৰলৈ এডাল সাঁকো বান্ধি দিলে। জীৱনৰ নশ্বৰতাৰ যিটো সত্য যতীন্দ্ৰনাথ দুৱৰাৰ হাতেদি ওমৰতীৰ্থই কঢ়িয়াই আনি অসমীয়া সাহিত্যত স্থান দিছিলহি, দেৱকান্তৰ মাজত সি নতুন আন এটা ৰূপত যেন প্ৰকাশ লাভ কৰিলে। "সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও বেদনাৰ মহাসাগৰত"—এই এটা শাৰীৰ মাজেদিয়েই যেন আধুনিক মানুহৰ সংশয় আৰু যন্ত্ৰণাকাতৰ মনে ভুমুকি মাৰিলেহি। এনেকৈয়ে পাঁচোটা দশক পূৰ্ণ কৰি অসমীয়া ৰোমান্টিক কবিতাই বিদায়ৰ গীত গালে আৰু নতুন কবিতালৈ ঠাই এৰি দিলে।" ('অসমীয়া কবিতা আৰু অন্যান্য বিষয়', পৃ.১৬)

## ৪.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

১। দেৱকান্ত বৰুৱাৰ কবিতাত কেনেদৰে দেশী-বিদেশী কাব্যপৰম্পৰাৰ প্ৰতিধ্বনি পৰিলক্ষিত হৈছে আলোচনা কৰাঁ।

২। প্ৰেম আৰু যৌৱনৰ কবি হিচাপে দেৱকান্ত বৰুৱাৰ কবিতাৰ মৌলিকতাৰ আভাস দাঙি ধৰি 'অপ্ৰকাশ' কবিতাত প্ৰতিফলিত কবিৰ প্ৰেম-চেতনাৰ বিষয়ে লিখাঁ।

## ৪.৭ গ্ৰন্থপঞ্জী (References/Suggested Readings)


দত্ত, হীৰেন্দ্ৰ নাথ, *মোৰ প্ৰবন্ধ*, অসম প্ৰকাশন পৰিষদ, ২০১৪ চন।

দাস, শোণিত বিজয়, মুনীন বায়ন, *কথা বৰেণ্য*, কথা, ২০০৬ চন।

গোস্বামী, ৰঞ্জিৎ কুমাৰ দেৱ, *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, পঞ্চম খণ্ড, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম, ২০১৫।

শোণিত বিজয় দাস আৰু মুনীন বায়ন, সম্পা., *হীৰেন গোহাঁই ৰচনাৱলী*(প্ৰথম খণ্ড), কথা, ২০০৯।

বৰুৱা, ভৱেন, *অসমীয়া কবিতাঃ বিৱৰ্তনৰ পৰ্ব*, গ্ৰন্থ, ২০১২ চন।

ভট্টাচাৰ্য্য, ৰঞ্জন, *ড° দিলীপ বৰুৱাৰ সমালোচনা সাহিত্য*, বেদকণ্ঠ, ২০২০ চন।

শইকীয়া, নগেন, *অসমীয়া কবিতা আৰু অন্যান্য বিষয়*, চন্দ্ৰ প্ৰকাশ, ১৯৯৬।


*****